



গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা





দ্বাদশ বছৰ ■ সংখ্যা ৩৪৫ ■ গুৱাহাটী ■ দেওবাৰ, ২৪ জুলাই, ২০২২, ৭ শাওণ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 345 Dainandin Barta ■ Guwahati, Sunday ■ 24 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only


# ৰাষ্ট্ৰীয় স্বাৰ্থতে সকলোৱে দলীয় ৰাজনীতিৰ ঊৰ্ধ্বলৈ যাব লাগিব



## ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দৰ বিদায় ভাষণত দলসমূহলৈ আহ্বান

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুলাই ঃ** ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দে শনিবাৰে দেশৰ ৰাজনৈতিক দলসমূহক ৰাষ্ট্ৰীয় স্বাৰ্থতে দলীয় ৰাজনীতিৰ ঊৰ্ধ্বলৈ গৈ জনসাধাৰণৰ কল্যাণৰ বাবে কি প্ৰয়োজন সেয়া সিদ্ধান্ত ল'বলৈ আহ্বান জনায়। সংসদৰ কেন্দ্ৰীয় হলত লোকসভা আৰু ৰাজ্যসভাৰ সাংসদসকলক উদ্দেশ্যি দিয়া বিদায় ভাষণত ক'বিন্দে কয় যে তেওঁ সদায় নিজকে বৃহত্তৰ পৰিয়ালৰ অংশ বুলি গণ্য কৰে, য'ত সংসদৰ সদস্যসকল অন্তৰ্ভুক্ত আছিল। ক'বিন্দে কয় যে তেওঁলোকে ক'বিন্দৰ হৃদয়ত এক বিশেষ স্থান দখল কৰি আছে। বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, 'যিকোনো পৰিয়ালৰ দৰে কেতিয়াবা তেওঁলোকৰ মাজত পাৰ্থক্য থাকিব পাৰে, কিন্তু তেওঁলোকে দেশৰ বৃহত্তৰ স্বাৰ্থৰ বাবে একেলগে কাম কৰা উচিত।' শান্তি আৰু সম্প্ৰীতিৰ মূল্যৰ বিষয়ত গুৰুত্ব আৰোপ কৰি ক'বিন্দে ■ ৮ পৃষ্ঠাত



## শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰৰ ডেকা সত্ৰীয়া দুৰ্লভ দেৱগোস্বামীৰ দেহাৱসান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ২৩ জুলাই ঃ** ঢকুৱাখনাৰ ঐতিহাসিক শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰৰ ডেকা সত্ৰীয়া দুৰ্লভ দেৱগোস্বামীৰ পৰলোকপ্ৰাপ্তি হয়। সত্ৰাধিকাগৰাকীৰ জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয় নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। কিছুদিনৰ পূৰ্বে গোস্বামীৰ স্বাস্থ্য অত্যন্ত অৱনতি ঘটাত চিকিৎসকে জৰুৰীকালীন সেৱা বিভাগত সত্ৰৰ পূজাৰীজনক ICU ত ৰখাৰ অন্তত আজি পুৱতি নিশা শেষ নিশ্বাস ত্যাগ কৰে গোস্বামীয়ে। ■ ৮ পৃষ্ঠাত

## মন্ত্ৰী পীযূষ হাজৰিকাৰে কোচ ৰাজবংশী জাতীয় পৰিষদৰ নেতৃত্বৰ টেলিফোনিক আলোচনা

## ২৫ জুলাইৰ কমতাপুৰ বন্ধ-২ আগষ্টৰ পথ বন্ধৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুলাই ঃ** কমতাপুৰ ৰাজ্য পুনৰ গঠন আৰু কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত ২৫ জুলাইৰ পুৱা ৬ বজাৰ পৰা ২ বজালৈ আহ্বান জনোৱা ৮ ঘণ্টীয়া কমতাপুৰ বন্ধ আৰু ২ আগষ্টৰ পথ বন্ধৰ কাৰ্যসূচী সাময়িকভাৱে কোচ ৰাজবংশী জাতীয় পৰিষদে স্থগিত ৰাখিছে। শনিবাৰে ৰাজ্য চৰকাৰৰ মন্ত্ৰী পীযূষ হাজৰিকাৰ সৈতে সংগঠনটোৰ নেতৃত্বৰ মাজত হোৱা টেলিফোনিক আলোচনাৰ পিছতে জাতীয় পৰিষদৰ নেতৃত্বই পূৰ্বে ঘোষিত আন্দোলনৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰাখে। উল্লেখ্য, শনিবাৰে বিয়লি ৫ বজাত ■ ৮ পৃষ্ঠাত

## তেজপুৰৰ পথাৰত বিকল নলীনাদক লৈ ক্ষোভ কৃষকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৩ জুলাই ঃ** ৰাজ্যৰ কৃষকক সকাহ দিয়াৰ স্বাৰ্থত ৰূপায়ণ হোৱা পি এম কে এছ ৱাই আঁচনিৰ নামত ঠিকাদাৰে কোটি কোটি টকা লাভ কৰিলে যদিও কৃষকে কিন্তু পথাৰত পানী লাভ নকৰিলে। উল্লেখ্য যে, ২০২০ৰ এপ্ৰিল মাহতে দেশৰ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সমগ্ৰ দেশৰ লগতে ৰাজ্যতো ৰূপায়ণ কৰা হৈছিল প্ৰধানমন্ত্ৰীৰ কৃষি জলসিঞ্চন আঁচনি। পি এম কে এছ ৱাই নামৰ এইখন আঁচনি ৰূপায়ণৰ নামত ৰাজ্যত ব্যাপক দুৰ্নীতি সংঘটিত হয় আৰু ইতিমধ্যে এই আঁচনিৰ ঠিকাৰ বিপৰীতে ঠিকাদাৰে প্ৰায় সম্পূৰ্ণ বিল আদায় কৰিবলৈ সক্ষম হ'ল যদিও আঁচনিসমূহৰ ■ ৮ পৃষ্ঠাত

## সম্পূৰ্ণ ১৫০ দিন

# ৰাছিয়া-ইউক্ৰেইনৰ ৰক্তক্ষয়ী যুদ্ধৰ শেষ কেতিয়া









**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুলাই ঃ** আগ্ৰাসী ৰাছিয়াই ইউক্ৰেইনৰ বিৰুদ্ধে আৰম্ভ কৰা যুদ্ধই আজি ১৫০টা দিনত প্ৰৱেশ কৰিলে। বহু লোকৰ প্ৰাণ হানি ঘটোৱা আৰু হাজাৰ হাজাৰ কোটি টকাৰ সম্পত্তি ধ্বংস কৰা এই যুদ্ধ অৱশ্যে আজিও অন্ত পৰা নাই। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত শস্য ৰপ্তানি পুনৰ আৰম্ভ কৰাৰ বাবে কৃষ্ণ সাগৰৰ বন্দৰসমূহ পুনৰ খোলাৰ চুক্তি স্বাক্ষৰ কৰাৰ এদিন পিছতে ৰাছিয়াৰ মিছাইলে ইউক্ৰেইনৰ ওডেচা বন্দৰৰ আন্তঃগাঁথনিত আঘাত কৰিছে বুলি জানিব পৰা গৈছে। ইউক্ৰেইনৰ সামৰিক বাহিনীয়ে দাবী কৰা মতে শেহতীয়াকৈ দেশখনৰ ৰে'লৱেৰ আন্তঃগাঁথনি আৰু ইউক্ৰেইনৰ কেন্দ্ৰীয় কিৰোভোহৰাদ অঞ্চলৰ এটা সামৰিক বিমান ক্ষেত্ৰত ৰাছিয়াই চলোৱা তেৰটা বিমান আক্ৰমণত কমেও তিনিজন লোক নিহত হৈছে। ব্ৰিটেইনৰ সামৰিক চোৰাংচোৱাই প্ৰকাশ কৰা মতে যোৱা ৪৮ ঘণ্টাত ইউক্ৰেইনৰ বাহিনীয়ে ডিনিপাৰ নদীৰ পশ্চিমে খেৰচন প্ৰদেশত ৰাছিয়াৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰখাৰ বাবে তীব্ৰ যুঁজ দিছে। কিয়েভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে কৈছে যে মস্কোৰ বন্দৰ চহৰ ওডেছাত চলোৱা আক্ৰমণৰ বাবে দায়ী কৰা উচিত। ইউক্ৰেইনে আহ্বান ■ ৮ পৃষ্ঠাত

## কাৰ্বি আংলঙত ২ কোটি টকাৰ হেৰ'ইন উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেওপানী, ২৩ জুলাই ঃ** আজি কিছু সময়ৰ আগতে ডিমাপুৰৰ পৰা শ্বিলং অভিমুখী নৈশ বাছত ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ খাকৰাজানত তালাচী চলাই ২০টাকৈ চাবোনৰ বাকচত ভৰাই অনা বৃহৎ পৰিমাণৰ ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰে বৰপথাৰ আৰক্ষীয়ে। জানিব পৰা মতে আৰক্ষীৰ এক গোপন তথ্যৰ ভিত্তিত বোকাজান মহকুমা আৰক্ষী বিষয়া জন দাস আৰু বৰপথাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দ্বিপেন বৰুৱাৰ নেতৃত্বত বৰপথাৰ থানাৰ আৰক্ষীসকলৰ সহযোগত খাকৰাজানত তালাচীত ২৭৫ গ্ৰাম ড্ৰাগছ জব্দ কৰে। সন্তোষ থাপা নামৰ বাছৰ ■ ৮ পৃষ্ঠাত

# খাপ পঞ্চায়তৰ দৰে কাম কৰিছে সংবাদ মাধ্যমে

## মুখ্য ন্যায়াধীশ ৰামানাৰ উদ্বেগ



## অৱনমিত হৈছে গণতান্ত্ৰিক পৰম্পৰা

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুলাই ঃ** ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই আকৌ এবাৰ সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমৰ বিৰুদ্ধে সৰৱ হৈ পৰা পৰিলক্ষিত হ'ল। মুখ্য ন্যায়াধীশগৰাকীয়ে আজি স্পষ্টভাৱে অভিযোগ কৰে যে খাপ পঞ্চায়তৰ দৰেই বহু সংবাদ মাধ্যমে কাম কৰি আছে। সামাজিক মাধ্যম আৰু সংবাদ মাধ্যমৰ এই ভূমিকাই গণতন্ত্ৰক ■ ৮ পৃষ্ঠাত




*ঋষিৰ নাই বেছি দূৰ*

## কামপুৰত জাপানীজ এনকেফেলাইটিছত পুনৰ এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৩ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰৰ দক্ষিণ চাংচকী গাঁও নিবাসী পুলিন মজুমদাৰৰ (৭০) জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হয়। তেওঁ চাৰি দিনমান পূৰ্বে জ্বৰত আক্ৰান্ত হৈছিল আৰু কালি নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। ইয়াকে লৈ কামপুৰত বৰ্তমানলৈকে এনকেফেলাইটিছত দুজন লোকৰ মৃত্যু হয়। সৰবৰহী মজুমদাৰ কামপুৰ বৈদিক বৈষ্ণৱ সমাজৰ উপ-সভাপতিকে ধৰি অঞ্চলটোৰ ধৰ্মীয় কাম-কাজৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত ■ ৮ পৃষ্ঠাত

# শিৱসেনা কাৰ ?

## উদ্ধৱ ঠাকৰে, একনাথ সিন্দেক দলত সংখ্যাগৰিষ্ঠতা প্ৰমাণৰ 'তথ্য দাখিল'ৰ নিৰ্দেশ দিলে নিৰ্বাচন আয়োগে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুলাই ঃ** মহাৰাষ্ট্ৰৰ ৰাজনীতি তল-ওপৰ কৰি একনাথ সিন্দেই ৰাজ্যখনত চৰকাৰ গঠন কৰাৰ পিছতে দেখ দেখকৈ শিৱসেনা দুভাগ হৈ পৰিছিল। উদ্ধৱ থাকৰে আৰু সিন্দে গোটে উভয়ে নিজকে প্ৰকৃত শিৱসেনা বুলি দাবী কৰাৰ ফলত সৃষ্টি হৈছিল বিভ্ৰান্তিৰ। এনে সময়তে ভাৰতীয় নিৰ্বাচন আয়োগে শনিবাৰে উদ্ধৱ থাকৰে আৰু একনাথ সিন্দেৰ গোটক শিৱসেনাত সংখ্যাগৰিষ্ঠ সদস্য আছে বুলি প্ৰমাণ কৰি ৰাজনৈতিক সংগঠনটোৰ নিৰ্বাচনী প্ৰতীক সন্দৰ্ভত তেওঁলোকৰ দাবীৰ সমৰ্থনত নথিপত্ৰ দাখিল কৰিবলৈ কয়। ইচিআইয়ে ■ ৮ পৃষ্ঠাত

### অৰুণাচলৰ জিৰ' পইণ্টত কৰুণ মৃত্যুক সাবটি লোৱা নগাঁৱৰ বেদান্ত আৰু নয়নৰ মৃতদেহ পালেহি নিজ বাসগৃহ ঃ দুয়োৰে ঘৰত শোকাকুল পৰিৱেশ

## বেদান্তক শেষ শ্ৰদ্ধা জনালে ৰাইডাৰ্ছে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুলাই ঃ** অৰুণাচলৰ জিৰ' পইণ্টত দুৰ্ঘটনাত নিহত হোৱা নগাঁৱৰ জনপ্ৰিয় যুৱক বেদান্ত বৰমেহেলাৰ মৃতদেহ নগাঁও চহৰৰ লাওখোৱা ৰোডত আহি পোৱাৰ লগে লগে শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। লাওখোৱা ৰোডৰ বেদান্তৰ বাসগৃহত যথেষ্টসংখ্যক লোকে ভিৰ কৰে। বেদান্তক শেষ বিদায় জনাবলৈ উপস্থিত হয় নৰ্থ ইষ্ট মটৰ ৰাইডাৰ্ছ গ্ৰুপৰ সদস্যসকলো। উল্লেখ্য যে ইঞ্জিনিয়াৰিঙৰ স্নাতক বেদান্তই ■ ৮ পৃষ্ঠাত



*গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা কলঘৰত দুৰ্ঘটনাত পতিত মইনা নায়কৰ খবৰ লৈছেগৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আৰু তেওঁক সংগ দিছে হাস্পতালৰ অধীক্ষক অভিজিৎ শৰ্মা আৰু উপ-অধীক্ষক উজ্জ্বল শৰ্মাই*

## শিৱসাগৰত বিদ্যুৎ কৰ্মচাৰীক আক্ৰমণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৩ জুলাই ঃ** শিৱসাগৰ সদৰ থানাৰ অন্তৰ্গত দিচাংমুখ অঞ্চলত আজি দিন-দুপৰতেই বিদ্যুৎ বিভাগৰ এগৰাকী কৰ্মচাৰীক এটা দুৰ্বৃত্তই শাৰীৰিকভাৱে আক্ৰমণ ■ ৮ পৃষ্ঠাত

### ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত হাতীৰ উপদ্ৰপ

## হাতীয়ে স্কুলঘৰ ভাঙি তহিলং কৰিলে মধ্যাহ্ন ভোজনৰ চাউল

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৩ জুলাই ঃ** গোসাঁইগাঁও মহকুমা তথা ভাৰত-ভূটান সীমান্তৱৰ্তী ধুমবাজাৰ হাইজ্ৰাইগুৰি গাঁৱত পুৱতি নিশা ২ বজাত বন্যহস্তীয়ে সন্ত্ৰাস চলায়। বন্যহস্তীয়ে ধুমবাজাৰ নৰ্থ ইষ্ট এল পি স্কুলৰ এটা ভঁৰাল গৃহ ভাঙি প্ৰৱেশ কৰি মধ্যাহ্ন ভোজনৰ চাউল খাই তহিলং কৰাৰ লগতে বিস্তৰ ক্ষতি সাধন কৰি হস্তীটো ওলাই যায়। ইপিনে একে সময়তে ■ ৮ পৃষ্ঠাত

# নগাঁৱত ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ

## চেম্পিয়ন অৱ দ্য চেম্পিয়ন— জুনিয়ৰ শাখাত ৰোমান হাজৰিকা ঈশাৰাণী বৈশ্য আৰু ছিনিয়ৰ শাখাত দেৱী দৈমাৰী আৰু দেৱজিৎ শৰ্মা





**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰ্নৈ, ২৩ জুলাই ঃ** নগাঁও চহৰস্থিত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত কালিৰে পৰা চলি অহা ৪৪ সংখ্যক সদৌ অসম পাঞ্জা চেম্পিয়নশ্বিপ আজি সন্ধিয়া সফল সামৰণি পৰে। অসম আৰ্ম ৰেষ্টলিং এছ'চিয়েচনৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত এই চেম্পিয়নশ্বিপত কালি নিশা মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই ■ ৮ পৃষ্ঠাত

# মহাৰাষ্ট্ৰত উদ্বেগজনকভাৱে বৃদ্ধি ছোৱাইন ফ্লুৰ সংক্ৰমণ

### ৭ জনৰ মৃত্যু, তৎপৰ স্বাস্থ্য বিভাগ ঃ প্ৰতি বছৰে সংহাৰ চলোৱাৰ দৰে এইবাৰো ছোৱাইন ফ্লুৱে মহাৰাষ্ট্ৰত এক প্ৰকাৰ ত্ৰাসৰ সৃষ্টি কৰিছে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৩ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন বিশেষজ্ঞৰ মতে, বিপদা শংকা থকাসকলক প্ৰাথমিকতাৰ ভিত্তিত টিকাকৰণ নকৰিলে পৰিস্থিতি আৰু ভয়াৱহ হৈ পৰিব। মহাৰাষ্ট্ৰত যোৱা কেইদিনমানৰ পৰা ছোৱাইন ফ্লুৰ সংক্ৰমণৰ ঘটনাৰ সংখ্যা বৃদ্ধি পাইছে। ভয়াৱহ কথাটো হ'ল বহু লোক এই ৰোগ বিধত আক্ৰান্ত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। যাৰ ফলত ৰাজ্যজুৰি উদ্বেগ বৃদ্ধি পাইছে। মহাৰাষ্ট্ৰত ২১ জুলাই, ২০২২ লৈকে ১৪২জন লোক ঘটনা ছোৱাইন ফ্লুত আক্ৰান্ত হৈছিল আৰু ইয়াৰে ৭জনৰ মৃত্যু নথিভুক্ত কৰা হৈছে। মৃত সাতজনৰ ভিতৰত তিনিজন কোলহাপুৰৰ বুলি খবৰ পোৱা গৈছে। আনহাতে থানে আৰু পুনেৰ পৰা দুজনকৈ লোকৰ মৃত্যু ঘটাৰ কথা জানিব পৰা গৈছে। একেদৰে, মুম্বাইত ৪৩জন, পুনেত মুঠ ২৩জন আৰু পালঘৰত ২২জন লোক ছোৱাইন ফ্লুত আক্ৰান্ত হৈছে। ইয়াৰ উপৰি, নাছিকত ১৭জন, কোলহাপুৰ আৰু নাগপুৰত ১৪জনকৈ লোক আক্ৰান্ত হৈছে। ৰাজ্যিক নিৰীক্ষণ বিষয়া প্ৰদীপ আৱতে কয় যে মহাৰাষ্ট্ৰৰ স্বাস্থ্য বিভাগে পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে আৰু যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ (আইচিএমআৰ) ■ ৮ পৃষ্ঠাত

২৪ জুলাই, ২০২২ ■ দেওবাৰ ■ ৭ শাওণ, ১৯৪৪ শক

দৈনন্দিন বাৰ্তা জাতি, মাটি আৰু দেশৰ সেৱাত

# ধুবুৰীৰ ভাষানী চৰ গাঁও পঞ্চায়তৰ এটা অংগনৱাড়ী কেন্দ্ৰত এটা পদ চাৰিগৰাকী প্ৰাৰ্থী ঃ চলিছে টনা-আঁজোৰা



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৩ জুলাই ঃ** নাই গৃহ, নাই ছাইন ব'ৰ্ড, নাই কৰ্মী, নামমাত্ৰহে চলিছে ধুবুৰীৰ এটা অংগনৱাড়ী কেন্দ্ৰ। ধুবুৰীৰ ভাষানী চৰ গাঁও পঞ্চায়তত থকা ৫৫নং চৰ ভাষানীৰ এটা অংগনৱাড়ী কেন্দ্ৰত এটা পদত চাৰিগৰাকী প্ৰাৰ্থীৰ মাজত চলিছে টনা-আঁজোৰা। ৫৫নং চৰ ভাষানী অংগনৱাড়ী কেন্দ্ৰটোত কৰ্মী হিচাপে মেহেৰুন নেছা দায়িত্বত আছিল যদিও তিনি-চাৰি মাহ পূৰ্বে মেহেৰুন নেছাৰ মৃত্যু হয়। বৰ্তমান অংগনৱাড়ী কেন্দ্ৰটোত কৰ্মী নথকাৰ বাবে এটা পদক লৈ আৱেদন কৰিছে চাৰিগৰাকী মহিলাই। ইয়াৰ ভিতৰত তিনিগৰাকী প্ৰাৰ্থী স্থানীয় আৰু আনগৰাকী প্ৰয়াত কৰ্মী মেহেৰুন নেছাৰ পুত্ৰ বোৱাৰী মৰজিনা খাতুন। মেহেৰুন নেছাৰ পুত্ৰ বোৱাৰী মৰজিনা খাতুনে আৱেদন কৰাত গৰজি উঠিছে স্থানীয় ৰাইজ। স্থানীয় ৰাইজৰ অভিযোগ— প্ৰয়াত কৰ্মী মেহেৰুন নেছাৰ পৰিয়াল গৌৰীপুৰত বসবাস কৰে। সেয়ে গাঁৱৰ ৰাইজে মৰজিনা খাতুনক কৰ্মী হিচাপে নিযুক্তি প্ৰদান কৰিলে গাঁৱৰ ৰাইজে মানি নলয়। স্থানীয় মহিলাসকলৰ ভিতৰত আৱেদন কৰা যিকোনো এগৰাকী উপযুক্ত মহিলাক কৰ্মী হিচাপে নিযুক্তি প্ৰদান কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক আহ্বান স্থানীয় ৰাইজৰ। অৱশ্যে স্থানীয় ৰাইজৰ অভিযোগ— অঞ্চলটোৰ ৫০-৫৫জন কণ কণ ছাত্ৰ-ছাত্ৰীক চৰকাৰী সা-সুবিধা আৰু পাঠদানৰ পৰাও বঞ্চিত হৈ আছে। মুঠৰ ওপৰত একোই নাই কেন্দ্ৰটোত। দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ বিৰুদ্ধে স্থানীয় ৰাইজে বিগত এবছৰ পূৰ্বে এটা গোচৰ ৰুজু কৰিছিল। দীৰ্ঘদিন ধৰি ৫৫নং চৰ ভাষানী প্ৰয়াত কৰ্মী মেহেৰুন নেছাৰ পৰিয়াল কেন্দ্ৰত চলি আহিছে দুৰ্নীতি আৰু অনিয়ম। ইয়াৰ উপৰি কেন্দ্ৰটোৰ পৰিচালনা সমিতিৰ সভাপতিগৰাকীয়ে অভিযোগ উত্থাপন কৰা মতে কেন্দ্ৰটোত পঢ়া-শুনা কৰা কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে বিনামূলীয়াকৈ প্ৰদান কৰা বিভিন্ন সা-সামগ্ৰী সম্পৰ্কে তেওঁক একোৰে অৱগত নকৰে। মাথোন কেন্দ্ৰটোৰ ধন বেংকৰ পৰা উঠোৱাৰ কাৰণেহে ব্যৱহাৰ কৰিছিল বুলি ভয়ংকৰ অভিযোগ উত্থাপন কৰে পৰিচালনা সমিতিৰ সভাপতি জাভেদ আলীয়ে। কেন্দ্ৰটোত স্থানীয় ৰাইজে লিখিতভাৱে অভিযোগ উত্থাপন কৰাৰ পিছত আজি কেন্দ্ৰটোত তদন্তৰ বাবে উপস্থিত হয় ছুপাৰভাইজৰ। অৱশ্যে স্থানীয় ৰাইজে বিভিন্ন সমস্যা আৰু কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় উপযুক্ত মহিলাক প্ৰাৰ্থী হিচাপে দায়িত্বভাৰ দিয়াৰ বাবে আৱেদন জনায়।



# কলবাৰীত দশম বাৰ্ষিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২৩ জুলাই ঃ** ওদালগুৰি জিলা টংলা কলবাৰী গাঁৱৰ শৈক্ষিক, সাংস্কৃতিক, অৰ্থনৈতিক বিকাশৰ লগতে গাঁওখনক সৰ্বতোপ্ৰকাৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে মিলনজ্যোতি সংঘই গাঁওখনৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ পৰা উচ্চ শিক্ষালৈ অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক আৰু এখোজ আগুৱাই যোৱাত অনুপ্ৰেৰণা দিয়াৰ উদ্দেশ্য মিলনজ্যোতি সংঘই বিভিন্ন ধৰণৰ শিক্ষামূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। তাৰ মাজতে দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে স্নাতকোত্তৰ শিক্ষাৰ্থীসকলকো প্ৰতি বছৰে সম্বৰ্ধনা অনুষ্ঠানৰে কৃতিত্ব প্ৰদান কৰি আহিছে। সেয়েহে এইবাৰ মিলনজ্যোতি সংঘৰ দশম বাৰ্ষিক সম্বৰ্ধনা অনুষ্ঠানটি আজি পুৱা ৭ বজাত পতাকা উত্তোলণেৰে আৰম্ভ কৰা দিনজোৰা কাৰ্যসূচী মৰ্মে ৭.৩০ বজাত স্মৃতি তৰ্পণ, ৮ বজাত গছপুলি ৰোপণ, ৮.৩০ বজাত খেল প্ৰতিযোগিতা, একাদিক্ৰমে চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাৰ পিছতে দিনৰ ১ বজাত মুকলি সভা অনুষ্ঠিত হয়। কলবাৰী গাঁও পৰিচালনা সমিতিৰ সভাপতি গোপাল চন্দ্ৰ ৰাভাই উদ্বোধন কৰা মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান সঞ্চালনা কৰে মিলনজ্যোতি সংঘৰ স্থায়ী সভাপতি দুলু ৰাভাই। সভাত উপস্থিত থাকে ক্ৰমে দাৰোগাখাত প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গহীন কছাৰী, টংলা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি জীৱন ৰাভা, সাঃ সম্পাদক ভাস্কৰ ৰাভা, জিলিমিলি মহিলা সমিতিৰ সভানেত্ৰী সম্পাদিকাৰ লগতে মিলনজ্যোতি সংঘৰ উপদেষ্টা ঘন ৰাভাৰ লগতে ক্ৰীড়া আৰু শৈক্ষিক নগৰী টংলাস্থিত চমুৱাপাৰা আধিগম শিক্ষাকেন্দ্ৰৰ সঞ্চালক তথা শিল্পী অৰূপজ্যোতি ৰাভাই সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি শিক্ষা, অভিভাৱক আৰু বৰ্তমান সময়ত নৈতিকতাৰ অভাৱনীয় সন্দৰ্ভত সাঙুৰি বহুমূলীয়া ভাষণ প্ৰদান কৰে। আনহাতে, ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে স্নাতকোত্তৰ আৰু নৱোদয় বাছনি পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ নাম ক্ৰমে- মমতা ৰাভা, চিমন ৰাভা, মুকেশ ৰাভা, অনুপম ৰাভা, ৰূপজ্যোতি ৰাভা, সমলজিৎ ৰাভা আৰু তনমী ৰাভাক, ৰাভা জাতীয় পাজাৰ আৰু মানপত্ৰৰে সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰে।

# দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অভিনন্দন জনাই চাওতালী গীত-নৃত্যৰে চাংচোৱাত উৎসৱমুখৰ পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৩ জুলাই ঃ** 'ওড়িশাৰ ময়ূৰভঞ্জ জিলাৰ ৰাইৰাংপুৰৰ এগৰাকী জনজাতীয় নেত্ৰী দ্ৰৌপদী মুৰ্মু এগৰাকী মৃদুভাষী নেত্ৰী, যিয়ে কঠোৰ পৰিশ্ৰম আৰু বিচক্ষণতাৰে ওড়িশাৰ ৰাজনীতিত নিজৰ স্থান দখল কৰিছিল। ২০২২ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে ৰাইচিনা দখল কৰা মুৰ্মু দেশৰ প্ৰথম নাগৰিক হোৱাৰ লগতে প্ৰথমগৰাকী জনজাতীয় ৰাষ্ট্ৰপতিৰো গৌৰৱ অৰ্জন কৰিলে।' যোৰহাটৰ চাংচোৱা চাহ বাগিচাস্থিত চাওতাল ভৱনত যোৱা ২২ জুলাইত পশ্চিম যোৰহাট চাওতাল সমাজে ভাৰতৰ প্ৰথমগৰাকী আদিবাসী ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত মহামহিম দ্ৰৌপদী মুৰ্মুৰ বিজয় উৎসৱত আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰি মাহেকীয়া সাহিত্য আলোচনী 'দিগ্‌দৰ্শন'ৰ সম্পাদক তথা সাংবাদিক পংকজ কুমাৰ দাসে এনেদৰে কয়। উৎসৱমুখৰ পৰিৱেশত আয়োজিত এই বিজয় উৎসৱত পশ্চিম যোৰহাট চাওতাল সমাজৰ হৈ মনোজ কিস্কু, চুকৰাম কিস্কু, সোণেশ্বৰ মাঝি, বিজেন মাঝি, ৰূপেশ্বৰ হাচদা, ৰঞ্জিত মাঝি, টুনু মাঝি, ৰাহুল টুডু, আকাশ মাৰ্ডি, বাপুৰাম হাচদা, সদৌ অসম চাওতাল উন্নয়ন সন্থাৰ হৈ উপ-সভাপতি অপূৰ্ব হেম্বৰম, শিক্ষা সম্পাদক গোপাল হেম্বৰম আৰু ৭৩নং ঠেঙাল খঙীয়া গাঁও পঞ্চায়তৰ স্থানীয় ৱাৰ্ড সদস্য মীনা হাচদাকে আদি কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সদৌ অসম চাওতাল উন্নয়ন সন্থাৰ উপ-সভাপতি অপূৰ্ব হেম্বৰমে কয় যে 'ভুৱনেশ্বৰৰ ৰামা দেৱী মহিলা মহাবিদ্যালয়ৰ পৰা কলা শাখাৰ স্নাতকৰ লগতে ৰায়ৰংপুৰত অৱস্থিত শ্ৰীঅৰবিন্দ অখণ্ড শিক্ষা আৰু গৱেষণাৰ সহকাৰী অধ্যাপিকাৰূপেও কিছুদিন কাম কৰা মুৰ্মুৰ যাত্ৰা অতি দীঘলীয়া আৰু কঠিন আছিল। বেংকাৰ শ্যামচৰণ মুৰ্মুৰ সৈতে বিবাহপাশত আবদ্ধ মুৰ্মুৰ দুজন পুত্ৰ আৰু এগৰাকী কন্যা সন্তান আছিল। ব্যক্তিগত জীৱন অত্যন্ত ট্ৰেজেডীৰে ভৰা। এটা দুৰ্ঘটনাত ২০১৪ চনত স্বামী শ্যামচৰণ মুৰ্মুৰ মৃত্যু হয়। ২০০৯ চনত তেওঁৰ পুত্ৰ লক্ষ্মণ আৰু ২০১৩ চনত আনজন পুত্ৰৰো মৃত্যু ঘটে। প্ৰয়াত স্বামী আৰু দুই পুত্ৰৰ স্মৃতিত ওড়িশাৰ পাহাৰপুৰত তেওঁ স্থাপন কৰিলে স্মৃতি আৱাসিক বিদ্যালয়। দ্ৰৌপদী মুৰ্মুৱে সকলো প্ৰত্যাহ্বান আৰু সকলো অসুবিধা অতিক্ৰম কৰি হাৰ নামানি ওড়িশা চৰকাৰৰ জলসিঞ্চন আৰু বিদ্যুৎ বিভাগত কনিষ্ঠ সহায়ক অৰ্থাৎ কেৰাণী হিচাপে চাকৰি লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ ৰাইৰাংপুৰৰ শ্ৰীঔৰোবিন্দো অখণ্ড শিক্ষা কেন্দ্ৰত সহকাৰী শিক্ষক হিচাপেও কাম কৰে। কাউন্সিলৰ হিচাপে ৰাজনৈতিক জীৱন আৰম্ভ কৰা দ্ৰৌপদী মুৰ্মুৱে ২০০০ চনত ওড়িশা চৰকাৰৰ মন্ত্ৰী হয়। ২০১৫ চনৰ ১৮ মে'ত ৰাজ্যপাল পদত নিযুক্তি লাভ কৰা তেওঁ প্ৰথমগৰাকী জনজাতীয় মহিলা তথা ঝাৰখণ্ডৰ প্ৰথম মহিলা ৰাজ্যপাল আৰু ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা দ্ৰৌপদী মুৰ্মু ওড়িশাৰ প্ৰথম মহিলা। ঝাৰখণ্ডৰ নৱম ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰা দ্ৰৌপদী মুৰ্মু ২০২১ চনৰ ১২ জুলাইলৈকে এই পদত অধিষ্ঠিত আছিল। তদুপৰি, তেওঁ স্বাধীনতাৰ পিছত জন্মগ্ৰহণ কৰা প্ৰথমগৰাকী ৰাষ্ট্ৰপতি।' দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অভিনন্দন জনাই চাওতালী গীত-নৃত্যৰে চাংচোৱাত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। পশ্চিম যোৰহাট চাওতাল সমাজে দেশৰ শীৰ্ষ পদবীলৈ প্ৰথমবাৰৰ বাবে এগৰাকী জনজাতীয় লোক নিৰ্বাচিত হোৱাৰ ঐতিহাসিক মুহূৰ্তত গৌৰৱ আৰু আনন্দ অনুভৱ কৰি তেওঁৰ আগন্তুক কাৰ্যকাল গৌৰৱোজ্জ্বল আৰু সাফল্যমণ্ডিত হোৱাৰ কামনা কৰিছে।



# মটক যুৱ-ছাত্ৰ সন্মিলনৰ কাৰ্যনিৰ্বাহক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়,২৩ জুলাই ঃ** ডিব্ৰুগড় জিলা মটক যুৱ-ছাত্ৰ সন্মিলনৰ চৌকিডীঙিস্থিত জিলা কাৰ্যালয়ত আজি এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। জিলা স্থায়ী সভাপতি মুকুন্দ মাধৱ বুঢ়াগোহাঁয়ে সভাপতিত্ব কৰা তথা সম্পাদক ৰিদীপ গগৈয়ে আঁত ধৰা সভাত সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিৎ গোহাঁই, উপ-সভাপতি প্ৰশান্ত চেতিয়া, সহঃ সাধাৰণ সম্পাদকদ্বয় ৰূপজ্যোতি বুঢ়াগোহাঁই আৰু নিৰূপম দুৱৰা, তথ্য আৰু প্ৰচাৰ সম্পাদক গোলাপ লাহন, কাৰ্যালয় সম্পাদক মখেশ্বৰ গগৈ প্ৰমুখ্যে কৰি অৰ্ধ শতাধিক জিলা আৰু আঞ্চলিক পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থকা সভাই মটক জনগোষ্ঠীক জনজাতিৰ তালিকাত অন্তৰ্ভুক্তিকৰণৰে সংবিধানিক মৰ্যাদা প্ৰদান কৰা তথা অসমৰ অন্যান্য জ্বলন্ত সমস্যাৰ স্থায়ী সমাধানৰ দাবীত আগন্তুক আন্দোলনৰ কাৰ্যসূচী পোষকতা কৰি সৰ্বসন্মতিক্ৰমে সৰ্বমুঠ চাৰিটাকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত সভাতেই সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনত যোগদান কৰা সদৌ অসম মটক যুৱ-ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে মাধুৰ্য গগৈ আৰু ৰুবুল বৰুৱা, উপ-সভাপতি প্ৰফুল্ল বৰুৱা, ডিব্ৰুগড় জিলা সভাপতি জীৱন্ত কোঁৱৰ আৰু উপ-সভাপতি সনক কোঁৱৰক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়।

# অসম জাতীয়তাবাদী যুৱ পৰিষদৰ লখিপুৰ জিল সমিতি ভংগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৩ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদ, ডিব্ৰুগড়স্থিত কাৰ্যালয়ত অলপতে এখন জৰুৰী সভা অনুষ্ঠিত হয়। উক্ত সভাৰ সিদ্ধান্ত মৰ্মে অসম জাতীয়তাবাদী যুৱ পৰিষদ, লখিমপুৰ জিলা সমিতিখন ভংগ কৰা হয়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতি উজ্জ্বল কুমাৰ চুতীয়া আৰু সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে কাকতলৈ প্ৰেৰণ কৰা এটা প্ৰেছ বিবৃতিৰ জৰিয়তে এই কথা সদৰী কৰিছে। লখিমপুৰ জিলা সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকে সংবিধানবিৰোধী কাৰ্যত লিপ্ত হোৱা সমান্তৰালকৈ যুৱ পৰিষদৰ পৰা বহিষ্কৃত নেতাৰ লগ হৈ সংগঠনবিৰোধী ষড়যন্ত্ৰত লিপ্ত হোৱাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ভংগ হোৱা লখিমপুৰ জিলা সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ লগত যোগাযোগ নাৰাখিবলৈ এই প্ৰেছ বিবৃতিযোগে আহ্বান জনায়। অসম জাতীয়তাবাদী যুৱ পৰিষদে ২০১৪ বৰ্ষৰ ২৫ জুলাইত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত পৰিষদৰ যি প্ৰতীক চিহ্ন সৰ্বসন্মত সিদ্ধান্ত মৰ্মে সংশোধন কৰা হয়। এই প্ৰতীক চিহ্ন কোনো ব্যক্তি তথা দল-সংগঠনে যাতে ব্যৱহাৰ নকৰে এই প্ৰেছ বিবৃতিৰ জৰিয়তে আহ্বান জনাইছে। যদি কোনো ব্যক্তিয়ে বা দল-সংগঠনে ব্যৱহাৰ কৰে তেন্তে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। সংগঠনটোৱে জানিবলৈ দিয়ে। লগতে অসম জাতীয়তাবাদী যুৱ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস ডিব্ৰুগড়স্থিত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত চলিত বৰ্ষৰ ২৫ জুলাইত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

## নলবাৰী খাৰজাৰাত পূৰবী দেৱীৰ স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা সম্পন্ন

# মানুহে অকলে একো কৰিব নোৱাৰে যদিহে সমাজে তেওঁক স্বীকৃতি নিদিয়ে ঃ ড° দীনমণি ভাগৱতী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ জুলাই ঃ** নলবাৰী চহৰৰ নিকটৱৰ্তী বালিকৰিয়া খাৰজাৰাৰ নিউ ক'লনীস্থিত শিক্ষক নিৰোদ শৰ্মাৰ সহধৰ্মিণী পূৰবী দেৱীৰ এবছৰীয়া মহাপ্ৰয়াণ উপলক্ষে আজি অনুষ্ঠিত হয় স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান। পূৰবী দেৱী ৰচিত বিভিন্ন কাকত-আলোচনীত সিঁচৰতি হৈ থকা বাৰটা গল্প, ইতিমধ্যে প্ৰকাশিত 'আইৰ মুখৰ নাম' শীৰ্ষক নামৰ পুথি, নিৰ্বাচিত লেখক কেইগৰাকীমানৰ নাৰীকেন্দ্ৰিক লেখা, পৰিয়াল, আত্মীয় স্বজন আৰু শুভাকাংক্ষীসকলৰ স্মৃতিলেখাৰে সমৃদ্ধ 'ৰং জীৱনৰ আৰু অন্যান্য' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। নিৰোদ শৰ্মাৰ বাসগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰে নলবাৰী মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দীনমণি ভাগৱতীয়ে।



আৰম্ভণীতে স্থানীয় যুৱতীৰ দ্বাৰা পৰিৱেশিত মংগলাচৰণৰ সমান্তৰালভাৱে পূৰবী দেৱীৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ পিছতে গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ড° ভাগৱতীয়ে কয়, 'মানুহে অকলে সমাজত একো কৰিব নোৱাৰে, যদিহে তেওঁক সমাজে স্বীকৃতি নিদিয়ে। মানুহক জীয়াই ৰাখে তেওঁৰ কৃতী আৰু কৰ্মইহে। আজি গল্পকাৰ পূৰবী দেৱীক গ্ৰন্থৰ মাজেৰে স্বীকৃতি প্ৰদান কৰিলে তেওঁৰে অনেক গুণমুগ্ধই। বিশিষ্ট শিক্ষাবিদ, সাহিত্যসেৱী ভুৱনেশ্বৰ ডেকাই মুখ্য অতিথিৰূপে উপস্থিত থাকি মানুহৰ জীৱন বিষয়ক বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত সভাপতিত্ব কৰে নলবাৰী শংকৰদেৱ একাডেমীৰ উপাধ্যক্ষ, কবি তথা চিত্ৰশিল্পী ড° বিনয় কুমাৰ মজুমদাৰে। সভাপতিৰ বক্তব্যত ড° মজুমদাৰে গ্ৰন্থখনত সন্নিবিষ্ট গল্পসমূহৰ ওপৰত এক চমু বিশ্লেষণ আগবঢ়ায়। ২৬৪ পৃষ্ঠাসম্বলিত, আটকধুনীয়া ছপা আৰু অলংকৰণ সমৃদ্ধ গ্ৰন্থখন সম্পাদনা কৰে জয়ন্ত ডেকা আৰু ভূমিধৰ তালুকদাৰে। সভাৰ মাজতে সাংবাদিক তথা চিত্ৰশিল্পী দিগন্ত বৰ্মন, আৰু শিক্ষক নিবন্ধকাৰ কামিনীমোহন শৰ্মাক সম্বৰ্ধনা জনোৱা হয়। সভাত অৱসৰী অধ্যাপক অশোক শৰ্মা, অৱসৰী বেংক বিষয়া লক্ষী ডেকা, শিক্ষক নিৰোদ শৰ্মা, অচ্যুত শৰ্মা, প্ৰবক্তা দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মা, নিত্যানন্দ শৰ্মাই প্ৰয়াত পূৰবী দেৱীৰ জীৱন সম্পৰ্কে আলোকপাত কৰে। শেষত শান্তিমন্ত্ৰৰে সভাৰ সামৰণি মৰা হয়।

# চৰকাৰে ক্ৰয় কৰা ধানৰ বিনিময়ত প্ৰাপ্যৰ পৰা বঞ্চিত নাজিৰা মহকুমাৰ কৃষক ঃ হাহাকাৰ অৱস্থা কৃষকৰ পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৩ জুলাই ঃ** কপালৰ ঘাম পাটিত পেলাই বহু কষ্ট, ব্যয়ৰ পিছত লাভ কৰা ফচলৰ বিনিময়ত যদি প্ৰাপ্য ধনৰ পৰাও বঞ্চিত হয় এই কৃষকসকল, তেতিয়া স্বাভাৱিকতেই কৃষক পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতি উদ্ভৱ হয়। তেনে এক পৰিস্থিতি সৃষ্টি হৈছে নাজিৰা মহকুমাৰ বাণ্টুং গাঁও পঞ্চায়তত। অভিযোগ মতে, তিনি মাহৰ পূৰ্বে নাজিৰা মহকুমাৰ কৃষি উন্নয়ন বিষয়াৰ নিৰ্দেশ মৰ্মে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া চৰাইদেউ জিলাৰ এঙেৰা তিনিআলিস্থ 'নাফিদ'ৰ গুদামত নাজিৰা মহকুমাৰ বাণ্টুং গাঁও পঞ্চায়তৰ অন্তৰ্গত অতুল হৰ', আব্দুল মুজিদ, সুমল শীল, আফুন আলী, আব্দুল ৰাহিদ, পৱন চেতিয়া, জিতুল মহন, যোগ বৰুৱা আদিকে ধৰি চাৰিকুৰিৰোধীক কৃষকে বহু কুইণ্টল ধান জমা দিয়ে। কিন্তু এই কৃষকসকলে চৰকাৰক বিক্ৰী কৰা ধানৰ বিনিময়ত আজি পৰ্যন্ত প্ৰাপ্য ধন পোৱাতো দূৰৰে কথা ধান বিক্ৰীৰ বাবদ দিব লগা ৰচিদসমূহো আজি পৰ্যন্ত লাভ কৰা নাই। বিভাগীয় কৰ্তৃপক্ষৰ ওচৰলৈ বাৰম্বাৰ তাঁতবাটি কৰাৰ পিছতো কোনো সঁহাৰি নোপোৱাত প্ৰাপ্য ধনৰ পৰা বঞ্চিত কৃষকসকলে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে চৰাইদেউ জিলাৰ উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰিছে। এই কৃষকসকলে প্ৰাপ্য ধনৰ পৰা বঞ্চিত হোৱাৰ ফলত পৰিয়ালৰ ভৰণ-পোষণৰ ক্ষেত্ৰত হাহাকাৰ পৰিস্থিতি সৃষ্টি হৈছে। চৰকাৰী পক্ষই কৃষকসকলক এনেদৰে কপালৰ ঘাম মাটিত পেলাই লাভ কৰা ফচল লুণ্ঠন কৰাৰ অভিযোগ উত্থাপিত হোৱাত অঞ্চলটোত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে।

# আজি মৰাণ প্ৰেছ ক্লাবৰ ৩০ সংখ্যক বৰ্ষপূতি অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৩ জুলাই ঃ** ১৯৯২ চনৰ ২৪ জুলাইত প্ৰতিষ্ঠা হোৱা বৃহত্তৰ মৰাণ অঞ্চলৰ সংবাদসেৱীসকলৰ অন্যতম অগ্ৰণী সাংবাদিক মঞ্চ মৰাণ প্ৰেছ ক্লাবে অহা ২৪ জুলাই দেওবাৰে ডেৰ কুৰি বৰ্ষ সম্পূৰ্ণ কৰিব। তদুপলক্ষে ২৪ জুলাই (২০২২) দেওবাৰে মৰাণ প্ৰেছ ক্লাবৰ নতুন ভূমিত ৩০সংখ্যক প্ৰতিষ্ঠা দিৱসৰ বৰ্ষপূতি অনুষ্ঠান আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব প্ৰেছ ক্লাবৰ সভাপতি দয়ানন্দ সিঙে। ৮.১০ বজাত স্মৃতিচাৰণ অনুষ্ঠান শুভাৰম্ভ কৰিব প্ৰেছ ক্লাবৰ সম্পাদক কৰুণা ফুকনে। অনুষ্ঠানত প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা শোভিত কুমাৰ ছেত্ৰীয়ে 'প্ৰেছ ক্লাবৰ অতীত আৰু বৰ্তমান শীৰ্ষক' বক্তৃতা প্ৰদান কৰিব পুৱা ৮.২০ বজাত। পুৱা ৯ বজাত মৰাণ মহিলা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব কাৰ্যনিৰ্বাহক বৈঠক।

# বিজয়নগৰ চহৰত অসম ৰাজ্যিক আশা ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২৩ জুলাই ঃ** অসম ৰাজ্যিক আশা ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলন দক্ষিণ কামৰূপৰ বিজয়নগৰ চহৰত ২৩ আৰু ২৪ জুলাই তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ২৩ জুলাই পুৱা ১০ বজাত অসম ৰাজ্যিক আশা ইউনিয়নৰ পতাকা উত্তোলন কৰে ইউনিয়নৰ সভানেত্ৰী টুটুমণি লাহন আৰু চিআইটিইউৰ পতাকা উত্তোলন কৰে দক্ষিণ কামৰূপ জিলাৰ সভাপতি মদন তালুকদাৰে। শ্বহীদক স্মৰণ কৰি শ্বহীদ বেদীত মাল্যাৰ্পণ কৰে ক্ৰমে সৰ্বভাৰতীয় আশাকৰ্মী সমন্বয়ৰক্ষী কমিটীৰ মুখ্য আহ্বায়িকা সুৰেখা, চিআইটিইউৰ অসম ৰাজ্যিক কমিটীৰ সাধাৰণ সম্পাদক তপন শৰ্মা, অসম ৰাজ্যিক আশা কৰ্মীৰ ইউনিয়নৰ উপদেষ্টা বিজন দাস, সাধাৰণ সম্পাদিকা ননী লিকচন ফুকন আৰু সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদিকা মমতা তালুকদাৰে। পতাকা উত্তোলনস্থলীত ইউনিয়নৰ সাধাৰণ সম্পাদিকা ননী লিকচন ফুকনে কয় যে সম্প্ৰতি আশা (ASHA- Accredited Social Health Activists) কৰ্মীসকলে সমগ্ৰ ৰাজ্যজুৰি জনস্বাস্থ্য সেৱাৰ তৃণমূল পৰ্যায়ত নিয়াৰিকৈ কাম কৰি জনহিতৰ ক্ষেত্ৰত এক বিশেষ ভূমিকা লৈ আছে। নিয়মিত স্বাস্থ্য সেৱা আগবঢ়োৱাৰ উপৰি নিজৰ জীৱন বিপন্ন কৰি পৰিয়ালৰ সদস্যসকলক শংকাত ৰাখি কৰ'না প্ৰতিৰোধী কামত এক অনবদ্য অভিলেখ সৃষ্টি কৰিছে, যি সৰ্বজন স্বীকৃত। আৰ্থিক অনাটনক সঙ্গী কৰি হ'লেও এক জটিল পৰিস্থিতিৰ মাজতো তেওঁলোকৰ কাম অব্যাহত ৰাখিছে সামগ্ৰিকভাৱে আশা কৰ্মীসকল এক কঠিন বাস্তৱতাৰ সন্মুখীন হৈ তেওঁলোকৰ কামত ব্ৰতী হৈ আছে। স্বাস্থ্যৰ বাবে বাজেটত জি ডি পিৰ অন্ততঃ ৬ শতাংশ ধাৰ্য কৰা, আশাসকলক চৰকাৰী কৰ্মচাৰীৰ স্বীকৃতি, ন্যূনতম মজুৰি প্ৰদান কৰা, তেওঁলোকৰ কামৰ নিৰ্দিষ্টতা নিৰূপণ আৰু ছুটীৰ নিয়মাৱলী নিৰ্দিষ্ট কৰা, ভাৰতীয় শ্ৰম সন্মিলনৰ ৪৫ আৰু ৪৬সংখ্যক অধিৱেশনৰ অনুমোদন অনুযায়ী আশা কৰ্মীসকলক তালিকাভুক্ত কৰ্মচাৰীৰ স্বীকৃতি আৰু



পেন্সন, গ্ৰেছুইটি, প্ৰসূতিকালীন সা-সুবিধাৰ দৰে সামাজিক সুৰক্ষা ব্যৱস্থা গ্ৰহণ'ৰ দাবীত ঐক্য আৰু সংগ্ৰামৰ বাৰ্তা প্ৰচাৰ কৰিছে। ইউনিয়নৰ পতাকা উত্তোলন কৰি উত্তোলক টুটুমণি লাহনে কয় যে সাম্প্ৰতিক দেশ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰে গ্ৰহণ কৰা ব্যক্তিগতকৰণৰ আগ্ৰাসী নীতিয়ে আশা কৰ্মীকে ধৰি আঁচনি কৰ্মচাৰীসহ কম আয়ৰ লোকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। ৰে'ল, তেল, বেংক, ৰাজপথৰ, মাটি প্ৰভৃতি ৰাজহুৱা সম্পত্তি এফালৰ পৰা বৃহৎ পুঁজিপতি কৰ্পোৰেট গোষ্ঠীৰ হাতত ৯৯ বছৰ পৰ্যন্ত লীজত দিয়াৰ নামত কাৰ্যতঃ বিক্ৰী কৰি আছে। সংলগ্নীকৰণৰ নামত চৰকাৰী স্কুলসমূহ এফালৰ পৰা বন্ধ ঘোষণা কৰি চৰকাৰী শিক্ষা খণ্ডক নিৰুৎসাহিত কৰাৰ চক্ৰান্ত ৰচনা কৰিছে। ৰাষ্ট্ৰীয় স্বাস্থ্য ব্যৱস্থাও ব্যক্তিগতকৰণৰ গৰাহত। তেওঁ কয় যে স্বাধীনতাৰ ৭৫টা বছৰত এতিয়াৰ বাস্তৱতা হৈছে দেশীয় চৰকাৰে দেশৰ মানুহৰ 'খোৱা-পিন্ধা-থকা-শিক্ষা-স্বাস্থ্য-কাম'ৰ সংবিধানপ্ৰদত্ত অধিকাৰ হৰণ কৰাৰ নীতি গ্ৰহণ কৰিছে। সংখ্যাগৰিষ্ঠতাৰ বলত ক্ৰমশঃ বাক্ স্বাধীনতাৰ পৰাও মানুহক বঞ্চিত কৰাৰ বাবে জনবিৰোধী পদক্ষেপ ল'ব ধৰিছে। কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীক স্বেচ্ছাসেৱক বুলি মজুৰিৰ পৰা বঞ্চিত কৰে অথচ বিভিন্ন আঁচনিৰ মাধ্যমত কাম নকৰাকৈ চৰকাৰী ধন বিতৰণৰ মেলা পাতি চৰকাৰে শাসকীয় দলৰ পক্ষত ভোট বেংক তৈয়াৰ কৰাৰ কৰ্মসূচী গ্ৰহণ কৰা বুলি উল্লেখ কৰে। লগতে আশা ইউনিয়নৰ দ্বিতীয় ৰাজ্যিক সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঃ দেৱেশ্বৰ দাসে কয় যে মূল্যবৃদ্ধি সম্প্ৰতি চৰকাৰসৃষ্ট এক সামাজিক ৰোগ হিচাপে পৰিগণিত হৈছে। এনে পৰিস্থিতিত এটা সংগ্ৰামী ট্ৰেড ইউনিয়ন হিচাপে 'অসম ৰাজ্যিক আশা ইউনিয়ন'ৰ দ্বিতীয় ৰাজ্যিক সন্মিলনে এক বিশেষ গুৰুত্ব বহন কৰিছে বুলি উল্লেখ কৰি সন্মিলন সৰ্বতোপ্ৰকাৰে সফল কৰাৰ ৰাইজৰ ওচৰত আৱেদন জনায়।

# মাজবাটত জেড ডাঞ্চ একাডেমীৰ সৌন্দৰ্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৩ জুলাই ঃ** ওদালগুৰি জিলাৰ মাজবাটত জেড ডাঞ্চ একাডেমীৰ উদ্যোগত এদিনীয়াকৈ অসমভিত্তিক সৌন্দৰ্য প্ৰতিযোগিতাৰ আয়োজন কৰা হয় বুলি জেড ডাঞ্চ একাডেমীৰ সম্পাদক প্ৰসেনজিৎ মল্লিকে সাংবাদিকক জানিবলৈ দিয়ে। জানিব পৰা মতে মাজবাটৰ বাপুজী প্ৰকল্প প্ৰাংগণত যোৱা ২২ জুলাইৰ সন্ধিয়া ৭ বজাত কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে ৩৯নং পাঁচনৈ চেৰফাং পৰিষদীয় সমষ্টিৰ প্ৰাক্তন এম চি এল এ জিতু কিষাণে। জেড ডাঞ্চ একাডেমীৰ উদ্যোগত সৌন্দৰ্য প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে ১৩ বছৰৰ পৰা ২০ বছৰৰ ল'ৰা-ছোৱালী আৰু ৫ বছৰৰ পৰা ১২ বছৰলৈকে সৰু লৰা ছোৱালীয়ে। এই সৌন্দৰ্য প্ৰতিযোগিতাত ১৪ বছৰৰ পৰা ২০ বছৰৰ ছোৱালীৰ বিজয় মুকুট লাভ কৰে টংলাৰ হিয়া ৰাণী ডেকাই। প্ৰথম ৰানাৰ আপ প্ৰিয়া বসুমতাৰী (ওৰাং)। দ্বিতীয় ৰানাৰ আপ বিজয় দীক্ষিতা চৌধুৰী (হৰিশিঙা)। ১৪ বছৰৰ পৰা ২০ বছৰৰ ল'ৰাৰ বিজয় মুকুট লাভ কৰে মাজবাটৰ দিব্যজ্যোতি দাসে। প্ৰথম ৰানাৰ আপ অবিনাশ দৈমাৰী (মাজবাট), দ্বিতীয় ৰানাৰ আপ অখৰাং বড়ো, (হৰিশিঙা)। ৫ বছৰৰ পৰা ১২ বছৰৰ ছোৱালীৰ বিজয় মুকুট লাভ কৰে নিষ্ঠা জয়ছোৱাল (মাজবাট), প্ৰথম ৰানাৰ আপ বিদিশা দাস (মাজবাট), দ্বিতীয় আৰোছি দেৱী (মিছামাৰী)। ৫ বছৰৰ পৰা ১২ বছৰৰ ল'ৰাৰ বিজয় মুকুট লাভ কৰে ভোমছোৰাং বসুমতাৰী (মাজবাট), প্ৰথম ৰানাৰ আপ উবান লিম্বু (মিছামাৰী), দ্বিতীয় অভিষেক চুৰিন (টংলা)। উক্ত কাৰ্যসূচীত নিৰীক্ষক হিচাপে উপস্থিত থাকে ৰুবুল দাস, ৰাখী ৰয়, মেক-আপ আৰ্টিষ্ট মাজবাটৰ ছন্নম জয়ছোৱাল, প্ৰশিক্ষক ধনমণি স্বৰ্গীয়াৰী, নিঝুম দৈমাৰী, জুম ৰজক, প্ৰেমা মেৰি কছাৰী, ফটোগ্ৰাফাৰ অভিজিৎ বড়া, বিৰখাং বড়োৰ লগতে সমাজ সেৱক জাফৰ চৌধুৰী উপস্থিত থাকে।




# চাৰি দিনে সন্ধানহীন বৰাজোলৰ যুৱক জিতু বৰ্মন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰাজোল পালাংদি গাঁৱৰ নিৰঞ্জন বৰ্মনৰ কনিষ্ঠ পুত্ৰ জিতু বৰ্মন (২৫)ৰ নামৰ যুৱকজন যোৱা ২০ জুলাইৰ পৰা নিখোজ হৈ থকা ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা ২০ জুলাইৰ দিনা ঘৰৰ পৰা পুৱা প্ৰায় ছয়মান মান বজাত নিজৰ কৰ্মস্থলী বৰাজোল চ'কত থকা চেলুনখনলৈ কাম কৰাৰ উদ্দেশ্যে ওলাই আছিল জিতু বৰ্মন। জিতুৱে নিজৰ দোকানৰ সন্মুখত চাইকেলখন ৰখাই থৈ তাৰ পিছৰে পৰা আজি পৰ্যন্ত সন্ধানহীন হৈ আছে। আজি চাৰিদিন ধৰি যুৱকজনৰ কোনো সম্ভেদ নাপাই পৰিয়ালৰ লোকে কাষ চাপে ঘগ্ৰাপাৰ আৰক্ষীৰ। এই সন্দৰ্ভত পৰিয়ালৰ লোকে দাখিল কৰে এজাহাৰ। ঘগ্ৰাপাৰ আৰক্ষীয়ে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছে যদিও বৰ্তমানলৈ কোনো সম্ভেদ উলিয়াবলৈ সক্ষম হোৱা নাই। ইফালে, যিমানে দিন অতিবাহিত হৈছে সিমানেই পৰিয়ালৰ পিতৃ- মাতৃ, ভাতৃৰ লগতে স্থানীয় ৰাইজৰ মাজত বাঢ়িছে ভয়-শংকা। উপায়ান্তৰ হৈ ভুক্তভোগী পৰিয়ালটোৱে কাষ চাপিছে সংবাদ মাধ্যমৰ। কোনো লোকে যদি নিৰুদ্দেশ হোৱা ২৫ বছৰীয়া জিতু বৰ্মনৰ সম্ভেদ লাভ কৰে তেন্তে সমীপৰ আৰক্ষী থানাৰ লগতে ৯৩৯৫৪-৮০৭৮০, ৯১০১৭-৭৩৮৩৭ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।



## ৰাশিফলত আজিৰ দিনটো

**৭ শাওণ, দেওবাৰ, ২৪ জুলাই, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা একাদশী, নক্ষত্ৰ ঃ ৰোহিণী ঃ বৃষ ৰাশি**
**সূৰ্যোদয়- ৪-৪৮-১৭ সূৰ্যাস্ত- ৬-১৩-১৯**



■ **মেষ ঃ** ৰোগ নাশ ■ **বৃষ ঃ** আনৰ সহায় ■ **মিথুন ঃ** কৌশল আয়ত্ত ■ **কৰ্কট ঃ** প্ৰশংসা লাভ ■ **সিংহ ঃ** যশস্যা বৃদ্ধি ■ **কন্যা ঃ** আনৰ প্ৰিয় ■ **তুলা ঃ** প্ৰিয়জনৰ আগমন ■ **বৃশ্চিক ঃ** গৃহ অশান্তি ■ **ধনু ঃ** সামাজিক ব্যস্ততা ■ **মকৰ ঃ** ঘৰুৱা সম্পদ বৃদ্ধি ■ **কুম্ভ ঃ** ভাতৃৰ অশান্তি ■ **মীন ঃ** প্ৰেমত আনন্দ।

### বোকাখাত মহকুমাৰ দুৰ্গম লহৰে চাপৰি পৰিদৰ্শন মহকুমাধিপতি ড° নেহা যাদৱসহ সঁজাতী দলৰ

# বিভিন্ন সমস্যাক লৈ ৰাইজৰ স'তে মত বিনিময়

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৩ জুলাই ঃ** গোলাঘাট জিলাৰ উত্তৰ-পূব আৰু মাজুলী জিলাৰ পশ্চিম সীমান্তৰ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত দিচৈ পঞ্চায়তৰ ব্ৰহ্মপুত্ৰৰ মাজত অৱস্থিত অতি দুৰ্গম লহৰে চাপৰি আজি পৰিদৰ্শন কৰে প্ৰখৰ ৰ'দকো নেওচি দুঘণ্টাজোৰা ফেৰিৰে যাত্ৰাৰ অন্তত বোকাখাত মহকুমাৰ মহকুমাধিপতি ড° নেহা যাদৱসহ এটা সঁজাতী দলে। ৯৮৩জন জনসংখ্যা আৰু পৰিয়াল হিচাপে ২১৩টা পৰিয়ালে বসবাস কৰা গাঁওখন বিভিন্ন সমস্যাৰে জৰ্জড়িত। শিক্ষাৰ ক্ষেত্ৰত প্ৰাদেশীকৃত এখন প্ৰাথমিক বিদ্যালয়, অপ্ৰাদেশীকৃত এখন মধ্য ইংৰাজী বিদ্যালয় আৰু সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনৰ এখন অংগনাৱাড়ী কেন্দ্ৰৰ বাহিৰে একো চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান নথকা গাঁওবাসী যাতায়াতৰ ক্ষেত্ৰতো তিনিটাকৈ ব্ৰহ্মপুত্ৰৰ সুঁতি পাৰ হ'বলগা হয়। এনে এক দুৰ্গম অঞ্চলৰ কথা জানিব পাৰি বোকাখাত মহকুমাৰ মহকুমাধিপতি ড° নেহা যাদৱে মহকুমা দণ্ডাধীশ পাপু গগৈ, শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰণৱ বৰা, বৰটিকা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰৰ স্বাস্থ্য কৰ্মীৰ দল, দিচৈ পঞ্চায়তৰ সভাপতি নৰেন বৰি আদি বহুকেইজন সমাজ কৰ্মীক লগত লৈ ফেৰীৰে দুৰ্গম অঞ্চল লহৰে চাপৰি পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ লগত মিলিত হৈ শিক্ষা, আৰ্থ-সামাজিক, ৰাস্তা-ঘাট, কৃষি আদি বিভিন্ন সমস্যাৰ বুজ লৈ মত বিনিময় কৰে। মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি মহকুমাধিপতি ড° নেহা যাদৱ আৰু শিশু উন্নয়ন প্ৰকল্প বিষয়া প্ৰণৱ বৰাই কয় যে মানৱ সম্পদ গঢ় দিয়া প্ৰাক্ শিক্ষানুষ্ঠান লহৰে চাপৰি অংগনৱাড়ী কেন্দ্ৰটি বৰ্তমান প্ৰাথমিক বিদ্যালয়খনৰ লগতে চলাই থকা হৈছে নিজা গৃহ নথকাৰ বাবে পৰৱৰ্তী সময়ত উক্ত কেন্দ্ৰটি শিশু উন্নয়ন প্ৰকল্প আঁচনিৰ অধীনত মডেল বিদ্যালয় আৰ্হিত নিৰ্মাণৰ চিন্তাচৰ্চা কৰাৰ লগতে দুৰ্গম এলেকা হোৱা বাবে পৰিবহণ ব্যয় আছুতীয়াকৈ ধৰা হ'ব বুলিও উল্লেখ কৰে। উল্লেখ্য যে এনে দুৰ্গম অঞ্চলত অৱস্থিত প্ৰাথমিক বিদ্যালয়খনৰ দুৰৱস্থা দেখি মৰ্মাহত হোৱাৰ লগতে একেখন বিদ্যালয়তে প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অংগনৱাড়ী কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি থকাৰ ওপৰি বিদ্যালয়ৰ সা-সামগ্ৰী শিকন সঁজুলি মজুত ৰাখিবলৈ অসুবিধা হোৱাৰ কিছু দৃশ্য প্ৰত্যক্ষ কৰে। এই দুৰ্গম পথত সহযোগ কৰে সমাজকৰ্মী ৰাজকুমাৰ পেগু, সুৰেশ লইং, অশ্বিনী পেগু, দিচৈ পঞ্চায়তৰ সদস্য খগেন পেগু, লহৰে চাপৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পদ্মৰাম দলে, সমাজ সেৱিকা মিনাকুমাৰী লইং আৰু প্ৰবিতা লইঙে।

### হাজোৰ ভৈৰাটোলা জানৰ প্ৰবল খহনীয়া পৰিদৰ্শন আছুৰ প্ৰতিনিধি দলৰ

# প্ৰবলখহনীয়া পৰিদৰ্শন কৰিবলৈ মুখ্যমন্ত্ৰী-জলসম্পদ মন্ত্ৰীক আহ্বান

### নৈৰ দুয়োপাৰে বিজ্ঞানসন্মতভাৱে মথাউৰি নিৰ্মাণ-ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী আছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৩ জুলাই ঃ** বিগত আশীৰ দশকত নলবাৰী জিলাৰ এটি বিশেষ বান অধ্যুষিত অঞ্চলক সকাহ দিয়াৰ স্বাৰ্থত হাজোৰ মাজেৰে ভৈৰাটোলা জান খান্দি বৰলীয়া নৈৰ পানী হাজো সমষ্টিৰ মাজেৰে মথাউৰি নিদিয়াকৈয়ে বোৱাই নিয়াৰ পৰিণতি ক্ৰমশঃ হাজোৰ একাংশ ৰাইজৰ বাবে ভয়াৱহ হৈ পৰিছে। হাজো সমষ্টিৰ মাজেৰে বোৱাই নিয়া ভৈৰাটোলা জানৰ দুয়োপাৰে বসবাস কৰি অহা ক্ৰমে দিহিনা, একাদি, হৈনাদী, বুল্লুট, হীৰাজেনী, দক্ষিণ শিঙৰা, মেলেকিপাৰা, দেহৰকুৰিহা, আধিয়াৰপাৰা, দ-বৰ্ণি, বঙালপাৰা, খলিহামাৰী অঞ্চলৰ কে'বাসহস্ৰাধিক কৃষক তথা সৰ্বসাধাৰণ ৰাইজৰ জীৱন-জীৱিকা আৰু সম্পত্তিৰ নিৰাপত্তা নাইকিয়া হৈ পৰিছে। বছৰ বছৰ ধৰি উক্ত অঞ্চলৰ ৰাইজে বহু আশাৰে কৰি অহা খেতিডৰা বাৰিষা কালত ভৈৰাটোলা জানৰ বাঢ়নী পানীয়ে নষ্ট কৰাৰ লগতে জানটোৰ প্ৰবল গৰাখহনীয়াই ঘৰ-বাৰী, কৃষিভূমি ধ্বংস কৰি আহিছে। ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰি ভুক্তভোগী ৰাইজে এই বিষয়ে চৰকাৰক বাৰম্বাৰ দাবী জনাই অহাৰ পিছতো কোনো এখন চৰকাৰে উক্ত অঞ্চলৰ সমস্যা সমাধানৰ কোনো পদক্ষেপ আজিলৈ গ্ৰহণ নকৰাত প্ৰতিবছৰে বাৰিষাৰ সময়ত এক দুৰ্বিসহ জীৱন কটাবলগীয়া হৈ আহিছে। জানটোৰ দুয়োপাৰে বসতিপ্ৰধান অঞ্চলকেইটাৰ কৃষিৰ ওপৰত নিৰ্ভৰশীল ৮০ শতাংশ লোক তথা সৰ্বসাধাৰণ ৰাইজে বছৰ বছৰ ধৰি প্ৰবল গৰাখহনীয়াত সৰ্বস্বান্ত হোৱাৰ উপৰি বানপানীত বুৰ গৈ থাকি আৰ্থিকভাৱে জুৰুলা হৈ পৰিছে। শেহতীয়াকৈ হৈ যোৱা প্ৰলয়ংকৰী বানপানীত বহুত লোকৰ ঘৰ-বাৰী নদীত জাহ গৈছে আৰু সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নাইকিয়া হৈ পৰিছে। তেনে সময়তে আজি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসৰ নেতৃত্বত এটি আছুৰ প্ৰতিনিধি দলে হাজোৰ আধিয়াৰপাৰাৰ পৰা একাদিলৈ ভৈৰাটোলা জানেৰে এখন ভুতভুতি নাৱত উঠি প্ৰায় পোন্ধৰ কিলোমিটাৰ পৰিদৰ্শন কৰি প্ৰবল খহনীয়াত সৰ্বস্বান্ত তথা বানাক্ৰান্ত কৃষক তথা ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লয়। এই ছেগতে আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসসহ প্ৰতিনিধি দলটোৱে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাক প্ৰায় পোন্ধৰ কিলোমিটাৰজোৰা দুয়োপাৰ উন্মুক্ত ভৈৰাটোলা জানৰ প্ৰবল খহনীয়া আৰু ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি ভুক্তভোগী সৰ্বসাধাৰণ ৰাইজৰ দুখ-দুৰ্দশাৰ বুজ লৈ ক্ষতিগ্ৰস্ত পৰিয়ালৰ পুনৰ্সংস্থাপনৰ তৎকালে যথাবিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। আজিৰ এই পৰিদৰ্শন কালত আছুৰ প্ৰতিনিধি দলটিত আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাসৰ লগত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ধৰ্মেশ্বৰ দাস, নিৰোদ দাস, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সহকাৰী সাধাৰণ সম্পাদক ইমদাদুৰ ৰহমান, সাংগঠনিক সম্পাদক সুৰজিত কলিতা, হাজো আছুৰ সভাপতি নৱজ্যোতি দাস, সাধাৰণ সম্পাদক তপন দাস, ৰুবুল দাস, ভৱজ্যোতি ডেকাকে ধৰি কে'বাগৰাকীও আছুৰ নেতা-কৰ্মীয়ে সহযোগ কৰে।

# কোকৰাঝাৰত উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ উদ্‌যাপন কৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৩ জুলাই ঃ** আজাদী কা অমৃত মহোৎসৱ হৈছে ভাৰত চৰকাৰৰ উদ্যোগত স্বাধীনতাৰ ৭৫ বছৰ উদ্‌যাপন আৰু ইয়াৰ জনসাধাৰণৰ, সংস্কৃতি আৰু কৃতিত্বৰ গৌৰৱময় ইতিহাস স্মৃতি যুগমীয়া কৰাৰ এক প্ৰচেষ্টা। উদ্‌যাপনৰ অংশ হিচাপে, শক্তি, নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত সহযোগিতা উদ্‌যাপন কৰিবলৈ অনুষ্ঠানৰ আয়োজন কৰিছে আৰু 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যৎ— শক্তি-২০৪৭'ৰ ছত্ৰছায়াত শক্তি খণ্ডৰ গুৰুত্বপূৰ্ণ সাফল্যৰ ওপৰত আলোকপাত কৰিছে। সেই অনুসৰি এপিডিচিএল, কোকৰাঝাৰ বৈদ্যুতিক চক্ৰৰ লগতে কোকৰাঝাৰ জিলা প্ৰশাসন আৰু পাৱাৰগ্ৰিডে এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰিছে। ২০২২ চনৰ ২৮ জুলাইত ছালাকাটিৰ কঁঠলগুৰি কমিউনিটি চেণ্টাৰত আৰু ২৯ জুলাই, ২০২২ তাৰিখে কাশীবাৰীৰ ডবগাঁও খেলপথাৰ আৰু ৩০ জুলাই, ২০২২ তাৰিখে গ্ৰেগু ফিনালে উদ্‌যাপন অনুষ্ঠানৰ পৰিকল্পনা কৰা হৈছে, য'ত ভাৰতৰ প্ৰধানমন্ত্ৰীই পাণবাৰীৰ হৰিণাগুৰি দ্বিতীয় খণ্ডৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব, যিখন গাঁও পাৰস্পৰিক ক্ৰিয়া-কলাপৰ বাবে অসমৰ পৰা বাছনি কৰা হৈছে। উল্লেখ্য যে কোকৰাঝাৰ জিলাত এতিয়ালৈকে দীনদয়াল উপাধ্যায় গ্ৰাম জ্যোতি যোজনা (ডি ডি ইউ জি জে ৱাই) নতুন আঁচনিৰ অধীনত ৪০২খন গাঁৱত বিদ্যুৎ সংযোগ কৰা হৈছে। এই আঁচনিৰ অধীনত ৩০২টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ১৬৫.৪৯৬ কিঃমিঃৰ ১১ কেভি লাইন আৰু ৭৬৭.২৭৭ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু ১৪০৭৫ টা পৰিয়াল (অন গ্ৰিড আৰু অফ গ্ৰিড) লাভৱান্বিত হৈছে। আৰু সৌভাগ্য আঁচনিত, ১,০৬৮খন গাঁও-বসতিস্থানত বৈদ্যুতিকীকৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত ৩৮০টা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰা হৈছে, ২৬০.২৮৯ কিমিৰ ১১ কেভি লাইন আৰু ৮৯৭.৭০ কিলোমিটাৰ এলটি লাইন নিৰ্মাণ কৰা হৈছে আৰু কোকৰাঝাৰ জিলাত ৪৫,৫১২ টা পৰিয়াল (অন গ্ৰিড আৰু অফ গ্ৰিড) লাভৱান্বিত হৈছে। কোকৰাঝাৰ জিলাই 'উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত- শক্তি-২০৪৭' উদ্‌যাপনৰ বাবে সাজু হৈছে। এই সন্দৰ্ভত কোকৰাঝাৰ এপিডিচিএল আৰু পাৱাৰগ্ৰিডৰ বিষয়াসকলৰ সৈতে কোকৰাঝাৰৰ উপায়ুক্ত বৰ্ণালী ডেকাৰ অধ্যক্ষতাত শুকুৰবাৰে দুটা পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হয়। নীপকোৰ কাৰ্যবাহী সঞ্চালক (অ' এম) সমৰজিৎ চক্ৰৱৰ্তীক চিপিএছ ইউয়ে উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যতৰ বাবে অসম ৰাজ্যিক নডেল বিষয়া হিচাপে মনোনীত কৰে, এ পি ডি চি এলৰ জি এম (আৰ ই) অৰুণ শৰ্মাই কোকৰাঝাৰ ভ্ৰমণ কৰে য'ত পৰৱৰ্তী কাৰ্যসূচীৰ বাবে সংশ্লিষ্ট বিভাগৰ প্ৰস্তুতি আৰু প্ৰগতিৰ বিষয়ে আলোচনা কৰা হয়।

### যোগীঘোপাৰ কৰেয়া পাহাৰত খননকাৰ্য বন্ধৰ দাবীত আমছুৰ সংবাদ মেল

# ডি এফ অ', ৰেঞ্জাৰৰ ছত্ৰছায়াত অবৈধ খনন অব্যাহত ৰাখিছে ঃ আমছু

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৩ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত যোগীঘোপাৰ কৰেয়া পাহাৰত কিছুদিন ধৰি বহিৰাগত আৰএছবি আই নামৰ সংস্থাটোৱে চলাই থকা খননকাৰ্য বন্ধ কৰাৰ দাবী উত্থাপন কৰিছে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৱে। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ কৰেয়া পাহাৰত চলি থকা খননকাৰ্য বন্ধ কৰাৰ দাবী উত্থাপন কৰি আমছুৰ উত্তৰ শালমাৰা জিলা সমিতিয়ে যোগীঘোপাৰ এফচিআই বজাৰত এক সংবাদ মেলৰ আয়োজন কৰে। সংগঠনটোৰ উত্তৰ শালমাৰা জিলা সমিতিৰ সভাপতি বাহাৰুল ইছলামে সংবাদ মেল সম্বোধন কৰি কয় যে যোগীঘোপাৰ কৰেয়া পাহাৰত বহিৰাগত কোম্পানী আৰএছবি আই নামৰ নিৰ্মাণকাৰী সংস্থাটোৱে দিনে-নিশাই অবৈধভাৱে খননকাৰ্য চলাই আহিছে। বঙাইগাঁও জিলাৰ আই উপত্যকা বন সংমণ্ডল প্ৰাধিকাৰী আৰু সামাজিক বনানীকৰণ বিভাগৰ বিষয়া সুবোধ তালুকদাৰ আৰু অভয়াপুৰীৰ আঞ্চলিক বন বিষয়া জয়ন্ত দাসৰ প্ৰত্যক্ষ ছত্ৰছায়াতে পাহাৰত বন ধ্বংসযজ্ঞ চলাই আহিছে বুলি অভিযোগ কৰে সংগঠনটোৱে। তেওঁ কয় যে পাহাৰখনত ওৰেনিশা খননকাৰ্য চলাই থকা বুলি জিলা বন বিষয়াগৰাকীক ফোনযোগে অৱগত কৰা হয় যদিও বিষয়াগৰাকীয়ে পলায়নবাদী মনোভাবেৰে ফোন কাটি দি কোনো সঁহাৰি নিদিয়ে। জিলা সভাপতিগৰাকীয়ে আৰু কয় যে আমছুৰ উত্তৰ শালমাৰা জিলা সমিতিয়ে যোৱা ১৫ জুলাইত খননস্থলীত এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে যোৱা ১৮ জুলাইত খননকাৰ্য বন্ধৰ দাবীত জিলা উপায়ুক্তগৰাকীক সাক্ষাৎ কৰি চাৰিদফিয়া দাবীসম্বলিত এখন স্মাৰক- পত্ৰ প্ৰদান কৰিছিল। কিন্তু জিলা প্ৰশাসনে আজিকোপতি কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ উত্থাপন কৰে। কৰেয়া পাহাৰত কোম্পানীটোৱে চলাই থকা খননকাৰ্য বন্ধ কৰাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক হস্তক্ষেপৰ দাবী উত্থাপন কৰি ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী উত্থাপন কৰে সংগঠনটোৱে। উক্ত সংবাদ মেলত সংগঠনটোৰ জিলা সমিতিৰ উপ-সভাপতি আনোৱাৰ হুছেইন আৰু সম্পাদক খুৰছিদ আলমে চৰকাৰ তথা বন বিভাগক সমালোচনা কৰি কৰেয়া পাহাৰ খননকাৰ্য বন্ধ কৰাৰ দাবী উত্থাপন কৰে। অন্যথা পৰৱৰ্তী সময়ত ইয়াতকৈ ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব আৰু ইয়াৰ বাবে জিলা প্ৰশাসন সম্পূৰ্ণভাৱে জগৰীয়া হ'ব বুলি হুংকাৰ দিয়ে সংগঠনটোৱে।

**PREMIER CRYOGENICS LTD.**
Regd. Off: 136, Maniram Dewan Road, Chandmari, Guwahati - 781 003
Ph.: 0361-2660192 Fax: 0361 - 2661787, CIN-L24111AS1994PLC004051
E-mail: info@premiercryogenics.com Website: www.premiercryogenics.com

**NOTICE OF LOSS OF SHARE CERTIFICATES**

Notice is hereby given that the following Share Certificates standing in the name of the person(s) mentioned below for 5000 (Five thousand) Equity Shares in Premier Cryogenics Ltd. are reported to have been lost:

| Sl. No. | Name of Shareholder | Registered Folio No. | Share Certificate No(s) From | Share Certificate No(s) To | Distinctive No(s) From | Distinctive No(s) To | No of Shares |
|---|---|---|---|---|---|---|---|
| 1. | Rajiv Chowdhary and Manjushree Chowdhary (Joint holders) | 001555 | 00036446 | 00036455 | 03640301 | 03641300 | 1000 |
| | | | 00037056 | 00037065 | 03701301 | 03702300 | 1000 |
| | | | 00037606 | 00037615 | 03756301 | 03757300 | 1000 |
| | | | 00038646 | 00038655 | 03860301 | 03861300 | 1000 |
| | | | 00039306 | 00039315 | 03926301 | 03927300 | 1000 |

Application for issue of duplicate share certificates in lieu of the aforesaid original share certificates has been made to the Registrars: Niche Technologies Pvt. Ltd., 3A, Auckland Place, 7th Floor, Room No. 7A & 7B, Kolkata–700017, to whom objections, if any, should be made within 15 days from the date of this publication. The public are cautioned against dealing in any way with these shares.

Date : 23.07.2022
Place : Guwahati

For PREMIER CRYOGENICS LTD.
A. Talukdar, Company Secretary

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm
❖ BSc Nursing
❖ D Pharm
❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

### আজাদী কী ৰে'লগাড়ী অউৰ ষ্টেচনৰ প্ৰতীকাত্মক সপ্তাহ সমাপ্ত

# ভাৰতৰ স্বাধীনতা সংগ্ৰামত ৰে'লৱেৰ ভূমিকাক স্মৰণ কৰাৰ অৰ্থে ৯টা ষ্টেচনৰ ওপৰত অৱলোকন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুলাই ঃ** ভাৰতীয় ৰে'লৱেই মনোনীত ৭৫ টা স্বাধীন ৰে'ল ষ্টেচনত ২৩ জুলাই, ২০২২ তাৰিখে আজাদী কী ৰে'লগাড়ী অউৰ ষ্টেচনৰ ওপৰত প্ৰতীকাত্মক সপ্তাহৰ সামৰণী অনুষ্ঠানৰ আয়োজন কৰে। কেন্দ্ৰীয় ৰাজ্যিক ৰে'ল আৰু বস্ত্ৰ মন্ত্ৰী দৰ্শনা জাৰ্দোশ আৰু মাননীয় সংসদীয় পৰিক্ৰমা, কয়লা আৰু খনি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীদেৱে সামাজিক ন্যায় আৰু সশক্তিকৰণ ৰাজ্যিক মন্ত্ৰী প্ৰতিমা ভৌমিকৰ উপস্থিতিত নিউ দিল্লীৰ ড° আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ১৫টা ৰে'ল ষ্টেচনত উপস্থিত থকা স্বাধীনতা সংগ্ৰামী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে বাৰ্তালাপ কৰে। মাননীয় মন্ত্ৰীসকলে উক্ত কেন্দ্ৰত উপস্থিত থকা স্বাধীনতা সংগ্ৰামী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক শ্ব'ল আৰু স্মাৰক-পত্ৰৰে সম্বৰ্ধনা জনায়। দিব্যকাশী আদি অমাৱস্যা এক্সপ্ৰেছ নামৰ এখন ভাৰত গৌৰৱ ৰে'ল তামিলনাডুৰ মাদুৰাই ষ্টেচনৰ পৰা মাননীয় মন্ত্ৰীসকলে ভাৰ্চুৱেলী ফ্লেগ অফ কৰে। এই অনুষ্ঠানৰ লগতে সংগতি ৰাখি উঃ পূঃ সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক অংশুল গুপ্তাদেৱে জ্যেষ্ঠ বিষয়াসকলৰ সৈতে মুখ্য কাৰ্যালয়ৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তেঅনুষ্ঠানটোত অংশগ্ৰহণ কৰে। অনুষ্ঠানটো ভাৰতীয় ৰে'লৰ স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে সম্পৰ্কিত সকলো ৭৫টা ষ্টেচনত টু-ৱে' যোগাযোগ সংযোগৰ সৈতে লাইভ ষ্ট্ৰীম কৰা হয়। আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে, উত্তৰ-পূব সীমান্ত ৰে'লৱেই ১৮ৰ পৰা ২৩ জুলাইলৈ আজাদী কী ৰে'লগাড়ী অউৰ ষ্টেচন সপ্তাহজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। এই অনুষ্ঠানত স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে জড়িত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ৯টা ষ্টেচন স্বাধীনতাৰ ৭৫ বছৰৰ স্মৃতি অৱলোকন আৰু আলোকসজ্জাৰে সজ্জিত কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ এই ৯টা ষ্টেচন হৈছে অসমৰ গহপুৰ, ৰহা আৰু শিৱসাগৰ টাউন, ত্ৰিপুৰাৰ আগৰতলা, মণিপুৰৰ জিৰিবাম, নাগালেণ্ডৰ ডিমাপুৰ, মিজোৰামৰ ভৈৰবী, অৰুণাচল প্ৰদেশৰ নাহৰলগুণ, মেঘালয়ৰ মেন্দিপথাৰ। স্বাধীনতা সংগ্ৰামীসকলক সন্মানিত কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ সংগ্ৰামৰ ওপৰত আলোকপাত কৰাৰ অৰ্থে, উক্ত ৯টা ষ্টেচনত সাপ্তাহিক ঐতিহাসিক কাৰ্যসূচীৰ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ৯টা ষ্টেচনত ৭৫ খন বাটৰ নাট, ১২৮টা দেশপ্ৰেমমূলক নৃত্য, ১২৫টা দেশপ্ৰেমমূলক গীত, ৬খন আলোকচিত্ৰ প্ৰদৰ্শনী আৰু ২৮টা দেশপ্ৰেমমূলক ভাষণৰ কাৰ্যসূচী আয়োজন কৰা হয়। উত্তৰ-পূব সীমান্ত ৰে'লৱে সাংস্কৃতিক সংস্থা আৰু ভাৰত স্কাউট আৰু গাইডৰ লগতে স্থানীয় লোকসকলে এই কাৰ্যসূচীসমূহত অংশগ্ৰহণ কৰে। তিনিচুকীয়া মণ্ডলৰ অন্তৰ্গত শিৱসাগৰ টাউন ৰে'ল ষ্টেচনটো সমাপ্তি অনুষ্ঠানটো উদযাপন কৰাৰ অৰ্থে ভিডিঅ' লিংকৰ জৰিয়তে সংযোগ কৰা হয়। মাননীয় মন্ত্ৰীসকলে নিউ দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে ষ্টেচনত উপস্থিত থকা স্বাধীনতা সংগ্ৰামী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ সৈতে বাৰ্তালাপ কৰে। স্বাধীনতা সংগ্ৰামী খনিৰাম মিলি, গোকুল চন্দ্ৰ গগৈ, পুনেশ্বৰ দুৱৰা, ফটিক কাকতী, ফুলচন্দ্ৰ গগৈ আৰু স্বাধীনতা সংগ্ৰামী স্বৰ্গীয় কুলধৰ চেতিয়াৰ পুত্ৰ ধীৰেন চেতিয়া উপস্থিত আছিল। ধীৰেন চেতিয়াই মাননীয় মন্ত্ৰীসকলৰ সৈতে বাৰ্তালাপ কৰোঁতে তেওঁৰ পিতৃৰ স্বাধীনতা আন্দোলনৰ দিনবোৰ স্মৰণ কৰে যেতিয়া তেওঁৰ পিতৃয়ে অঞ্চলটোৰ প্ৰতিটো কোণত স্বাধীনতা আন্দোলনৰ বাৰ্তা প্ৰচাৰ কৰিবলৈ ৰে'লযোগে ভ্ৰমণ কৰিছিল। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰবন্ধক অংশুল গুপ্তাদেৱে উঃ পূঃ সীমান্ত ৰে'লৱেৰ ৯টা ষ্টেচনত অনুষ্ঠিত অনুষ্ঠানসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি এই প্ৰতীকাত্মক সপ্তাহৰ উদ্‌যাপনক এক বৃহৎ সফলতা প্ৰদান কৰাৰ অৰ্থে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

### আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি 'হৰ ঘৰ ত্ৰিৰংগা'

# বঢ়মপুৰত ১৩,০০০ ত্ৰিৰংগা প্ৰস্তুতৰ লক্ষ্য আত্মসহায়ক গোটৰ ৫,০০০ ত্ৰিৰংগা প্ৰস্তুতি সম্পূৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৩ জুলাই ঃ** স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদী কি অমৃত মহোৎসৱ আৰু আগন্তুক স্বাধীনতা দিৱসৰ প্ৰস্তুতি আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ইতিমধ্যে বিভিন্ন ধৰণৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। তদুপলক্ষে সমাগত স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা উৰুৱাবলৈ চৰকাৰে আহ্বান জনাইছে। ইয়াকে লৈ অসম চৰকাৰো ইতিমধ্যে তৎপৰ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৩ আগষ্টৰ পৰাই পদূলিয়ে পদূলিয়ে ত্ৰিৰংগা পতাকা উৰুৱাবলৈ আহ্বান জনাইছে ৰাজ্যবাসীক। ইয়াৰ অংশৰূপে নগাঁও জিলাৰ বঢ়মপুৰ উন্নয়ন খণ্ডৰ মুঠ ১১খন পঞ্চায়ত এলেকাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত প্ৰতিটো মণ্ডল সংগঠনৰ মহিলাসকলে প্ৰতিটো পঞ্চায়তৰ অঞ্চলসমূহৰ ১৩ হেজাৰ লোকৰ ঘৰে ঘৰে গৈ ত্ৰিৰংগা তুলি দিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বঢ়মপুৰ উন্নয়ন খণ্ডৰ চাৰিটাকৈ মণ্ডল সংগঠনৰ তৎপৰতাত গ্ৰাম্য সংগঠনৰ মহিলা আত্মসহায়ক গোটৰ এইসকল মহিলাই সৰু-বৰ ত্ৰিৰংগা তৈয়াৰ কৰি অতি কম মূল্যত অঞ্চলটোৰ ঘৰে ঘৰে ত্ৰিৰংগা প্ৰতিটো পৰিয়ালক তুলি দিয়াৰ লগতে সহজতে ত্ৰিৰংগা গাঁৱৰ ৰাইজে ক্ৰয় কৰিব পাৰে তাৰ বাবে ১১খন বিপণী খুলি ত্ৰিৰংগা বিক্ৰীৰ ব্যৱস্থা লৈছে। আনহাতে, অঞ্চলবোৰৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যৱসায় প্ৰতিষ্ঠানত অতি কম মূল্যত ত্ৰিৰংগা দিয়াৰ ব্যৱস্থা হাতত লৈছে। এই সন্দৰ্ভত খণ্ড সমন্বয়ক মধুমিতা দে'য়ে জানিবলৈ দিয়ামতে স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ যি কাৰ্যসূচী গ্ৰহণ কৰিছে তাক লৈ আমি আনন্দিত। চৰকাৰৰ নিৰ্দেশমৰ্মে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানক যি দায়িত্ব অৰ্পণ কৰিছে, সেই অনুসৰি গ্ৰামাঞ্চলত কম মূল্যত সহজতে ত্ৰিৰংগা পতাকা প্ৰতিটো পৰিয়ালে লাভ কৰিব পাৰে তাৰ বাবে আমি ত্ৰিৰংগা বিক্ৰীৰ বাবে বঢ়মপুৰ উন্নয়ন খণ্ডৰ প্ৰতিটো পঞ্চায়তত ১১খন বিপণী মুকলি কৰিছোঁ। এই সন্দৰ্ভত গ্ৰামীণ জীৱিকা অভিযানৰ খণ্ড প্ৰকল্প প্ৰবন্ধক চন্দন বৰবৰা আৰু খণ্ড সমন্বয়ক বিষ্ণু কোঁৱৰে 'হৰ ঘৰ ত্ৰিৰংগা' এই শ্ল'গানেৰে আমাৰ আত্মসহায়ক গোটৰ সদস্যসকলে গাঁৱে গাঁৱে এইকেইদিন সজাগতা কৰাৰ লগতে প্ৰতিটো পৰিয়ালক ত্ৰিৰংগা কম মূল্যত তুলি দিব বুলি প্ৰকাশ কৰে। মুঠৰ ওপৰত বঢ়মপুৰত এইসকল মহিলাই ১৩ হেজাৰ পতাকা বিক্ৰীৰ লক্ষ্যৰে বৰ্তমানলৈকে ৫,০০০ পতাকা সাজু কৰি তুলিছে। ঘৰে ঘৰে গৈ হাতত ত্ৰিৰংগা তুলি দি ৰাইজৰ মাজত কৰিব সজাগতা।

ইণ্ডিয়ন বৈংক Indian Bank
ইলাহাবাদ ALLAHABAD

মাণ্ডলিক কাৰ্যালয় : ডিব্ৰুগড়,
টি. আৰ. ফুকন ৰোড, চিৰিং চাপোৰি, ডাক ঘৰ: ডিব্ৰুগড়-৭৮৬০০১
ই-মেইল : zodibrugarh@indianbank.co.in

**দাবী জাননী**

**বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননী**

**ইণ্ডিয়ান বেংক (পূৰ্বে এলাহাবাদ বেংক), শাখা : বনগাঁওৰ সৈতে থকা মেচাৰ্চ এগ্ৰ এজেন্সী হাউজ, একাউন্ট নং ৫০০৬২৬০৬৫০২**

১. **মেচাৰ্চ এগ্ৰ এজেন্সী হাউজ,**
(স্বত্বাঃ সুৰেশ চন্দ্ৰ ভাগৱতী) (ঋণী), ঠিকনা : পি এইচ জি পথ, ৱাৰ্ড নং ১০, ডেৰগাঁও টাউন, জিলা - গোলাঘাট, পিন-৭৮৫৬১৪

২. **সুৰেশ চন্দ্ৰ ভাগৱতী (ঋণী তথা বন্ধকদাতা),**
ঠিকনা : পি এইচ জি পথ, ৱাৰ্ড নং ১০, ডেৰগাঁও টাউন, জিলা - গোলাঘাট, পিন-৭৮৫৬১৪

৩. **শ্ৰী সন্দিপন ভাগৱতী,**
পিতা - শ্ৰী সুৰেশ চন্দ্ৰ ভাগৱতী (জামিনদাৰ), ঠিকনা : পি এইচ জি পথ,ৱাৰ্ড নং ১০, ডেৰগাঁও টাউন, জিলা - গোলাঘাট, পিন-৭৮৫৬১৪

আপোনালোকৰ ১ম জনৰ অনুৰোধ মৰ্মে, **ইণ্ডিয়ান বেংক (পূৰ্বে - এলাহাবাদ বেংক), বনগাঁও শাখাই** আপোনালোকক **১৫.০০ লাখ টকা (পোন্ধৰ লাখ টকা মাত্ৰ)**ৰ পৰিমাণৰ ঋণ সুবিধা প্ৰদান কৰিছিল। আপোনালোকক প্ৰদান কৰা ঋণ সুবিধা আৰু তাৰ বকেয়া দায়বদ্ধতাৰ বিশদ তলত উল্লেখ কৰা হ'ল :

| সুবিধাৰ ধৰণ | মঞ্জুৰীকৃত সীমা | ২০/০৭/২০২২ তাৰিখ মতে বকেয়া দায়বদ্ধতা |
|---|---|---|
| কেচ ক্ৰেডিট একাউন্ট নং ৫০০৬২৬০৬৫০২ | ১৫.০০ লাখ টকা | ১৭,৬৯,৯১৮.০০ টকা লগতে ২১/০৭/২০২২ তাৰিখৰ পৰা পৰিশোধ কৰাৰ তাৰিখলৈ চুক্তি হাৰত সুদ |

ওপৰোক্ত ঋণসমূহ ব্যক্তিগতভাৱে আপোনালোকৰ **৩য়** জনৰ **১০/০১/২০১৭** তাৰিখৰ এখন **গেৰাণ্টিৰ চুক্তি** দ্বাৰা নিশ্চিত কৰা হৈছে। উল্লেখিত ঋণসমূহ তলত দিয়া সূচী মতে আপোনালোকৰ ২য় আৰু ১ম জনৰ যথাযথভাৱে **পি এইচ জি পথ, ৱাৰ্ড নং ১০, দেৰগাঁও টাউন, জিলা- গোলাঘাট, পিন-৭৮৫৬১৪**ত থকা সম্পত্ত(সমূহ) আৰু **পি এইচ জি পথ, ৱাৰ্ড নং ১০, দেৰগাঁও টাউন, জিলা- গোলাঘাট, পিন-৭৮৫৬১৪**ত থকা স্থিৰ সম্পদ / ষ্টক / চলনশীল সামগ্ৰীৰ বন্ধকীৰ দ্বাৰা সুৰক্ষিত কৰা হৈছে। ওপৰত উল্লেখ কৰা সুবিধাসমূহৰ ক্ষেত্ৰত আপুনি সময়ে সময়ে ঋণী হোৱাটো স্বীকাৰ কৰিছে। আমাৰ পক্ষে জাৰী কৰা শেষৰ এনে স্বীকৃতি ৩১/০৩/২০২১ তাৰিখৰ মতে ১৬,২৭,৬২০.০০ টকাৰ হৈছে ০২/০৪/২০২১ তাৰিখ। আপোনাক সুদৰ সৈতে ধনখিনি একেলগে পৰিশোধ কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰা স্বত্বেও; আপোনালোক সকলোৱে আৰু আপোনালোকৰ প্ৰতিজন যিসকলে যৌথভাৱে আৰু পৃথককে দায়বদ্ধ, আপোনালোকে প্ৰাপ্য ধন পৰিশোধ কৰাত ব্যৰ্থ হৈছে আৰু ডিফল্ট কৰিছে। ভাৰতীয় ৰিজাৰ্ড বেংকে জাৰি কৰা সম্পত্তি শ্ৰেণীবিভাজন সম্পৰ্কীয় নিৰ্দেশনা/নিয়মাবলী অনুসৰি ৩১/০৩/২০২১ তাৰিখৰ পৰা ঋণ একাউণ্টটোক নন পাৰফৰ্মিং এছেট হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। ২০/০৭/২০২২ তাৰিখ মতে আপোনালোকৰ দ্বাৰা পৰিশোধ কৰিবলগীয়া বকেয়া ধনৰ পৰিমাণ হৈছে ১৭,৬৯,৯১৮.০০ (সোতৰ লাখ ঊনসত্তৰ হাজাৰ নশ ওঁঠৰ টকা মাত্ৰ) আৰু উক্ত ধনৰাশি ২১/০৭/২০২২ৰ পৰা পৰিশোধৰ তাৰিখলৈ চুক্তিৰ হাৰত অধিক সুদ বহন কৰে। বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ কাৰ্যকৰীকৰণ আইন, ২০০২ৰ অধীনত ঋণী শব্দটো যিকোনো ব্যক্তিক বুজায় যিজনক বেংকৰ দ্বাৰা আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে বা যিয়ে বেংকৰ দ্বাৰা প্ৰদান কৰা উক্ত আৰ্থিক সাহায্যৰ বাবে সুৰক্ষা হিচাপে কোনো নিশ্চয়তা দিছে বা কোনো বন্ধকী/ চাৰ্জ সৃষ্টি কৰিছে। গতিকে, আপোনালোক সকলোকে আৰু আপোনালোকৰ প্ৰত্যেককে তাৰিখ মতে প্ৰাপ্য ধনৰাশি অৰ্থাৎ ১৭,৬৯,৯১৮.০০ (সোতৰ লাখ ঊনসত্তৰ হাজাৰ নশ ওঁঠৰ মাত্ৰ) লগতে ধাৰা ১৩(২)ৰ অধীনত জাৰি কৰা এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ তাৰিখলৈকে সুদ, যাৰ বিফল হলে উক্ত আইনৰ অধীনত আপোনাক কোনো ধৰণৰ উল্লেখ নকৰাকৈ এই তাৰিখৰ পৰা বেংকে ইয়াৰ নিৰাপত্তা স্বাৰ্থ বলবৎ কৰাৰ অধিকাৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হ'ব। যদি আপুনি এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত আপোনাৰ দায়বদ্ধতা সম্পূৰ্ণৰূপে পৰিশোধ কৰিবলৈ ব্যৰ্থ হয়, তেন্তে বেংকে নিম্ন সূচীত দিয়া সুৰক্ষিত সম্পদৰ বিপৰীতে আইনৰ ধাৰা ১৩ (৪)ৰ অধীনত নিজৰ বলবৎকাৰী অধিকাৰ ব্যৱহাৰ কৰিব । এই জাননীৰ তাৰিখৰ পৰা ৬০ দিনৰ ম্যাদ উকলি যোৱাৰ পিছত আৰু আপুনি দাবী মানিবলৈ ব্যৰ্থ হোৱাৰ পিছত, বেংকে আইনৰ অধীনত নিজৰ অধিকাৰ ব্যৱহাৰ কৰিবলৈ দখল লোৱাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। অনুগ্ৰহ কৰি মন কৰিব যে আইনৰ ধাৰা ১৩ (১৩)ৰ বিধান অনুসৰি বেংকৰ পূৰ্বৰ লিখিত সন্মতি অবিহনে এই জাননীৰ তাৰিখৰ পিছত বিক্ৰীৰ দ্বাৰা, ইজাৰা বা অন্য কোনো ধৰণে সুৰক্ষিত সম্পদটোৰ (তলৰ সূচীত দিয়া আছে) কোনো ধৰণৰ হস্তান্তৰ কৰিব নোৱাৰিব। উল্লেখ কৰাৰ প্ৰয়োজন নাই যে ওপৰত উল্লেখ কৰা অনুসৰি বেঙ্কৰ প্ৰাপ্য ধন আদায়ৰ বাবে আইন অনুসৰি আপোনালোক সকলোৱে বিৰুদ্ধে আগবাঢ়িবলৈ বেঙ্কৰ ওচৰত উপলব্ধ আন কোনো প্ৰতিকাৰৰ প্ৰতি কোনো ক্ষতি নকৰাকৈ এই জাননীখন আপোনালোকক সম্বোধন কৰা হৈছে। অনুগ্ৰহ কৰি মন কৰিব যে বেঙ্কে আপোনাক ৰেহাই দিয়া বকেয়া বিল, বেঙ্ক গেৰাণ্টি আৰু আপোনাৰ হৈ জাৰী কৰা আৰু প্ৰতিষ্ঠা কৰা ঋণৰ পত্ৰ লগতে অন্যান্য আকস্মিক দায়বদ্ধতাৰ অধীনত উদ্ভৱ হ'ব পৰা দায়বদ্ধতা পৰিশোধ কৰিবলৈ আহ্বান জনোৱাৰ অধিকাৰ সংৰক্ষিত ৰাখে। "আমি চাৰফেইচি আইনৰ ধাৰা ১৩(৮)ৰ বিধান আৰু তাত প্ৰস্তুত কৰা নিয়মসমূহৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰোঁ যিয়ে আপোনাৰ সুৰক্ষাসমূহৰ মুক্তিৰ অধিকাৰৰ বিষয়ে লেন দেন কৰে" নিম্নস্বাক্ষৰকাৰী জন হৈছে এই জাননী জাৰী আৰু ধাৰা ১৩ৰ অধীনত ক্ষমতা প্ৰয়োগ কৰিবলৈ সক্ষম বেঙ্কৰ এজন যথাযথভাৱে অনুমোদিত বিষয়া।

**সূচী**

সুৰক্ষা স্বাৰ্থ সৃষ্টি কৰা সম্পদসমূহৰ নিৰ্দিষ্ট বিৱৰণ ইয়াৰ তলত উল্লেখ কৰা হৈছে:

**বন্ধকী সম্পদসমূহ ঃ-** পি এইচ চি জি পথ, ৱাৰ্ড নং ১০, ডেৰগাঁও টাউন, জিলা- গোলাঘাট, অসম, পিন-৭৮৫৬১৪ত অৱস্থিত দাগ নং ৭৮০ আৰু ৮৭৮১ বহন কৰা পি পি নং ১২৫ ৰে আগুৱা ০ বি - ০১ কে - ১/২ এল পৰিমাপৰ মাটি আৰু ভৱনৰ লগতে দুই মহলীয়া আৰ চি চি ভৱন (১ম মহলা অসম আৰ্হিৰ)। চাৰিসীমাঃ- পূবে - পি এইচ জি পথ, পশ্চিমে - কুতুবুল্লা আৰু অন্যান্যৰ মাটি, উত্তৰে - পট্টাদাৰ / মোঃ জাহানুৱাউল্লাহৰ মাটি, দক্ষিণে - আতাউৰ ৰহমানৰ মাটি।

**ঋণগ্ৰস্ত সম্পদসমূহ ঃ-** পি এইচ জি পথ, ৱাৰ্ড নং ১০, ডেৰগাঁও টাউন, জিলা গোলাঘাট, অসম, পিন-৭৮৫৬১৪ত থকা ঋণগ্ৰস্ত ষ্টক আৰু বুক ডেব্‌ট।

তাৰিখ ঃ ২১/০১/২০২২ স্থান : ডেৰগাঁও
স্বা/- অনুমোদিত বিষয়া, ইণ্ডিয়ান বেংক

### ৪০খন জিলাৰ তিনি শতাধিকৰ অংশগ্ৰহণ ঃ নগাঁও, গুৱাহাটীৰ পাছত যোৰহাট আৰু ধুবুৰীত বিশ্ববিদ্যালয়ৰ দুটা ইউনিট মুকলি

# বোকাখাতত শ্ৰীমন্ত শংকৰদেৱ সংঘ সাহিত্য শাখা সমিতিৰ উদ্যোগত বিচাৰক আৰু সম্পাদনা সম্পৰ্কীয় কেন্দ্ৰীয় কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ২৩ জুলাই ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতিৰ উদ্যোগত আৰু বোকাখাত জিলা শাখাৰ আতিথ্যত আজি দিনজোৰা কাৰ্যসূচীৰে কমাৰগাঁও বৰদিহিঙীয়া বৰনামঘৰত 'বিচাৰক আৰু সম্পাদনা সম্পৰ্কীয় কেন্দ্ৰীয় কৰ্মশালা' অনুষ্ঠিত হৈ যায়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এটি অন্যতম গুৰুত্বপূৰ্ণ শাখা হৈছে সাহিত্য শাখা সমিতি। এই সমিতিয়ে সময়ে সময়ে গৱেষণামূলক আলোচনা, গৱেষণামূলক গ্ৰন্থ প্ৰকাশ, কৰ্মশালা, আলোচনা-চক্ৰ আদি অনুষ্ঠিত কৰি আহিছে। ইয়াৰ অংশ স্বৰূপে সংঘৰ সাহিত্য শাখা সমিতিৰ উদ্যোগত বোকাখাত জিলা শাখাৰ অন্তৰ্গত কমাৰগাঁও বৰদিহিঙীয়া বৰনামঘৰত আজি বিচাৰক আৰু সম্পাদনা সম্পৰ্কীয় কেন্দ্ৰীয় কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাৰ প্ৰথম সত্ৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতিৰ সভাপতি মৃণাল কুমাৰ বৰুৱাৰ সঞ্চালনাত বক্তৃতা, আবৃত্তি আৰু তৰ্ক সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হয়। আবৃত্তি বিষয়ত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, সাহিত্য শাখা সমিতিৰ সম্পাদক ড° মানসপ্ৰতিম বৰাই। আবৃত্তি বিষয়ত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য গৱেষণা পৰিষদৰ সদস্যা তথা কমাৰগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° গায়ত্ৰী বৰা কাকতিয়ে আৰু তৰ্ক বিষয়ত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতিৰ সদস্য ভৱেন দুৱৰীয়ে। দ্বিতীয় সত্ৰত শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন বিভাগৰ প্ৰাধ্যাপক ড° জগত চন্দ্ৰ কলিতাৰ সঞ্চালনাত সম্পাদনা সম্পৰ্কীয় কৰ্মশালা অনুষ্ঠিত হয়। সম্পাদনা কৰ্মঃসমস্যা আৰু সমাধান সম্পৰ্কত সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মুখ্য উপদেষ্টা ভৱেন্দ্ৰ নাথ ডেকাই। সম্পাদনা ঃ তত্ত্ব আৰু প্ৰয়োগ সম্পৰ্কত সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংস্কৃতি শাখা সমিতিৰ সভাপতি ড° সুৰেশ চন্দ্ৰ বৰাই আৰু সম্পাদনাৰ সামাজিক, সাংস্কৃতিক বৌদ্ধিক আৰু নান্দনিক দিশৰ ওপৰত সমল ব্যক্তি হিচাপে বক্তব্য প্ৰদান কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য শাখা সমিতিৰ সভাপতি মৃণাল কুমাৰ বৰুৱাই। দুয়োখন কৰ্মশালাত সংঘৰ ৪০খন জিলা শাখাৰ তিনি শতাধিক ভকতে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে পুৱা সাহিত্য শাখা সমিতিৰ সম্পাদক ড° মানসপ্ৰতিম বৰাই আঁত ধৰা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ আৰু প্ৰধান সম্পাদক বাবুল বৰা উপস্থিত থাকি কৰ্মশালাৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কত বক্তব্য প্ৰদান কৰে। উদ্বোধনী অনুষ্ঠানত কমাৰগাঁও বৰদিহিঙীয়া গাঁৱৰ লোকদা হাজৰিকাই ৰচনা কৰা 'বিশ্ব ব্ৰহ্মাণ্ড বিজ্ঞান আৰু আধ্যাত্মিকতা' নামৰ গ্ৰন্থখনি পদাধিকাৰ কমলাকান্ত গগৈয়ে উন্মোচন কৰে। শৈক্ষিক দিশত শ্ৰীমন্ত শংকৰদেৱ সংঘই আৰম্ভণিৰে পৰাই গুৰুত্ব প্ৰদান কৰি আহিছে। শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যন্ত প্ৰতিষ্ঠা কৰি শৈক্ষিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰি আহিছে। নগাঁও কলংপাৰত বিশ্ববিদ্যালয়ৰ প্ৰথম ইউনিট আৰম্ভ কৰাৰ পাছত গুৱাহাটী ৰূপনগৰত দ্বিতীয় ইউনিট মুকলি কৰাৰ লগতে শেহতীয়াকৈ যোৰহাট আৰু ধুবুৰীত তৃতীয় আৰু চতুৰ্থ ইউনিট ইতিমধ্যে মুকলিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সাংগঠনিক দিশত ওড়িশাৰ পুৰী, পশ্চিমবংগ আৰু মহাৰাষ্ট্ৰৰ নাচিকত তিনিখন জিলা প্ৰতিষ্ঠা কৰাৰ ইংগিত দিয়ে সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। অনুষ্ঠানত সংঘৰ সাহিত্য শাখা সমিতিৰ সমূহ বিষয়ববীয়া, সাহিত্য গৱেষণা পৰিষদৰ সমূহ সদস্যৰ লগতে পৰিকল্পনা আৰু যোগাযোগ উপ-সমিতিৰ সম্পাদক প্ৰদীপ হাজৰিকা, কেন্দ্ৰীয় সেৱা বাহিনীৰ মুখ্য অধিনায়ক তপন কুমাৰ বয়ৰ লগতে বোকাখাত জিলা শাখাৰ বিষয়ববীয়াৰ লগতো বাপ-আই, সেৱা বাহিনীৰ সেৱক-সেৱিকাসকল উপস্থিত থাকে।


■ অৰুণা চেতিয়া খাটনিয়াৰ ■

# 'জীৱন আবেলিৰ অনুৰণন'ত জীৱনৰ ডুখৰীয়া ছবি

■ হৰেন চন্দ্ৰ নাথ

বিশ্বত্ৰাস কৰ'না মহামাৰীয়ে সমগ্ৰ বিশ্বকে বাৰুকৈয়ে জোকাৰি গৈছে বুলিলেও বঢ়াই কোৱা নহ'ব। ভয়াৱহ ৰোগবিধে অনেকৰে প্ৰাণ ল'লে, বহুতৰে জীৱনৰ গতিপথ সলনি কৰি দিলে। ব্যক্তিগত জীৱনতে হওক, সামাজিক জীৱনতে হওক কৰ'নাই সকলোকে বহু কথা শিকালে। আমি সকলোৱে সৰ্বক্ষণ ভয় আৰু অনিশ্চয়তাৰ মাজত কটালোঁ, বহু নতুন শব্দও আমি ক'বলৈ শিকিলোঁ। যদিও পূৰ্বৰ স্বাভাৱিক দিনবোৰ ঘূৰি অহা যেন লাগিছে, তথাপি কৰ'নাই নতুন নতুন ৰূপ লৈ মানুহৰ জীৱনৰ প্ৰতি অহেতুক ভয়ৰ কাৰণ হৈয়ে আছে। কৰ'নাৰ প্ৰথম ঢৌৰ সময়তে সংক্ৰমণৰ পৰা জনসাধাৰণক ৰক্ষা কৰিবলৈ দেশজুৰি বলৱৎ কৰা লকডাউনে মানুহৰ জীৱন যাত্ৰাত অভাৱনীয় পৰিৱৰ্তন আনিছিল। চৌপাশৰ পৃথিৱীখন যেন মানুহে নিজৰ মাজতে বিচাৰি পাবলৈ শিকিছিল। শিল্প, সাহিত্য, সংস্কৃতি, চিত্ৰ-ভাস্কৰ্য সকলোতে ইয়াৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছিল। শিল্পীসকলে যিদৰে নিজস্ব ভাবনাৰ জগতখনত সোমাই পৰিছিল, তেনেদৰে কবি-সাহিত্যিকসকলেও নিজৰ সৃষ্টিশীলতাক নতুন ৰূপত পাবলৈ বিচাৰিছিল। কৰ'নাক লৈ বা কৰ'নাই আনি দিয়া পৰিৱেশৰ অনুকূলতাই অনেক লেখক-লেখিকাৰ কলমৰ আগলৈ সৃষ্টিৰ বিপুল সম্ভাৱনীয়তা কঢ়িয়াই অনাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। এনে এক অনুভৱেৰেই হৈছে শিৱসাগৰ জিলাৰ ঐতিহাসিক গড়গাঁও নিৱাসী, এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, কবি-লেখিকা অৰুণা চেতিয়া খাটনিয়াৰৰ লকডাউনৰ আধাৰত প্ৰস্তুত কৰা 'জীৱন আবেলিৰ অনুৰণন' গ্ৰন্থখন হাতত লৈ। মূলতঃ এখন আত্মলেখা হ'লেও লেখিকাৰ প্ৰকাশভংগী, বৰ্ণনাশৈলী আৰু বিষয়বস্তুৱে স্পৰ্শ কৰি যোৱা ঘটনাক্ৰম তথা সামাজিক পৰিস্থিতিৰ আঁচোৱে পুথিখনক সুকীয়া মাত্ৰা প্ৰদান কৰিছে।

শিৱসাগৰ জিলা সাহিত্য সভাই প্ৰকাশ কৰা, সত্যজিৎ নাথৰ বেটুপাতেৰে ১১৬ পৃষ্ঠাৰ, সুন্দৰ ছপা-বন্ধাৰে পাঠকৰ হাতত পৰা 'জীৱন আবেলিৰ অনুৰণন' পুথিখনৰ পাতনিত আমি ওপৰত কোৱা কথাকেইটাৰে এখন চিত্ৰ দাঙি ধৰি বিশিষ্ট সাহিত্যিক দুৰ্লভ বুঢ়াগোহাঁয়ে লেখিকাগৰাকীক অভিনন্দন জনাইছে। লিখিছে— 'অৰুণাই গ্ৰন্থখনক প্ৰাণ দিছে তেওঁৰ সৰস বৰ্ণনাভংগী, সুৰুচিপূৰ্ণ ভাষা, শব্দৰ নিখুঁত নিৰ্বাচন, বৰ্ণনাৰ সাৱলীলতা, প্ৰায় শুদ্ধ বানান-ৰীতি উচিত প্ৰয়োগৰ দ্বাৰা'। কিতাপখনৰ পাত লুটিয়াই আমিও নিশ্চিতভাৱে সাহিত্যিকগৰাকীৰ ভাষাতেই সহমত প্ৰকাশ নকৰি নোৱাৰিলো। দীৰ্ঘদিন নিষ্ঠাসহকাৰে শিক্ষকতা বৃত্তিৰ লগতে সাহিত্য হওকেই বা নহওকেই বুলি নিয়মীয়াকৈ কলম চলাই যোৱা প্ৰচাৰবিমুখ লেখিকাগৰাকীৰ ইতিমধ্যে 'হেৰোৱা বাটৰ ছন্দ বিচাৰি' (কবিতা পুথি), 'সুৰুযমুখী' (কবিতা পুথি), 'এচেৰেঙা ৰ'দৰ জিলমিল' (কবিতা পুথি), 'টোপ টোপ নিয়ৰ সৰে' (কবিতা পুথি), মৰতত সৰগ নামে (গল্প সংকলন), 'বিবিধ গদ্য গুচ্ছ' (প্ৰবন্ধ সংকলন) প্ৰকাশ পাইছে। লেখাৰ মাজেৰে সমাজ সচেতনতা, বাস্তৱ জীৱনৰ ঘাত-প্ৰতিঘাতৰ ছবি অতি সাৱলীলতাৰে দাঙি ধৰিবলৈ সক্ষম হোৱা লেখিকা খাটনিয়াৰে এই পুথিখনৰ বাটচ'ৰাত লিখিছে— 'বহু সূক্ষ্ম সূক্ষ্ম চিন্তাৰ সমষ্টিৰে গঢ় লৈ উঠে জীৱন। এই সূক্ষ্ম চিন্তাবোৰৰ দ্বাৰাই ডাঙৰ চিন্তা বা কামৰ পোখা মেলে। পাৰ হৈ যায় সময়বোৰ। আচলতে জীৱনটো আগবাঢ়ি যায়। নানানটা সমস্যায়ো সন্মুখলৈ আহি মাজে মাজে জুমুৰি দি ধৰেহি, সময়ত সেইবোৰো মোকাবিলা হৈ যায়। তাৰ মাজতে কেতিয়াবা পোহৰৰ অকণি অকণি ৰেঙণিয়ে মনটো জীপাল কৰিও তোলে, আশাবোৰ তেতিয়া বাঢ়ি যায়'। এনেকৈ মনত পুহি ৰখা আশাৰেই চাগে বাস্তৱ ৰূপ তেওঁৰ সদ্যপ্ৰকাশিত এই পুথিখন। য'ত নিজৰ কথাৰ মাজতে আগবঢ়াইছে কেইবাখনো গ্ৰন্থৰ আলোচনা, বুৰঞ্জীপ্ৰসিদ্ধ গড়গাঁৱৰ এক তথ্যনিৰ্ভৰ দলিলসদৃশ ছবি আৰু দেশ ভ্ৰমণৰ মিঠা অভিজ্ঞতাৰ বৰ্ণিল কাহিনী আৰু কৰ'নাকালীন দুঃসহ সময়ৰ অভিজ্ঞতাৰ এক নিটোল প্ৰতিচ্ছবি। লেখিকাগৰাকীয়ে সাধাৰণ মানুহৰ এখন আত্মলেখা আখ্যা দিলেও 'জীৱন আবেলিৰ অনুৰণন'ত জীৱনক জুমি চোৱা আৰু প্ৰতিপল জীৱন জিজ্ঞাসাৰ মাজেৰে প্ৰজ্ঞাৰ উন্মেষ আৰু উত্তৰণৰ কথা প্ৰকাশ পাইছে। লেখিকা খাটনিয়াৰে মুঠ ২৪টা খণ্ডত সজোৱা পুথিখনত নিজৰ ২৭টা বছৰৰ শিক্ষকতাৰ অভিজ্ঞতা আৰু সমসাময়িক সমাজখনৰ সুন্দৰ ছবি দাঙি ধৰিছে। 'আত্মকথন'-অন্য এদিন উপ খণ্ডত প্ৰশ্নোত্তৰৰ মাধ্যমেৰে নিজেই নিজকে জুকিয়াই চাইছে। মানুহৰ জীৱনটো সুখ আৰু দুখৰ সমষ্টি মাথোন। নানান ঘাত-প্ৰতিঘাত নেওচি সংসাৰ চক্ৰত তাল মিলাই দুখকে সুখ বুলি আগবাঢ়ি যাওঁতে প্ৰতিজন ব্যক্তিয়ে বিভিন্ন পৰিস্থিতিৰে মোকাবিলা কৰিব লগা হয়। নিতৌ নানান অভিজ্ঞতাও সঞ্চিত হয়। এইবোৰ অভিজ্ঞতাকে পুনৰ নিৰ্মাণ কৰি জীৱনৰ বাটত আশা আৰু স্বপ্নৰ মৰিচিকা খেদি আগবাঢ়ি যোৱাই কাম্য বুলি ভবা হয়। এই যাত্ৰাত কোনোজন সফল হয়, কোনোজন নহয়। 'জীৱন আবেলিৰ অনুৰণন' গ্ৰন্থত প্ৰতিভাত হোৱা লেখিকাগৰাকীৰ মনন, চিন্তন আৰু সৃজনশীলতাৰ অভিব্যক্তিয়ে





প্ৰকৃতাৰ্থত তেওঁৰ সত্য, শিৱ, সুন্দৰৰ সাধনাত ন-প্ৰভাতৰ উন্মেষ ঘটোৱা যেনহে ধাৰণা হয়। গতিকে আবেলিৰ জুৰ মলয়াৰ পৰশত নতুন পুৱাৰ গান হৈ তেওঁৰ কলমেৰে সৃষ্টিৰ ন-গজালিবোৰ অংকুৰিত হওক— এই কামনাৰে লেখিকাগৰাকীক অভিনন্দন জনালোঁ।

*ফোন ঃ ৮১৩৩৯-২৪২১৪*

■ জয়ন্ত বৰুৱাৰ দ্বিতীয় কবিতা সংকলন ■

# শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন




■ বিপুল শৰ্মা

*'কবিতা লিখিবলৈ কেতিয়াও যত্ন কৰা নাই মই*
*চেষ্টাও কৰা নাই কোনো দিনে,*
*মই মাথোঁ মই হৈ*
*মোৰ অনুভৱবোৰ মোৰ দৰে সজাবলৈ ভাল পাওঁ।।'*

হয়তো সেইদিনাই মোৰ অনুভৱবোৰ কবিতা লিখিবলৈ যত্ন নকৰা অনুভৱবোৰক নিজৰ দৰে সজাবলৈ বিচৰা সাহিত্য সংগঠক তথা বিশ্বনাথ চাৰিআলিৰ পৰা প্ৰকাশ পোৱা ৰ'দ আলোচনীৰ সম্পাদক জয়ন্ত বৰুৱাৰ শেহতীয়া কবিতা সংকলনখনৰ নাম হৈছে— 'শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন'। ৰ'দ আলোচনী সম্পাদনাৰে নিজৰ সাহিত্যৰ প্ৰতিভা দিয়া জয়ন্ত বৰুৱাৰ প্ৰথম কবিতা সংকলনখনৰ নাম 'পোহৰৰ মিছিল'। কবিতাৰ লগতে উপন্যাসৰ যোগেদি নিজৰ চিনাকি দিয়া, জয়ন্ত বৰুৱাৰ প্ৰকাশিত উপন্যাস দুখন হৈছে ক্ৰমে 'যুদ্ধৰ সীমান্তত এচেৰেঙা মিঠা ৰ'দ' আৰু 'অনুশীলা তাইৰ নাম'। একেদৰে তেখেতৰ সম্পাদনাৰে প্ৰকাশ পোৱা কবিতা সংকলনখনৰ নাম হৈছে 'ৰৌদ্ৰালোক'। কবিতাৰে নিজৰ জীৱন-যৌৱনৰ গুণগান গোৱা সমাজৰ প্ৰতিচ্ছবি দাঙি ধৰিব বিচৰা কবি জয়ন্ত বৰুৱাৰ কবিতাৰ শব্দ চয়ন অতি সহজ আৰু সৰল। 'তোমাৰ পৰা মোলৈ/মোৰ পৰা তোমালৈ/সিঁচিব নোৱাৰোঁনে/এমুঠি জোনাক... প্ৰেমৰ? (তুমি মই আমি)


এনেদৰে প্ৰেমৰ জোনাক সিঁচি শান্তিৰ কামনা কৰা কবি জয়ন্ত বৰুৱাৰ জীৱনৰ এক নিৰ্দিষ্ট সংজ্ঞা আছে। তেখেতৰ মতে জীৱন মানে— 'জীৱন মানে এসাগৰ ভালপোৱা/জীৱন মানে এখন সংগ্ৰামস্থলী আৰু /জীৱন মানে ত্যাগৰ এখনি নিঃস্বাৰ্থ পথাৰ।' (আশাহত মোৰ দুচকুত)

দুকুৰি ছটা কবিতা (ইয়াৰে তিনিটা ইংৰাজীলৈ অনুবাদ কৰা) অন্তৰ্ভুক্ত কৰা জয়ন্ত বৰুৱাৰ 'শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন'ৰ শুভেচ্ছাৰে একলমত বিশিষ্ট কবি সমীৰ তাঁতীয়ে এনেদৰে লেখিছে— 'তেওঁৰ সৃষ্টিত সমাজমুখী চেতনাৰ ৰিণি-ৰিণি সুৰ এটি শুনি আপ্লুত হৈছোঁ।' অৰ্থাৎ জয়ন্ত বৰুৱাৰ কবিতাত সমাজমুখী চেতনাৰ সুৰ আছে। উল্লেখ্য যে সমাজমুখী চেতনাৰ নাথাকিলে কবি এজনৰ কবিতা বহু সময়ত মৃত কবিতালৈ ৰূপান্তৰ হয়। উদাহৰণ স্বৰূপে— 'শাওণৰ আলি কেঁকুৰিত একমাত্ৰ/শব্দই হে ৰচিব পাৰে জীয়া ইতিহাস' (অজানিতেই নামি আহে নদীৰ স্তন) বা 'নিলামত বিক্ৰী কৰা হ'ব/এখন হৃদয়/মূল্য এসাগৰ ভালপোৱা'— (বিজ্ঞাপন)। কবিতা হ'ল হৃদয়ৰ ভাষা, কবিয়ে নিজেই কৈছে— নিজা অনুভৱবোৰ নিজৰ দৰেই সজাই ভাল পায়। এক কথাত তেখেতৰ অনুভৱবোৰ তেখেতৰ নিজৰ দাপোণ। সেই বাবে হয়তো — 'অহৰ্নিশে মোৰ বুকুৰ এচুকত/কজলা বৰণীয়া হেঁপাহ এটাই বাৰ্তালাপ কৰে।'— (সিহঁতৰ বাবে এদিন) অথবা 'ৰ'দেহে ভাঙিব পাৰে সীমা/গঢ়িব পাৰে সেতু/প্ৰেম আৰু বিশ্বাসৰ'— (মোক ৰ'দ লাগে)। সেইদৰে তেখেতৰ কবিতাত দেখা যায় চিৰন্তন সত্যৰ সুন্দৰ প্ৰতিফলন— 'জন্ম ল'লো বাবেই/আই আৰু পিতাইক চিনি পালোঁ'— (জন্ম ললোঁ বাবেই) বা 'এদিন পোহৰক সুধিলোঁ—/আন্ধাৰৰ গভীৰতা কিমান?/পোহৰে ক'লে— /মোৰ উজ্জ্বলতাৰ সমান'— (আন্ধাৰতো মই বিচাৰি পাওঁ মোক)

শিৱপ্ৰসাদ মাৰাৰ সুন্দৰ বেটুপাতে আকৰ্ষণীয় কৰি তোলা শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন কবিতাসমূহৰ কিছু কবিতাৰ পংক্তিৰ চমৎকাৰিতাই পাঠকক মোহাচ্ছন্ন কৰি তুলিব। উদাহৰণস্বৰূপে— 'মোৰ বুকুত তোমাৰ কবিতা/তোমাৰ বুকুত মোৰ কবিতা/কবিতাৰ বুকুত/তোমাৰ মোৰ ভালপোৱা।' — (এঙুঁৰি স্তৱক)। বিকাশজ্যোতি বৰুৱাই অক্ষৰ বিন্যাস আৰু অংগসজ্জা কৰা 'শব্দ মোৰ দিনৰ বেলিৰ ৰাতিৰ জোন' গ্ৰন্থখনৰ মুদ্ৰক গুৱাহাটীৰ ছান বিম। প্ৰায় ৫৬ পৃষ্ঠাৰ গ্ৰন্থখনৰ কবিতাসমূহ কবিয়ে প্ৰতীক আৰু চিত্ৰকল্পই বহু সময়ত পাঠকক নতুন স্বাদ দিব। তেনে দুটিমান হৈছে— 'গধূলি আগৰ গছ জোপাত', 'ঔটেঙা বৰণীয়া', 'তুলবুলীয়া বুকুবোৰ', 'আধা কেঁচেলীয়া হেঁপাহবোৰ', 'ঔ বিজলুৱা সময়', 'ঔফুলীয়া সপোনবোৰ', 'সেউজীয়া সপোন' আদি। আনহাতে, গ্ৰন্থখনৰ 'শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন কবিতা'ৰে ক'ব বিচাৰিছোঁ— 'পাঠকৰ পৰা কবিলৈ/কবিৰ পৰা পাঠকলৈ/হৃদয়ে হৃদয়ে জোনাকত কথা হ'বলৈ/ৰ'দ আৰু সেউজীয়াৰ প্ৰেমত পৰিবলৈ'। জয়ন্ত বৰুৱাই যেন আমাক 'শব্দ মোৰ দিনৰ বেলি ৰাতিৰ জোন'ৰ দৰে ন-ন কবিতা উপহাৰ দিয়াৰ বাবে চৰ্চা অব্যাহত ৰাখক তাৰে কামনা কৰিলোঁ।

*ফোন ঃ ৮০১১৫-৯০৩৭৯*

জেমছ হিলটনৰ 'গুড বাই মিষ্টাৰ চিপ্‌ছ্' পঢ়ি




■ সংগীতা দেৱী

ইংৰাজী সাহিত্যৰ অনুবাদসমূহ অতিশয় মনোমোহা। বিশেষকৈ শিশু সাহিত্য আৰু অনুবাদ উপন্যাস সাহিত্যসমূহে পাঠকক আকৰ্ষণ কৰি আহিছে। তেনে এখন মনোমোহা উপন্যাস হ'ল জেমছ হিলটনৰ 'গুডবাই মিষ্টাৰ চিপ্‌ছ। অসমীয়া অনুবাদ আবুল লেইচ ডাঙৰীয়াৰ। উপন্যাসখনৰ কাহিনী ভাগ স্কুল এখনক লৈ। দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত ৰচিত এইখন এখন বহুচৰ্চিত আৰু ব্যাপকভাৱে সমাদৃত উপন্যাস।

উপন্যাসৰ নায়ক ব্ৰুকফিল্ড স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক মি চিপ্‌ছ। নায়কৰ জীৱনৰ ঘাত-প্ৰতিঘাত, কৰ্তব্যনিষ্ঠা, অকলশৰীয়া, উদাস জীৱনৰ সাৱলীল বৰ্ণনাই নায়কৰ প্ৰতি আমাৰ সহানুভূতিৰ উদ্ৰেক ঘটায়। মিঃ চিপ্‌ছে কথমপি লোৱা ডিগ্ৰীটো, টানি-টুনি পোৱা স্কুলৰ চাকৰিৰ বৰ্ণনাই পাঠকৰো নিজৰ জীৱনলৈ যেন টানি আনে। বিশ্বযুদ্ধৰ ভয়াৱহতাৰ মাজতেই আমাৰ নায়ক চিপ্‌ছে সেই সময়ৰ অতিশয় সম্ভ্ৰান্ত বিদ্যালয় ব্ৰুকফিল্ডত শিক্ষক হিচাপে নিযুক্তি পাইছে। অকলশৰীয়া চিপ্‌ছে নিজৰ জীৱনটোত পঢ়া-শুনা আৰু চাকৰিৰ বাবে প্ৰেম জাতীয় আৰু ছোৱালীৰ লগত কথা পতাৰ দৰে কাম কেতিয়াও কৰা নাছিল। মাৰ্জিত আৰু শান্ত চিপ্‌ছে ভাল ছোৱালী বুলি তেওঁকেই ভাবিছিল। লাজুকী আৰু নম্ৰ ব্যৱহাৰৰ মহিলাক। বয়সৰ গড়ত তেওঁ চল্লিছৰ দেওনা পাৰ কৰিছিল। কেথৰিনক লগ পাই হঠাৎ তেওঁৰ জীৱনলৈ পৰিৱৰ্তন আহি পৰিছিল। নম্ৰ কেথৰিন আৰু অকলশৰীয়া চিপ্‌ছে যুগ্ম জীৱনৰো পাতনি কৰিছিল। কিন্তু মাক আৰু তেওঁৰ হ'বলগীয়া সন্তানৰ একেদিনাই মৃত্যু হৈ চিপ্‌ছক আকৌ এবাৰ অকলশৰীয়া কৰিছিল। তথাপি চিপ্‌ছে তেওঁৰ দায়িত্ব পালনত ত্ৰুটি কৰা নাছিল।

শিক্ষক হিচাপে চিপ্‌ছ তেওঁৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অতিকৈ জনপ্ৰিয় আছিল। উপন্যাসখনত শিক্ষক আৰু ছাত্ৰৰ মধুৰ সম্পৰ্কৰ ছবি অংকনত ঔপন্যাসিক সফল হৈছে বুলিব পাৰি। খুহুটিয়া কথাৰে চিপ্‌ছে তেওঁৰ ছাত্ৰৰ মন অতি সহজতে জয় কৰিছিল। জোনাক নিশা ছাত্ৰসকলক লেটিন পঢ়াই থাকোতে হোৱা বোমাৰ শব্দই যি ভীতিগ্ৰস্তময় পৰিৱেশৰ সৃষ্টি কৰিছিল চিপ্‌ছে অতি কৌশলেৰে তেওঁৰ ছাত্ৰবোৰক যুদ্ধৰ এই বিভীষিকাৰ পৰা বচাইছিল। ব্ৰুকফিল্ড যেন চিপ্‌ছৰ জীৱন। সাধনাৰ অমৰ ক্ষেত্ৰ। অৱসৰৰ পিছতো চিপ্‌ছে নিয়মিত স্কুলৰ খবৰ লৈছিল। আৰু নতুন-পুৰণি ছাত্ৰবোৰক ঘৰলৈ মাতি নি ব্ৰুকফিল্ডৰ কাহিনী শুনাই গুলপীয়া চাহ আৰু আইচিং কৰা কেকেৰে আপ্যায়নো কৰিছিল। ছাত্ৰসকলৰ প্ৰতি থকা অপাৰ স্নেহৰ ছবিয়ে চিপ্‌ছ চৰিত্ৰটোৰ মহত্ত্ব ফুটাই তুলিছে। সকলো হেৰুৱালেও, ধুমুহাত ভাঙি নপৰি তেওঁ স্কুলখনক বুকুৰ মাজত সাবটি লৈছে।

ইংৰাজী সাহিত্যৰ অনুবাদ হ'লেও অসমীয়া পাঠকে ৰসাস্বাদন কৰিব পৰাকৈ অনুবাদকে যত্নৰ অলপো ত্ৰুটি কৰা নাই। গুডবাই মিঃ চিপ্‌ছ অসমীয়া সাহিত্যৰ এক যুগান্তকাৰী অনুবাদ। পাঠকে জেমছ হিলটনৰ অনুভৱক সযতনে বুকুত ঠাই দি আহিছে।

*ফোন ঃ ৯৩৬৫১-১৮৪৬০*

আন্তঃৰাষ্ট্ৰীয় খ্যাতনামা গীটাৰিষ্ট 'পাপু লেফটিবেছৰ গ্ৰন্থ

# 'জাৰ্নি অৱ এ মিউজিচিয়ান' আৰু মোৰ অনুভৱ

■ গীতাঞ্জলি হাজৰিকা


কলং পাৰৰ সংগীত শিল্পী পাপু লেফটিবেছ এজন আন্তঃৰাষ্ট্ৰীয় বেছ গীটাৰিষ্ট তথা এম টি ডি ৰ 'ব্ৰেণ্ড এম্বেছাদৰ' আৰু তেওঁ অসমীয়া সন্তান। শিল্পী হিচাপে গৌৰৱৰ ধাৰা অক্ষুণ্ণ ৰখাৰ সময়তে তেওঁ অন্য এক প্ৰতিভা কলমৰ কাপেৰে নিগৰাবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰকৃত পোছাকী নাম পাৰ্শ্বজ্যোতি দাস। তেওঁৰ ঘৰুৱা নাম পাপু। অৱশ্যে তেওঁ পোছাকী নামৰ পৰিৱৰ্তে পাপু নামেৰেহে সৰ্বজনবিদিত আৰু সমাদৃত হয়। আচলতে তেওঁ বাঁওহতীয়া আৰু বেচ গীটাৰখন বজোৱাৰ সুবাদতে পাপু নামৰ লগত লেফটিবেছ সংযোগ কৰি 'পাপু লেফটিবেছ' নামাংকৃত কৰি জনচক্ষুত সমাদৃত হয়। নগাঁৱৰ কলংপাৰৰ পৰা মিছিচিপিৰ দেশলৈ প্ৰত্যাগমন কৰোঁতে নানা বৰ্ণময় ঘাত-প্ৰতিঘাতৰ আঁচোৰত ক্ষত-বিক্ষত হোৱা খলা-বমাবোৰ প্ৰত্যাহ্বানৰ নিৰ্মালি হিচাপে গ্ৰহণ কৰি দোপতদোপে আগবাঢ়ি যোৱাৰ দৃঢ় সংকল্পত তেওঁ অটল আছিল। অৱশ্যে শিল্পীপ্ৰাণৰ এটি ধাৰা পাপু লেফটিবেছৰ তেজত জন্মগতভাৱেই আহিছিল। তেওঁৰ দেউতাক হীৰা দাস নগাঁৱৰ এগৰাকী প্ৰখ্যাত শিল্পী আৰু মাতৃ পাৰুল মুক্তিয়াৰ আছিল এগৰাকী সংগীত অনুৰাগী। অৱশ্যে এইটো ঠিক যে মাক-দেউতাক শিল্পী বা সাহিত্যিক হ'লে পুত্ৰ - কন্যায়ো যে সেই দিশতেই গতি কৰিব তাৰ মানে নাই । তথাপি প্ৰতিজন পিতৃ-মাতৃৰ মনত এটা হেঁপাহ থাকে যাতে তেওঁলোকৰ সন্তানে তেওঁলোকৰ সৎ আদৰ্শক অনুকৰণ কৰে। পাপুৰ দেউতাকো ইয়াৰ ব্যতিক্ৰম নাছিল। তেখেতেও পাপুক এজন সুদক্ষ সংগীত শিল্পী হোৱাটো মনে-প্ৰাণে কামনা কৰিছিল। পাপুৱেও সকলো প্ৰত্যাহ্বান নেওচি, হাস্যবদনে সুগন্ধি ফুলৰ সৌৰভৰ নিৰ্মালি বুটলি দেউতাকৰ আশাক সন্মান আৰু শ্ৰদ্ধা জনাই শিল্পী সত্তাক চিৰযুগমীয়া কৰাত মনোনিৱেশ কৰিছিল।

শিল্পী সাধনাত ব্ৰতী হোৱাৰ কিছু দিনৰ পিছতেই হঠাতে বীজ ফুলৰ পৰা ফলৰ ৰূপান্তৰ হৈ ভৰপক নৌহওঁতেই কলংপৰীয়া আন এজন প্ৰখ্যাত শিল্পী যজ্ঞ বেজবৰুৱাৰ তনয়া ৰিংকু বেজবৰুৱাৰ লগত দুয়োখন ঘৰৰ সন্মতি সাপেক্ষে বিবাহপাশত পাপু আবদ্ধ হয়। অৱশ্যে তেওঁলোকৰ দুয়োখন ঘৰে বিবাহৰ স্বীকৃতি দিয়াৰ আগতেই পাপু আৰু ৰিংকুৰ গোপন প্ৰেমৰ এক অধ্যায় চলি আহিছিল। আশ্চৰ্যকৰ কথা এয়ে যে নৱ-বিবাহিত পত্নীক কলঙৰ ঘৰখনত মাতৃৰ লগত থৈ বিবাহৰ পিছতে পাপু মুম্বাইলৈ যাত্ৰা কৰিছিল।

ইয়াৰ আগতে পাপুৰ জীৱনত এটা ঘটনা ঘটিছিল। গীটাৰ বজাই ভাল পোৱা পাপুৱে ৰাজধানী গুৱাহাটীলৈও এবাৰ সংগীত সাধনা কৰাৰ মানসেৰে গৈছিল। কিন্তু উচ্ছাসেৰে যোৱা পাপুৱে এদিন হতাশ হৈ ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি আহিবলৈ বাধ্য হৈছিল। ঘূৰি অহাৰ কাৰণ অৱশ্যে নোহোৱা নাছিল। পাপুৱে ক'ৰ্ডচাট ফল' কৰি গীটাৰ বজাব পৰা নাছিল। মনৰ দুখত পাপুৱে তিনি দিন ধৰি ঘৰৰ পৰা বাহিৰলৈ ওলোৱা বাদ দিছিল। কিন্তু মাতৃ, প্ৰেয়সী আৰু বন্ধুৰ মৰম, বিশ্বাস, প্ৰেৰণা আৰু পৰামৰ্শত পুনৰ স্বাভাৱিক হৈ পাপুৱে গীটাৰখন কান্ধত তুলি লৈছিল। আচলতে দুজন শিল্পীৰ ঘৰৰ আত্মাৰ সহযোগ আৰু যুদ্ধংদেহী মনোভাৱত পাপুক ওভতাই অনাত বেছি ফলপ্ৰসু হৈছিল। ধীৰে ধীৰে সেই ৰুদ্ধ দুৱাৰ মেল খাই দূৱৰিৰ সেউজীয়া দলিচাত খোজ দিয়াত শিৱৰ পৰম ভক্ত পাপুৰ প্ৰাণত মহাদেৱে কৈলাসৰ পৰা যেন চকু মেলি চালে।

কলঙৰ সোণৰ চেকুৰাই মুকুতাৰ সন্ধানত মিচিছিপিলৈ সেই যে ঢাপলি মেলিলে, পাপুৱে পিছলৈ ঘূৰি চাবলৈ আৰু সুবিধাই নাপাইছিল। মুম্বাইৰ মায়াই আচ্ছন্ন কৰা সময়তে পাপু এক নতুন সমস্যাত ভুগিব লগা হয়। পাপুয়ে যেন নীলা গড়ল পান কৰিব লগা হয়। কণমানি পুত্ৰ দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হয়। এফালে মুম্বাইত নিজক প্ৰতিষ্ঠা কৰাৰ যুঁজ, আনফালে কণমানি পুত্ৰৰ জীৱন যুঁজ। মহাদেৱে গড়ল হলাহলে পান কৰাৰ দৰে ৰূঢ় বাস্তৱৰ দুখবোৰ পাপুৱে পান কৰি আগবাঢ়ি যাবলৈ বাধ্য হয়। এদিন পুত্ৰকো বুকুৰ পৰা নিয়তিয়ে লৈ গ'ল। তথাপি সহধৰ্মিণী আৰু বন্ধুবৰ্গৰ অনুপ্ৰেৰণাত সকলো পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাৰ মাজতো পাপুৱে শিল্পী সত্তাক স্থবিৰ হ'বলৈ দিয়া নাছিল। তাৰ ফলতে এতিয়া মুম্বাইতে নহয় বিদেশত জাভেদজী, অনুপজী আৰু বিগ বি অভিতাভৰ শ্ব'ত খলকনি তুলিবলৈ সক্ষম হোৱাৰ লগতে এম টি ডিৰ ব্ৰেণ্ড এম্বেছাদৰ হয় ।

সৃষ্টিৰ পাতনিৰ নিমিত্তে কিবা যেন সংকেত আছে ক'ভিড পৰিস্থিতিৰ বাবে মুম্বাইত থকা পাপুক কলঙৰ ঘৰখনলৈ হাত বাউল দিলে। তাতেই যেন সৃষ্টিৰ সোপানে সংগোপনে নৌকা বিহাৰ কৰি আছিল। কলঙৰ ঘৰত কিতাপৰ অধ্যয়নত ব্ৰতী থকাৰ সময়ত এদিন ৰূপম দত্তৰ 'দ্য লাইফ অৱ এ মিউজিচিয়ান' কিতাপখন




অধ্যয়ন কৰি থাকোতে মাতৃয়ে নিৰ্দেশ দিলে। তুমিও দেখোন নিজৰ অভিজ্ঞতাৰে এখন কিতাপ লিখিব পাৰা। যি সৃষ্টিয়ে তোমাৰ দুঃসময়ৰ যুঁজখনৰ পৰা সমাজক এক দৃষ্টান্তমূলক প্ৰেৰণা আৰু সঞ্জীৱনীৰ সুধা দিয়াৰ লগতে সময়ৰো সদ্ব্যৱহাৰ হ'ব। তালতে তাল মিলাই জীৱন সংগীয়েও মাতৃৰ আহ্বানক সন্মান জনাবলৈ পাপুক সকীয়াই গ'ল। এনেকৈ পাপুৱে আগবাঢ়ি গৈ গ্ৰন্থৰ জগতত আৰোহণ কৰিলে। আমাৰ অসমত প্ৰায় শিল্পীয়ে সংগ্ৰাম অবিহনে প্ৰতিষ্ঠিত হোৱাৰ ঘটনা বিৰল। কোনোৱে যুঁজি যুঁজি জিকি গৈছে। আন কোনোৱে যুঁজি যুঁজি হতাশাত হাৰি গৈছে। এই সকলো দিশ সাঙুৰি পাপু লেফটিবেছে কলঙৰ পাৰৰ পৰা সাহিত্যৰ সৌৰভ বিলাবলৈ মানসিকভাৱে প্ৰস্তুত হৈছিল। এই প্ৰস্তুতিত ইন্ধন যোগালে কেঁকোৰা চেপাৰে এক ভয়াৱহ ৰূপ ধাৰণ কৰা দাপোণ যেন পুত্ৰৰ জীয়া ছবিখনে। পাপুৰ হাতৰ পৰশত প্ৰাণ পাই উঠিল 'জাৰ্নি অৱ এ মিউজিচিয়ান'। কৰ্কট ৰোগত অৱহেলা অথবা পৰিচৰ্যাৰ লগতে ড্ৰেডলক চুলিৰ পৰা ড্ৰাগ্‌ছখোৰ, চি' পকেটৰ কাৰ্গ পেণ্টৰ পৰা, জাভেদজী, অনুপজী, বিগ বি অমিতাভ বচ্চনৰ লগত অনুষ্ঠান কৰা দীঘলীয়া পৰিক্ৰমাৰ এখন অন্য এক বাস্তৱধৰ্মী এখন মনোৰম গ্ৰন্থ। এই গ্ৰন্থখনে ৰাইজৰ সমাদৰ আৰু আশিস বুটলিবলৈ মাথোঁ আৰম্ভ কৰি গ্ৰন্থমেলাত ভুমুকিয়াবলৈ খোজাৰ সময়তে ক'ভিডে পুনৰ কাল ৰূপ ধাৰণ কৰাত স্থবিৰ হ'ল গ্ৰন্থমেলা, গ্ৰন্থখনৰ প্ৰচাৰতো স্থবিৰতা আহি পৰিল। প্ৰণিধানযোগ্য যে পাপু এগৰাকী পিতৃপ্ৰদত্ত গুণ আৰু নিজৰ সাধনাত সফল এগৰাকী আন্তৰাষ্ট্ৰীয় শিল্পী। আনহাতে, মাতৃৰ অনুপ্ৰেৰণাত এগৰাকী সু-লেখক। সঁচাকৈ আমাৰ অসমীয়াই কি কৰিব নোৱাৰে। সকলো কৰিব পাৰে। এটা ৰাতিটে গড় বন্ধাৰ দৃষ্টান্ত আছে। পাপু লেফটিবেছো ইয়াৰ ব্যতিক্ৰম নহয়। যিসকল গ্ৰন্থপ্ৰেমীয়ে এই মধুময় গ্ৰন্থখন পঢ়াৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোকে নিশ্চিতভাৱে এই কিতাপখন পঢ়ক। মোৰ বিশ্বাস গ্ৰন্থখনৰ যোগেদি পাঠকে আন্তঃৰাষ্ট্ৰীয় শিল্পীজনৰ অনন্য প্ৰতিভাৰ পৰিচয় পোৱাৰ লগতে বিভিন্ন অভিজ্ঞতাৰ আমোদ ল'ব পাৰিব।

*ফোন ঃ ৯৯৫৭৯-৭৩১৫৭*

# অতীতে ৰিঙিয়ায়...

■ বিবেকানন্দ ৰাভা

ৰাতিৰ তৰাভৰা আকাশ আৰু জোনাক এতিয়া অতীত হ'ল। আগৰ দৰে এতিয়াৰ শিশুৱে আৰু জোনবাইৰ দেশলৈ যোৱাৰ সপোন নেদেখে। বিদ্যুতৰ চাকিৰ পোহৰত শিশুবোৰে এন্ধাৰ কি নাজানে। নাজানে পূৰ্ণিমা আৰু অমাৱস্যাৰ নিশাৰ কথাবোৰ। চোতালত ঢাৰিত শুই শুই বিশাল আকাশখনৰ তৰাবোৰ গণি গণি কল্পনাৰ জগতখনলৈ যোৱাৰ যি দুৰ্বাৰ বাসনা সেয়াও অতীত হ'ল। ৰাতিৰ আকাশখনলৈ চাই চাই ককা-আইতা, মা-দেউতাক সোধা প্ৰশ্নবোৰ ক'ৰবাতে হেৰাল। হেৰাল এন্ধাৰত জোনাকী পৰুৱাৰ জিলমিলবোৰ। নিশাচৰ ফেঁচাৰ ভয় লগা ক্ৰন্দন আৰু চোতালৰ ওপৰেদি বাদুলীৰ গমন এতিয়া মাথোঁ হ'ল এক সোঁৱৰণ। শিয়ালৰ হোঁৱা হোঁৱা এতিয়া কিতাপৰ পৃষ্ঠাত। দেও-ভূতৰ সাধু বৰ্তমান শুনোৱাৰ প্ৰয়োজনেই বা ক'ত? যি নিজেই এতিয়া অস্তিত্বৰ সংকটত ম'বাইল, টিভি আদিৰ ধ্বনিত পোক-পৰুৱা, ভেকুলীৰ মাতো নশুনা হ'ল। ঢাৰি-পাটীত বহি চাকিৰ পোহৰত পঢ়ি ডাঙৰ মানুহ হ'লো আমি বুলি শিশুহঁতক আৰু জোকাই নল'ব। পীৰাবোৰ গুচিল, ডাইনিং টেবুল আহিল আৰু চোতালত ঘূৰণীয়াকৈ বহি ভাত খোৱাৰ সেই নিশাৰ পৰম্পৰাও আঁতৰিল। কোনোৱে থাকে ম'বাইলত, কোনোৱে টিভিত মুঠতে সকলোৱে যেন ব্যস্ত আজিৰ এই পৃথিৱীত। সেয়েহে আজিকালি ককাও ম'বাইলটো লৈ কিবাকিবি টিপি থকা হ'ল। শ্ৰোতাৰ অভাৱত আৰু নতুনত্বৰ সন্ধানত পুৰণি কথাবোৰ মনৰ ভিতৰতে গাপ দি গ'ল, সাধু কোৱাৰ অভ্যাসো নাইকিয়া হ'ল আৰু মনৰ কথা মনতে ৰ'ল। মুঠতে বৰ্তমানৰ তাগিদাত সকলোবোৰ এতিয়া অতীত হ'ল। যিদৰে অতীত হ'ল হালৰ গৰু, নাঙল আৰু এচাৰি। সেইদৰে তামোলৰ ঢকুৱা আৰু বাঁহৰ বিচনী। যি বিচনীৰে মহ খেদি খেদি পিঠিত হাত বুলাই মাক-বাপেকে ছলিহঁতক নিয়াইছিল টোপনি। পাংখা, ফেন, কুলাৰ, এ চি নহ'লে নচলে জীৱন আজি। বৰ্তমানৰ চাকনৈয়াত পৰি অতীত হ'ল মাথোঁ সোঁৱৰণী। সোঁৱৰণী হৈ ৰ'ব বৰ্তমানৰ কথাবোৰো এদিন ভৱিষ্যতৰ বাটত আৰু এলাগি হৈ ৰ'ব ভৱিষ্যতৰ প্ৰয়োজনত। এইদৰে অতীতে আমাক ভৱিষ্যতে ৰিঙিয়াই থাকিব আৰু ৰিঙিয়াই থাকিব প্ৰতিটো প্ৰজন্মৰ পৰা প্ৰজন্মক।



*ফোন ঃ ৭৮৯৬৬-১৭৩৬০*

# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ধূপগুৰি গটুৱাত ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা ছয়গাঁও, ২৩ জুলাই ঃ** অসম চৰকাৰৰ নিৰ্দেশ অনুসৰি স্বাধীনতাৰ পয়সত্তৰ বৰ্ষ উপলক্ষে ঘৰে ঘৰে ত্ৰিৰংগা উত্তোলনৰ লক্ষৰে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি শুকুৰবাৰে ৰাণী উন্নয়ন খণ্ডৰ অন্তৰ্গত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত 'মহাবাহু মণ্ডল সংগঠন'ৰ উদ্যোগত ধূপগুৰি গটুৱাত এক ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে ৰাণী উন্নয়ন খণ্ডৰ প্ৰজেক্ট মেনেজাৰ গুণজিৎ ঠাকুৰীয়াই। উন্নয়ন খণ্ডৰ অন্তৰ্গত প্ৰায় পোন্ধৰ হাজাৰ পৰিয়ালত এইবাৰ ত্ৰিৰংগা উত্তোলনৰ লক্ষ্যৰে ঠায়ে ঠায়ে সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰি এতিয়ালৈ পূব মাজিৰগাঁও, গঁড়ল, ভিআইপি আদি ঠাইত এনেধৰণে ত্ৰিৰংগা বিক্ৰী কেন্দ্ৰ মুকলি কৰা কথা জানিবলৈ দিয়ে। আনহাতে, এইবাৰ স্বাধীনতা দিৱস এক দিৱস হিচাপে নহয়, ইয়াক এক উৎসৱ হিচাপে এঘাৰ আগষ্টৰ পৰা পোন্ধৰ আগষ্টলৈ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে অসম চৰকাৰে পালন কৰিবলৈ নিৰ্দেশ দিয়া এৰিয়া পৰিচালক ঠাকুৰীয়াই জানিবলৈ দিয়ে। মহাবাহু মণ্ডল সংগঠনৰ সভানেত্ৰী লাৱণ্যময়ী দাস, সম্পাদিকা হেমলতা কলিতা আৰু জীৱিকা সখী ববিতা দাসে জানিবলৈ দিয়ে যে উত্তৰ ভোলাগাঁও আৰু দক্ষিণ ভোলাগাঁও গাঁও পঞ্চায়ত মিলি মহাবাহু মণ্ডল সংগঠনৰ জন্ম হৈছে আৰু ইয়াৰ সদস্যৰ সংখ্যা এঘাৰ হাজাৰ তিনিশ পঁচপন্নজন বুলি উল্লেখ কৰি কয় যে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি তেওঁলোকে বৰ্তমান প্ৰস্তুত কৰি উলিওৱা পতাকা প্ৰায় সাতশ মান বিক্ৰী কৰিছে আৰু দহ হাজাৰ প্ৰস্তুতকৰণৰ প্ৰস্তুতি চলি থকা বুলি জানিবলৈ দিয়ে। লগতে এই ত্ৰিৰংগাসমূহ তেওঁলোকে অইন দোকানতকৈ সুলভ মূল্যত ৰাইজক যোগান ধৰিব বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে ভিআইপি ত্ৰিৰংগা বিক্ৰী বিপণী কেন্দ্ৰ ধ্ৰুৱতৰা মণ্ডল সংগঠন আৰু পূব মাজিৰগাঁও, গঁড়ল ত্ৰিৰংগা বিক্ৰী বিপণী কেন্দ্ৰ ত্ৰিনয়না মণ্ডল সংগঠনৰ উদ্যোগত চলিছে আৰু প্ৰতিখন বিপণীতে ৰাইজৰ বিপুল সঁহাৰি লাভ কৰা বুলি জানিবলৈ দিয়ে। ত্ৰিৰংগা বিক্ৰী বিপণী কেন্দ্ৰ মুকলি অনুষ্ঠানত উন্নয়ন খণ্ডৰ কে'বাগৰাকীও বিষয়া উপস্থিত থকাৰ উপৰি পঞ্চায়ত পৰ্যায়ৰ বহুসংখ্যক লোকৰ উপস্থিতিৰ লগতে গোটৰ মহিলাসকল উপস্থিত থাকে।





# ৰৌতাৰ চানজাৰাঙৰ উদ্যোগত বালিসিহাত ছাত্ৰ-ছাত্ৰীৰ মাজত বড়ো নৃত্যৰ প্ৰশিক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতাচাৰিআলি, ২৩ জুলাই ঃ** বিটিআৰৰ ওদালগুৰি জিলাৰ ৰৌতা অঞ্চলটোত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ লোকসকলৰ সাংস্কৃতিক দিশটোৰ দৰে বড়ো জনজাতিৰ লোকসকলৰ যুৱক-যুৱতীসকলো শাৰীৰিক, মানসিক, বৌদ্ধিক, ৰাজনৈতিক, কৃষিৰ লগতে শৈক্ষিক, খেল-ধেমালিৰ উপৰিও সাংস্কৃতিক দিশটোত কিন্তু একেবাৰে পিছপৰি থকা নাই। সেয়ে ৰৌতা চানজাৰাং আৰ্ট এণ্ড কালচাৰেল চেন্টাৰৰ উদ্যোগত ১৮ জুলাইৰ পৰা ৰৌতা চাৰিআলিৰ সমীপৰতী বালিসিহা জ্ঞান উদয় ক্লাব এণ্ড লাইব্ৰেৰীৰ খেলপথাৰত চলি থকা সাদিনীয়া বড়ো জনগোষ্ঠীৰ নৃত্য প্ৰশিক্ষণৰ কাইলৈৰ ২৪ জুলাইত সামৰণি পৰিব। ৰৌতা অঞ্চলটোৰ ৰৌতা চাৰিআলি, ৰৌতা ষ্টেচন, জৌগাপুৰ, দেউৰীগাঁও, বেচিমাৰী, থেনথামখা,পুঠিমাৰী, গেদানাৰী,বড়োবজাৰ, গেৰুৱা,বালিসিহা, ঔবাৰী, আয়থেনজাৰ, থেংথাংগুৰি, বাথাবাৰী, ৰৌথাগুৰি, ঝাৰগাঁও, আগুনজাৰ, লাইলংপাৰা, কৌপাটী, বড়িগাঁও, মহিলাপাৰা আদিকে প্ৰায় ধৰি ৪১খন গাঁৱৰ সাত বছৰৰ পৰা ২৫ বছৰ বয়সৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই সাংস্কৃতিক প্ৰশিক্ষণত অংশ গ্ৰহণ কৰে। চিফুং ( বাঁহী), খাম (ঢোল) আৰু সেৰজা নামৰ বাদ্যযন্ত্ৰৰ লগতে মৌসাগ্লনায় আৰু বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ ছাত্ৰ-ছাত্ৰীসকলক এই প্ৰশিক্ষণ প্ৰদান কৰে দুলাৰায় বড়ো হাৰিমু আফাটৰ কনিষ্ঠ নিৰ্দেশক ফাকোন দৈমাৰী, আগুমা বসুমতাৰী, গোপাল স্বৰ্গীয়াৰী আৰু ধীৰাজ ৰামচিয়াৰীয়ে। ৰৌতা ভিচিডিচিৰ উপ-সভাপতি দ্বিজেন বড়োই এই উৰুলি মুকুলি পৰিৱেশৰ সাংস্কৃতিক প্ৰশিক্ষণৰ কাৰ্যসূচী শুভাৰম্ভ কৰিছিল। তদুপৰি প্ৰশিক্ষণৰ শেষত প্ৰশিক্ষাৰ্থীসকলক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰিব বুলি উদ্যোগক্তাসকলে জানিবলৈ দিয়ে।

# ৩১ জুলাইত ওদালগুৰি জিলা আক্ৰাছু পশ্চিমৰ বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২৩ জুলাই ঃ** ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু) পশ্চিমৰ উদ্যোগত ভেৰগাঁও জিলা কোচ-ৰাজবংশী মূল, যুৱ-মহিলা সন্মিলনী আৰু টংলা আঞ্চলিক কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ৩১ জুলাইত বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত সকলো ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰি আয়োজক ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ আক্ৰাছু পশ্চিমৰ সভাপতি মিন্টু বৰুৱা, ওদালগুৰি জিলাৰ কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰ সাধাৰণ সম্পাদক মুকুন্দ ডেকা আৰু পংকজ ডেকাৰ লগতে ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছুৰ শিক্ষা সম্পাদক ডিম্বেশ্বৰ চহৰীয়াই কয় যে বিগত বৰ্ষবোৰৰ দৰেই এইবেলিও ওদালগুৰি জিলা কোচ-ৰাজবংশী ছাত্ৰ সন্থা আক্ৰাছু পশ্চিমৰ উদ্যোগত ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কৃতিত্বৰে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এই বিশেষ অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত ৩১ জুলাইত দিনৰ ১১ বজাত সকলোৰে উপস্থিতি কামনা কৰিলোঁ।

# কামৰূপ (ম) জিলা উপায়ুক্ত কাৰ্যালয়ৰ কেইবাটাও শাখা হেঙৰাবাৰীলৈ স্থানান্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৩ জুলাই ঃ** ৰাজ্য চৰকাৰখনে কামৰূপ মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়, পাণবজাৰৰ পৰা অন্য স্থানলৈ স্থানান্তৰ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে অতি ক্ষিপ্ৰতাৰে ঠিকনা সলনি হ'ব বহুকেইটা শাখা কাৰ্যালয়ৰ। বৰ্তমান মহানগৰ জিলা উপায়ুক্ত কাৰ্যালয়ত থকা ৯টা শাখা কাৰ্যালয় হেঙৰাবাৰীত থকা খাদীহাটলৈ স্থানান্তৰ কৰা হ'ব। আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ তৰফৰ পৰা এক ৰাজহুৱা জাননীযোগে এই কথা অৱগত কৰে। জাননীৰ সবিশেষ অনুসৰি উন্নয়ন শাখা, আৰ টি আই শাখা, জিলা সৈনিক কল্যাণ শাখা, ভূমি সংস্কাৰ শাখা, আইটিডিপি শাখা, লোকপিয়ল শাখা, এনআৰচি শাখা, নজৰত শাখা আৰু বাকীজাই শাখা হেঙৰাবাৰীৰ খাদীহাটলৈ স্থানান্তৰ কৰা হৈছে। গতিকে এই জাননীৰ জৰিয়তে এতিয়াৰ পৰা উক্ত শাখাকেইটাৰ সৈতে সম্পৰ্কিত কাম-কাজৰ বাবে সাধাৰণ ৰাইজক পাণবজাৰৰ উপায়ুক্ত কাৰ্যালয়ৰ পৰিৱৰ্তে হেঙৰাবাৰীৰ খাদীহাটলৈ যোৱাৰ বাবে কৰ্তৃপক্ষই আহ্বান জনাইছে।

# ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা ধৃতিৰাজ বাস্তৱৰ গৃহত উপস্থিত হৈ জনালে সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৩ জুলাই ঃ** অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান দখল কৰা দৰঙৰ ধৃতিৰাজ বাস্তৱ কলিতাৰ বাসগৃহত কালি উপস্থিত হয়। দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত বানেইকুচি গাঁৱৰ বাসগৃহত উপস্থিত হৈ ছাত্ৰ গৰাকীক আশীৰ্বাদ দিয়াৰ লগতে শিক্ষাৰ ক্ষেত্ৰত প্ৰাৰম্ভিক সহায়ক হোৱাকৈ ২৫,০০০ টকাৰ এখন চেক প্ৰদান কৰে। লগতে ফুলাম গামোচা শৰাইৰে ছাত্ৰ-গৰাকীক অভিনন্দন জনায়। ৰাজ্যিক সভাপতিগৰাকীয়ে কীৰ্তিমান ছাত্ৰ ধৃতৰাজ বাস্তৱ কলিতাৰ কৃতিত্বত নিজকে আনন্দিত হোৱা বুলি উল্লেখ কৰি আগন্তুক সময়তো ছাত্ৰগৰাকীয়ে একেই ধাৰা অব্যাহত ৰখাৰ আশা প্ৰকাশ কৰে। সভাপতি কলিতাই ধৃতিৰাজ বাস্তৱ কলিতাই হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰা বিদ্যালয়খনৰ উন্নয়ন সম্পৰ্কত চৰকাৰৰ লগত আলোচনা কৰাৰ কথাও প্ৰকাশ কৰে। সভাপতিগৰাকীক সংগ দিয়ে ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, দৰং জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মাই।

# কৃষি ভূমিত ছিঁৰাল ফাট ঃ ছন পৰি ৰোৱাৰ দিশে ৰোৱতী ভূমি, হাহাকাৰ কৃষকৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ২৩ জুলাই ঃ** শাওণৰ ভৰ বাৰিষাৰ দিনটো পানীৰ অভাৱত কৃষকৰ শালি ধানৰ পথাৰবিলাক শুকাই ছিঁৰাল ফাট দিয়াত কৃষকসকলৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত খুমটাই আৰু ৰঙামাটি মৌজাৰ ভালেসংখ্যক কৃষি ভূমিত এতিয়া পানীৰ অভাৱত কৃষকসকলে কঠীয়া ৰোপণ কৰিব পৰা নাই। যি দুই-এডৰা ৰোপণ কৰিছে তাকো ভূমিভাগ শুকাই দিয়াৰ ফাট দিছে। জিলাখনৰ খুমটাই বুটলিখোৱা বগৰীয়নি হাতীবৰুৱা চাপৰি আদিৰ লগতে বাদুলিপাৰৰ সমীপৰ ৰঙামাটি চেউনি, ৰঙামাটি, ডেকা গাঁও, বাঢ়নীয়া, খুন্দামৰা, কৰুণাটিং, গৰিয়াজান, কমাৰগাঁও, বুঢ়াগাঁও আদিৰ কৃষকসকলৰ কৃষিভূমিত বৰষুণৰ অভাৱে দেখা দিছে। যাৰ বাবে কৃষিভূমিত পানীৰ অভাৱত কৃষকসকলৰ পানীত হাঁহ নচৰা অৱস্থাই দেখা দিছে। বছৰটোত বৰষুণৰ পৰিমাণ বেছি যদিও পথাৰত পানী হ'ব পৰাকৈ পৰ্যাপ্ত পৰিমাণৰ বৰষুণ নাই। ৰাজ্যখনৰ শাসনাধিষ্ঠিত চৰকাৰৰ কৃষিমন্ত্ৰীগৰাকীৰ গৃহ জিলাখনতেই কৃষিখণ্ডত এনে দুৰৱস্থাময় পৰিস্থিতিয়ে ৰাইজক হতাশাত ভোগাইছে। যি সময়ত কৃষিৰ জৰিয়তে আমূল পৰিৱৰ্তন অনাৰ পোষকতা কৰিছে তেনে সময়তেই কৃষকসকলৰ এনে দুৰৱস্থাময় পৰিস্থিতিৰ ক্ষেত্ৰত চৰকাৰে কি ভূমিকা গ্ৰহণ কৰে সেয়া লক্ষণীয় বিষয়। কৃষকক পৰামৰ্শ প্ৰদানৰ বাবে নিয়োজিত গ্ৰাম্য সেৱকসকলক এতিয়া গ্ৰামাঞ্চলত দেখা পোৱা নাযায়। এনে পৰিস্থিতিত কৃষকসকল সমস্যা পৰি দিশহাৰা হৈ পৰিছে। জলসিঞ্চনৰ ব্যৱস্থা নথকা কৃষি ভূমিয়েই সৰ্বাধিক। কিছুমান ঠাইত নলীনাদৰ ব্যৱস্থা কৰা হৈছে যদিও সেয়ে পৰ্যাপ্ত নহয়। তাকো বহু এনে নলীনাদ বিকল হৈ পৰি ৰৈছে। খৰাং পীড়িত অঞ্চলবিলাকত কৃষি বিভাগৰ দ্বাৰা বিশেষ আঁচনি দ্বাৰা সমস্যা সমাধান কৰিব পৰা যায় নেকি এই ক্ষেত্ৰত বিভাগটোৱে পদক্ষেপ গ্ৰহণৰ বাবে কৃষকসকলে কৃষি বিভাগৰ প্ৰতি আহ্বান জনাইছে।

# নলবাৰীৰ কুমাৰীকাটাৰ সৰ্বৰহী মহিলা, আদৰ্শ পশুপালক ৰুণু তালুকদাৰৰ আকস্মিক মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৩ জুলাইঃ** নলবাৰী জিলাৰ কুমাৰীকাটা গাঁও নিবাসী সৰ্বৰহী মহিলা ৰুণু তালুকদাৰৰ মঙলবাৰে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৪৫ বছৰ। ককায়েক তথা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ অৱসৰী মুখ্য প্ৰবন্ধক বলভদ্ৰ তালুকদাৰৰ লগত যোৱা আগষ্ট মাহৰ পৰা নলবাৰী কলেজ ৰোডৰ গৃহত নিগাজীকৈ থাকিব লোৱা প্ৰয়াত ৰুণু তালুকদাৰ পোহনীয়া পশুধন পালনত বৰ আগ্ৰহী আছিল। তেওঁ বহু বছৰ ধৰি ছাগলী পালনেৰে সমাজত আদৰ্শৰ বাট দেখুৱাইছিল। মানুহৰ প্ৰতি বৰ সাদৰী আছিল তেওঁ। মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা মহিলাগৰাকী মঙলবাৰে হঠাতে অসুস্থ হৈ পৰাত ককায়েকে ততালিকে তেওঁক চিকিৎসাৰ বাবে নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। তেওঁৰ অকাল বিয়োগত কুমাৰীকাটা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। অবিবাহিতা ৰুণু তালুকদাৰে মৃত্যুৰ সময়ত ককায়েক, নবৌ, ভতিজাসহ বায়েক-ভনীয়েকক এৰি যায়।

### জনজাতি মহিলা দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰপতি পদ অলংকৃত কৰা বাবে ভেৰগাঁৱত বিজয় উল্লাস

# ভেৰগাঁৱত আদিবাসী ছাত্ৰ সন্থাই উলিয়ালে বাইক ৰেলী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৩ জুলাই ঃ** ব্যাপক চৰ্চা লাভ কৰি অৱশেষত ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদ পোন প্ৰথমবাৰৰ বাবে অলংকৃত কৰিলে আদিবাসী জনজাতীয় মহিলা দ্ৰৌপদী মুৰ্মুয়ে। দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে পৰিগণিত হ'ল দ্ৰৌপদী মুৰ্মু। উল্লেখ্য যে এনডিএৰ প্ৰাৰ্থী আছিল দ্ৰৌপদী মুৰ্মু আদিবাসী মহিলা, ওড়িশাৰ হৈ ৰচিলে ইতিহাস। ওড়িশাৰ এগৰাকী জনজাতীয় মহিলা আৰু ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল মুৰ্মুৰ এনডিএৰ পচন্দক এক গণনামূলক পদক্ষেপ হিচাপে গণনা কৰা হয়, যি কেৱল ঝাৰখণ্ডৰ শাসনাধিষ্ঠ ঝাৰখণ্ড মুক্তি মৰ্চাৰ সমৰ্থনেই আকৰ্ষণ নকৰে, লগতে ওড়িশাৰ নবীন পাটনায়ককো ফেঞ্চ-চিটাৰ হিচাপে দেখা যায়। স্বাধীনতাৰ ৭৫ দশকৰ পিছত প্ৰথমবাৰৰ বাবে ভাৰতৰ জনজাতীয় মহিলা ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মুক পায় চৌদিশে আনন্দৰ জোৱাৰ উঠিছে। তাৰ সমান্তৰালভাৱে ওদালগুৰিৰ ভেৰগাঁৱতো দিনজোৰা কাৰ্যসূচীৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই বিজয় উৎসৱ পালন কৰে। ওদালগুৰি জিলা সমিতিৰ আছাৰ উদ্যোগত ডিমাকুছিৰ পৰা আৰম্ভ কৰি ওদালগুৰিৰ বিভিন্ন স্থানলৈ শ শ বাইক ৰেলীৰে বিজয় উৎসৱ পালন কৰে ছাত্ৰ সংগঠনটিয়ে। আনফালে, ফটকা আতচবাজী ফুটাই আনন্দত আত্মহাৰা হোৱা দেখা যায় আদিবাসী ছাত্ৰ সন্থাৰ কৰ্মীসকলক। ছাত্ৰ সংগঠটোৱে দ্ৰৌপদী মুৰ্মু জিন্দাবাদ, আদিবাসী জিন্দাবাদ, আছা লং লিভ আদি শ্ল'গানেৰে আকাশ-বতাহ মুখৰ কৰি তোলে।

### চিবিএছইৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল

# এশ শতাংশ উত্তীৰ্ণৰে জামুগুৰিহাটৰ হলি চাইল্ড ইংলিছ স্কুলৰ সাফল্য

**দৈনন্দিন বাৰ্তা সেৱা, জামুগুৰিহাট, ২৩ জুলাই ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত জামুগুৰিহাটৰ চিবিএছই পাঠ্যক্ৰমৰ বিদ্যালয় হোলী চাইল্ড ইংলিছ স্কুলৰপৰা এশ শতাংশ উত্তীৰ্ণৰে সাফল্যৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত এইবেলি বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ ৪৯গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১২গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৯০ শতাংশৰ ঊৰ্দ্ধত নম্বৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে ৮০ শতাংশৰ ঊৰ্দ্ধত ২১গৰাকীয়ে নম্বৰ লাভ কৰি উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিদ্যালয়খনৰ ভিতৰত জ্যোতিষ্মান চেত্ৰীয়ে ৯৬.৪ শতাংশ নম্বৰ লাভ কৰি প্ৰথম স্থান অধিকাৰ কৰাৰ লগতে ভূমি পালে ৯৪.৮ শতাংশ লাভ কৰি দ্বিতীয় স্থান, অপ্সৰা হাজৰিকাই ৯৪.৪ শতাংশ লাভ কৰি তৃতীয় স্থান, প্ৰিয়া পালে ৯৪ শতাংশ লাভ কৰি চতুৰ্থ স্থান, আয়ুস প্ৰধান আৰু কল্পতৰু খনিকৰে ৯৩.৬ শতাংশৰে পঞ্চম স্থান, উদ্দীপ্ত শইকীয়াই ৯৩.৪ শতাংশ নম্বৰেৰে ষষ্ঠস্থান,অনুসূয়া হাজৰিকাই ৯৩ শতাংশ নম্বৰেৰে সপ্তম স্থান, অমিত শইকীয়াই ৯২.৬ শতাংশ নম্বৰেৰে অষ্টম স্থান, ৰ'জ ওজাই ৯১.৮ শতাংশ নম্বৰেৰে নৱম স্থান আৰু ভাৰ্গৱী বৰুৱাই ৯১.২ শতাংশ নম্বৰ লাভ কৰি দশম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। তদুপৰি বিদ্যালয়খনৰপৰা অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ইংৰাজীত ২৩গৰাকীয়ে, হিন্দীত ১৩গৰাকীয়ে, গণিতত ২৩গৰাকীয়ে, বিজ্ঞানত ১৪গৰাকীয়ে, সমাজ বিজ্ঞানত ৪০গৰাকীয়ে আৰু অসমীয়াত ১০গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। পূৰ্বৰ ধাৰা অক্ষুণ্ণ ৰাখি এইবেলিও বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা সফলতাৰ বাবে অধ্যক্ষ সঞ্জয় নেৱাৰ আৰু কুমাৰ নেৱাৰে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা বিদ্যালয়খনৰ এনে সফলতাত সন্তুষ্টি প্ৰকাশ কৰিছে সচেতন মহলে।



# টিএমপিকে-এমএমকে ব্ৰহ্মপুত্ৰ আঞ্চলিকৰ উদ্যোগত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান, শতাধিক শিক্ষাৰ্থীৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ২৩ জুলাই ঃ** চলিত গ্ৰীষ্মকালীন বিদ্যালয় বন্ধৰ প্ৰতি সংগতি ৰাখি ব্ৰহ্মপুত্ৰ আঞ্চলিক টিএমপিকে আৰু এমএমকেৰ উদ্যোগত আৰু গোলাঘাট জিলা সমিতিৰ সহযোগত যোৱা ৪ জুলাই, ২০২২ তাৰিখৰ পৰা ৰঙামাটিৰ সমীপৰতী ব্ৰহ্মপুত্ৰৰ খকন্দগুৰি মধ্য ইংৰাজী বিদ্যালয়ত বিনামূলীয়া গ্ৰীষ্মকালীন পাঠদান কাৰ্যসূচী ৰূপায়ন হৈছে। প্ৰায় ১৬০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে এই পাঠদান কাৰ্যসূচীত। উদ্যোগী যুৱ শিক্ষক মিথেশ পেগু, বিজু পাওঁ, ব্ৰহ্মপুত্ৰ সংগ্ৰামী মঞ্চৰ সম্পাদক তথা যুৱকৰ্মী সমীৰ ভূষণ বৰাৰ লগতে স্থানীয় উচ্চ শিক্ষিত বহুকেইগৰাকী যুৱক-যুৱতীয়ে বিভিন্ন বিষয়ৰ পাঠদান আগবঢ়াইছে। পাঠ্যপুথিৰ শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ সংগীত, খেল আদিৰ প্ৰতিও আগ্ৰহী কৰি তোলাৰ লগতে কেৰিয়াৰ কাউন্সেলিং সন্দৰ্ভতো পাঠদান কৰাৰ ব্যৱস্থা কৰিছে উদ্যোক্তাসকলে। কাৰ্যসূচীৰ বিভিন্ন দিনৰ পাঠদানত এমএমকেৰ কেন্দ্ৰীয় সদস্য গংগাধৰ চাৰহ, গোলাঘাট জিলা টিএমপিকেৰ সভাপতি জিতু বড়ি আৰু এমএমকেৰ সভাপতি মনেশ্বৰ কুটুমৰ লগতে ব্ৰহ্মপুত্ৰ আঞ্চলিক টিএমপিকেৰ জিতু দলে আৰু চন্দ্ৰজিৎ পাওঁ আৰু এমএমকেৰ সম্পাদক পৰীক্ষিত পেগু উপস্থিত থাকি সহযোগিতা আগবঢ়াই আহিছে।

### চিবিএছই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল

# কুসুমটোলাৰ সঞ্জীৱনী ভূঞাৰ সাফল্যত আনন্দিত অঞ্চলবাসী

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৩ জুলাই ঃ** চিবিএছইৰ সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত জামুগুৰিহাটৰ কুসুমটোলাৰ সঞ্জীৱনী ভূঞাই ৯৭ শতাংশ নম্বৰ লাভ কৰি সমগ্ৰ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিশ্বনাথ চাৰিআলিৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা মেধাৱী ছাত্ৰীগৰাকীয়ে ইংৰাজীত ৯৭, অসমীয়াত ৯৫, গণিতত ৯৯, বিজ্ঞানত ৯৬ আৰু সমাজ বিজ্ঞানত ৯৮ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ভৱিষ্যতে এগৰাকী চিকিৎসক হৈ সমাজৰ হকে সেৱা আগবঢ়াবলৈ লক্ষ্য স্থিৰ কৰা সঞ্জীৱনী ভূঞা কুসুমটোলাৰ ব্যৱসায়ী জয়ন্ত ভূঞা আৰু অৱন্তি কটকী ভূঞাৰ একমাত্ৰ কন্যা। সঞ্জীৱনীৰ এই সফলতাত গৌৰৱ অনুভৱ কৰিছে অঞ্চলবাসী ৰাইজে।



# বাঘমাৰাচৰ সমবায় সমিতিত সংঘটিত হোৱা দুৰ্নীতিৰ বিৰুদ্ধে দক্ষিণ বৰপেটা জিলা আমছুৰ সংবাদ মেল




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৩ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত বাঘমাৰাচৰ সমবায় সমিতিৰ সভাপতি আৰু সম্পাদকে বিভিন্ন সময়ত বিভিন্ন দুৰ্নীতি সংঘটিত কৰি আহিছে। যাৰ ফলস্বৰূপে দক্ষিণ বৰপেটা জিলা আমছুই কে'বাটাও ভয়ংকৰ দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰি শুকুৰবাৰে এখন সংবেদ মেল সম্বোধন কৰে আৰু বৰপেটা জিলা উপযুক্তৰ লগতে যোগানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক বাঘমাৰাচৰ সমবায় সমিতিত সংঘটিত কৰা দুৰ্নীতিৰ বিৰুদ্ধে তদন্ত সাপেক্ষে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দাবী জনায়। চলিত বৰ্ষৰ জুন মাহৰ এক কোঠা চাউলৰ ৩,০০০(তিনি হাজাৰ) কুইন্টল চাউলৰ পৰিৱৰ্তে মাত্ৰ ১,৯০০ কুইন্টল উঠায় যদিও বাকী চাউলখিনি বাঘমাৰাচৰ সমবায় সমিতিৰ সভাপতি-সম্পাদকে আত্মসাৎ কৰিছে বুলি অভিযোগ উত্থাপন কৰে। ইয়াৰ উপৰিও চলিত বৰ্ষৰ জুলাই মাহৰ সমুদায় চাউল এফচিআই গোৱালাপাৰস্থ গুদামৰ পৰা উঠাইছে। আনকি ৩৪জন এজেন্টৰ নামত ভুৱা কেচমেমো কাটিছে যদিও আজিলৈকে কিহৰ স্বাৰ্থত কোনো এজন এজেন্টকে চাউল দিয়া হোৱা নাই তাৰো তদন্ত বিচাৰিছে। বিভাগীয় তদন্তৰ সময়ত সমবায়ৰ গুদামত ১০,৪০০ বস্তা চাউল মজুত আছে বুলি বিভাগীয় কৰ্তৃপক্ষই কৈছে যদিও প্ৰকৃততে বাঘমাৰাচৰ সমবায়ৰ গুদামত ৮,৪০০ বস্তাহে চাউল আছে। এতিয়া প্ৰশ্ন হয় কিহৰ স্বাৰ্থত বিভাগীয় কৰ্তৃপক্ষই ৮,৪০০ বস্তা চাউলৰ পৰিৱৰ্তে ১০,৪০০ বস্তা চাউল আছে বুলি উল্লেখ কৰিছে সেয়াও এক ডাঙৰ ৰহস্য বুলি অভিযোগ উত্থাপন কৰিছে আমছুৱে। বিগত ৩ বছৰ ধৰি কিহৰ স্বাৰ্থত বাঘমাৰা চৰ সমবায় সমিতিতএজিএম অনুষ্ঠিত হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে। এমডিএমৰ ৫০০ কুইন্টল চাউল বাঘমাৰা সমবায় সমিতিয়ে উঠোৱাৰ পাছতো কিহৰ স্বাৰ্থত আজিলৈকে বিতৰণ কৰা হোৱা নাই তাৰো তদন্ত বিচাৰিছে। প্ৰতিগৰাকী হিতাধিকাৰীৰ ৰেচন কাৰ্ডৰ বাবদ কিহৰ স্বাৰ্থত আৰু কি কামত ৫০০ টকাৰ পৰা ১,০০০ টকা সংগ্ৰহ-সমবায় সমিতিৰ কৰ্মকৰ্তাসকলে এই সকলো অভিযোগৰ তদন্ত সাপেক্ষে দুৰ্নীতিকাৰীৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে দক্ষিণ বৰপেটা জিলা আমছুৱে।

# অসম মিলেট অভিযান সফল ৰূপায়ণৰ প্ৰসংগত নগাঁৱত গুৰুত্বপূৰ্ণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুলাই ঃ** অসম চৰকাৰৰ কৃষি বিভাগৰ অন্যতম অভিলাসী আঁচনি 'অসম মিলেট অভিযান' নগাঁও জিলাত সফল ৰূপায়ণৰ প্ৰসংগত শুকুৰবাৰে বিয়লি নগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ত এখনি সভা অনুষ্ঠিত হয়। উক্ত সভাত নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, নগাঁও জিলা কৃষি বিষয়া, চিলঙনী আঞ্চলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী, কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিষয়া, সৰ্বশিক্ষা আৰু সমাজ কল্যাণ আদি বিভাগৰ বিষয়াসকলৰ লগত উক্ত আঁচনিৰ অধীনত প্ৰদৰ্শনীমূলক খেতি কৰাৰ বাবে হিতাধীকাৰীৰ বাছনি, আঁচনিখনৰ সুবিধাসমূহৰ জৰিয়তে জনসাধাৰণক উপকৃত কৰাৰ প্ৰসংগত বিস্তৃতভাৱে আলোচনা কৰা হয়।



# গছৰ ওপৰত গুটি, গুটিৰ ওপৰত গছ



সৰু কালত আমিবোৰে ইটোৱে সিটোক সাঁথৰ সোধাটো ধেমালিৰ নিচিনা আছিল। তাৰে এটা সাঁথৰ আজি তোমালোককো সোধোঁ দেই।

‘গছৰ ওপৰত গুটি
গুটিৰ ওপৰত গছ
ইনো কি নিলাজৰ সঁচ’

এই সাঁথৰটোৰ উত্তৰ তোমালোকে বহুতে হয়তো জানা। বহুতে নাজানা। ইয়াৰ উত্তৰ হৈছে আনাৰস বা মাটিকঁঠাল।

আনাৰস শব্দটোৰ উৎপত্তিৰ বিষয়ে বিশেষ জনা নাযায়। আনাৰস শব্দৰ লগত মিল থকা ‘অন্ননাস’ নামেৰে এই ফলবিধ কেইবাটাও ভাৰতীয় ভাষাত পৰিচিত।

আনাৰস হ’ল দীঘলীয়া তৰোৱালসদৃশ কাঁইটীয়া পাতেৰে আৱৰা গছ। ৩০ খিলা পৰ্যন্ত কাঁইটীয়া পাত থাকে। ৰোপণৰ পিছত ফল ধৰালৈ তিনি বছৰমান লাগে। দীঘল দীঘল পাতৰ গুৰিত ফলটোৰ অৱস্থান হয়। মূলৰ পৰা একোটা শাখা ওলাই একোটা ফলৰ জন্ম দিয়ে।

পৃথিৱীৰ প্ৰতিখন ঠাইতেই আনাৰস ফলৰ আদৰ আছে। আনাৰস উৎপাদনকাৰী দেশৰ শাৰীত পৰিছে থাইলেণ্ড, ফিলিপাইনছ, ইণ্ডোনেছিয়া, ছিলি, ব্ৰাজিল, ভাৰতবৰ্ষ, নাইজেৰিয়া, মেক্সিকো, কষ্টাৰিকা, কলম্বিয়া ইত্যাদি। এই দেশসমূহত প্ৰচুৰ পৰিমাণে আনাৰস উৎপন্ন হয় বাবেই বাণিজ্যিক ভিত্তিত দেশসমূহক সহায় কৰিছে। আনাৰসক গুণগত মানৰ পৰা সম্ভ্ৰান্ত ফলৰ আসন দিয়া হৈছে। বিভিন্ন ধৰণৰ বৈজ্ঞানিক গৱেষণাৰে এই কথা প্ৰতিপন্ন কৰিছে যে আনাৰস বহু গুণেৰে সমৃদ্ধ এবিধ ফল। বহুত বছৰৰ আগতে ধনী ইউৰোপীয়ানসকলে আনাৰসক বিলাসিতাৰ ফল বুলি মানিছিল। সেই বাবে তেওঁলোকে এই আনাৰসৰ খেতি সুকীয়াকৈ কৰিছিল। যাতে এই ফল সকলোৰে উপলব্ধ নহয়।

■ বন্দনা মহন্ত

কিন্তু যাতায়াতৰ উন্নত ব্যৱস্থাই আনাৰসক সকলোৰে উপলব্ধ কৰাত সহায় কৰিলে। ইয়াৰ মূল জন্মভূমি বহুতে ছাউথ আফ্ৰিকা বুলি কয়। বৰ্ষাকাল আৰম্ভ হোৱাৰ সময়তে এই ফল বজাৰসমূহত দেখিবলৈ পোৱা যায়। যদিও ইয়াক বৰ্ষাকালীন ফল বুলি কোৱা হয় তথাপি ই বৰ্তমান সকলো সময়তে উপলব্ধ এবিধ ফল। বিজ্ঞানীৰ দ্বাৰা আৱিষ্কৃত বিভিন্ন উন্নত মানৰ সাৰ প্ৰয়োগে ইয়াৰ উৎপাদন বহুত খৰতকীয়া কৰি তুলিছে।

যদিও আনাৰসৰ প্ৰজাতি প্ৰায় ৬ বিধ তথাপি আমি বৰ্তমান ইয়াৰ দুবিধহে সৰ্বসাধাৰণতে দেখিবলৈ পাওঁ। এবিধ ডাঙৰ আৰু আনবিধ সৰু। ডাঙৰ বিধক বিলাতী বুলি কোৱা হয়। সৰু বিধক দেশী বুলি কোৱা হয়। সাধাৰণতে ইয়াৰ সোৱাদ টেঙা-মিঠা হয়। কিছুমানত মিঠাৰ পৰিমাণ বেছি থাকে বাবে মিঠা আনাৰস বুলি কোৱা হয়। সংস্কৃত ভাষাত আনাৰসক বহুনেত্ৰ ফলম বুলি কোৱা হয়। ইংৰাজীত Pineapple বুলি কোৱা হয়। ব’টানিকেল নাম হ’ল Ananas Comosus।

অসমীয়া ভাষাত আনাৰসক বহুতে মাটিকঁঠাল বুলিয়েই কয়। ইয়াৰ আন এটা ঘৰুৱা নাম কেতেকী কঁঠাল।

সুস্বাদু আৰু সুগন্ধ ফল হিচাপে আনাৰস প্ৰায় সকলোৰে প্ৰিয়। বহুতে আনাৰসৰ ৰস উলিয়াই চৰবত কৰি খাই ভাল পায়। জাম-জেলিও আনাৰসৰ পৰা বনাই ব্যৱসায়িক ভিত্তিত বহুতে লাভৱান হৈছে। শুকানকৈ ৰাখি আনাৰস বহুত বছৰলৈকে সংৰক্ষণ কৰিব পাৰি। অৱশ্যে ৰস উলিয়াই খোৱাতকৈ গোটাকৈ চোবাই খোৱাটো বেছি স্বাস্থ্যসন্মত।

আনাৰসে ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰে। আনাৰসত থকা এণ্টিঅক্সিডেণ্ট, বিটা কেৰটিন, মেংগানিজ আদি খনিজ, ভিটামিন এ আৰু চি শৰীৰৰ বাবে বৰ উপকাৰী। মেদবহুলতা কমোৱাত আনাৰসে সহায় কৰে। চকুৰ সুৰক্ষাৰ বাবেও আনাৰস খোৱাটো জৰুৰী। ছাল আৰু চুলিৰ বাবে আনাৰস খোৱাটো প্ৰয়োজনীয়। তেজৰ সঞ্চালনত আনাৰসৰ ৰস উপকাৰী।

পাৰ্বত্য অঞ্চলত আনাৰসৰ খেতি ভাল হয়। আনাৰস গছৰ পাতৰ আঁহৰ পৰা বৰ্তমান কাপোৰো তৈয়াৰ কৰিছে।

মৰমৰ মইনাহঁত, আশাকৰো তোমালোকে আনাৰসৰ বিষয়ে কিছু কথা জানিবলৈ সক্ষম হ’লা। গৰমৰ দিনত ফলমূল খোৱাটো খুবেই জৰুৰী। আনাৰসৰ দৰে সুস্বাদু আৰু প্ৰয়োজনীয় ফল তোমালোকৰ খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰিবা বুলি আশা কৰিলো। আনাৰস খোৱা আৰু দেহ-মন সুস্থ ৰাখা।

*ফোন ঃ ৯৪৩৫৫-৩০৪৪৭*





ৰুচিৰ ৰঞ্জন গগৈ, পঞ্চম শ্ৰেণী, হলি নেম স্কুল, শিৱসাগৰ

## ছাত্ৰ-ছাত্ৰীসকল গৰমৰ বন্ধত কি কৰিলা...

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, মৰম ল’বা। আটায়ে ভালে আছা নিশ্চয়।! বৰ্তমান গ্ৰীষ্ম বন্ধ চলি আছে নহয় জানো? তোমালোকে বাৰু কি কৰিছা? ঘৰতে আছা নে? নে ক’ৰবালৈ ফুৰিবলৈ গৈছা? ঘৰতেনো কিমান সোমাই থাকিবা। অলপ ইফাল -সিফালকৈ ফুৰি আহিলে মনটোও ভালে থাকে আৰু ঠাইখনৰ বিষয়েও জ্ঞান পোৱা যায়। দেশ বা ঠাই ভ্ৰমণ শিক্ষাৰ এটা প্ৰধান অংগ। অসমীয়া মানুহৰ বাবে এই দেশ ভ্ৰমণৰ আদৰ্শ তাহানিতে মহাপুৰুষজনায়ে দেখুৱাই থৈ গৈছে। তেৰাৰ দেশ ভ্ৰমণৰ ফলত হোৱা জ্ঞানে এনে এটা বস্তু অসমীয়া জাতিক দিব যাব পাৰিছে, যিটোক লৈ অসমীয়া জাতিয়ে কেৱল গৌৰৱ কৰাই নহয়, মুক্তিৰ পথো পৰিষ্কাৰ কৰিব পাৰিছে। সেয়ে গুৰুজনাৰ আদৰ্শতে আমি ক’ব পাৰো দেশ ভ্ৰমণ শিক্ষাৰ এক অপৰিহাৰ্য অংগ। দেশ ভ্ৰমণ কৰিবলৈ টকাৰ উপৰি আমাৰ থাকিব লাগিব সচেতন চকু, সজাগ কাণ আৰু তত্ত্ব জিজ্ঞাসু মন। ইয়াৰ অবিহনে দেশ ভ্ৰমণৰ উদ্দেশ্যই পংগু হৈ যাব। দেশ ভ্ৰমণ বুলিলে দূৰ ঠাইলৈ যোৱাই নহয়, ওচৰতো চাবলগীয়া, জানিবলগীয়া বহু ঠাই, বহু বস্তু আছে। যেনে দৰং জিলাৰ পথৰুঘাট বা পাথেৰীঘাট। এই পথৰুঘাটতেই ভাৰতৰ ঐতিহাসিক কৃষক বিদ্ৰোহ হৈছিল ১৮৯৪ চনৰ ২৮ জানুৱাৰী তাৰিখে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ বিৰুদ্ধে স্থানীয় কৃষকসকলে ভূমি কৰৰ প্ৰতিবাদত এই বিদ্ৰোহ কৰিছিল, য’ত ১৪০জনকৈ কৃষকে মৃত্যুক আঁকোৱালি ল’ব লগা হৈছিল। আৰু এই মৃত হিন্দু আৰু মুছলমান লোকসকলক একেলগে সৎকাৰ কৰা হৈছিল। এনে ধৰণৰ ঠাই চাবলৈ গ’লে তোমালোকৰ দেশপ্ৰেম নিশ্চয় উদয় হ’ব। আমাৰ স্বাধীনতা আন্দোলনৰ বিষয়েও জানিব পাৰিবা। আৰু এনে বহু ঠাই আছে, যিবোৰৰ নাম হয়তো শুনিছা, যাবহে পৰা নাই। এই বন্ধৰ ভিতৰতে গৈ আহিবাচোন তোমালোকৰ অভিভাৱকসকলৰ সৈতে। লগত এখন নোটবহী আৰু কলমো লৈ যাবলৈ নাপাহৰিবা দেই। এইবোৰ নোট কৰি আনি এটা ভ্ৰমণ কাহিনী প্ৰস্তুত কৰিবা। স্কুলৰ ছাৰ-বাইদেউসকলক দেখুৱাবা। পিছে এটা কথা গৰম বহু পৰিছে। স্বাস্থ্যৰ প্ৰতিও বিশেষ নজৰ ৰাখিবা।

■ হেমা চহৰীয়া

*ফোন ঃ ৮০১১৩-৬৭৬২৯*

**মৰমৰ মইনাহঁত—**

মইনাহঁত, তোমালোক কুশলে আছানে বাৰু। গৰমৰ বন্ধটো বাৰু তোমালোকে ক’ত কেনেকৈ কটালা? বন্ধত ফুৰি বাৰু কেনে অনুভৱ হ’ল জনাবাচোন। এতিয়া গৰমৰ বন্ধ খুলিবৰে হ’ল নহয়নে? পঢ়া-শুনাবোৰ ঠিকে চলিছেনে? বন্ধত তোমালোকক শিক্ষকে কৰিবলৈ দিয়া কামবোৰ ঠিক মতে কৰি থৈছানে বাৰু? সময়ৰ কাম সদায় সময়ত কৰিবলৈ যত্ন কৰিবা দেই। তেতিয়াহে জীৱনত উন্নতি কৰিব পাৰিবা। বহুতে পিছত কৰিম বুলি কামবোৰ বা পঢ়া পেলাই থৈ দিয়ে। কিন্তু সময়ত সেইবোৰ হৈ নুঠেগৈ। সময়ত খৰধৰকৈ কৰোতে বিষয়টোৰ শুদ্ধ উত্তৰটো নোলায়গৈ বা বহু ক্ষেত্ৰত ভুল হৈ যায়। আৰু তেতিয়া নিজৰে লোকচান হয় আৰু বিচৰা ধৰণে ফল নাপায়। এতিয়াৰ পৰাই যদি তোমালোকে সময়ৰ মূল্য বুজিবলৈ চেষ্টা নকৰা তেতিয়া কিন্তু জীৱনত কেতিয়াও সফল হ’ব নোৱাৰিবা। কোনো ক্ষেত্ৰত কেতিয়াও এলেহুৱা নহ’বা। এলেহুৱা লোকে কেতিয়াও কোনো কামতে সফলতা লাভ নকৰে। আকৌ কেতিয়াও তুমি যিটো কাম নিজে কৰিব পাৰা সেই কামটো কৰিবলৈ আনক খাটনি নধৰিবা। অলপ বেয়া হ’লেও হওক কিন্তু কামটো নিজেই কৰিবা। নিজে কৰা কামৰ সফলতাৰ আনন্দই সুকীয়া। কেতিয়াবা আমি দেখা পাওঁ, তোমালোকৰ বহুতেইতো নিজৰ ইউনিফৰ্মযোৰো নিজে নিপিন্ধা। জোতাৰ ফিতা মাৰিবও নোৱৰা। ইয়াৰ কাৰণ তোমালোকে সেইবোৰ কাম নিজে নকৰাই অথবা কৰিবলৈও ইচ্ছা নকৰা। কাপোৰযোৰ পিন্ধিবলৈও মা বা দেউতাৰ ওপৰত নিৰ্ভৰ কৰা। কাৰণ তোমালোকে ভাবি লোৱা যে এইবোৰ কাম কৰি দিবলৈ মা-দেউতা আছেই। হয়নে নহয় কোৱাচোন? সেয়াও তোমালোকৰ এলাহ ভাব বা পৰনিৰ্ভৰশীল স্বভাৱৰ বাবেই হৈছে। কিন্তু এতিয়াৰ পৰা তোমালোকৰ কামবোৰ নিজে কৰিবলৈ চেষ্টা কৰিবাচোন। এনে কৰিলে তোমালোকৰ মনৰ পৰা এলাহ ভাব আঁতৰিব আৰু কামবোৰ নিজে কৰিবলৈ আগ্ৰহ ভাব বাঢ়িব।

আজিলৈ বাৰু তোমালোকক এৰিছো দেই। পুনৰ মৰম ল’বা।

তোমালোকৰ—
**ভূপেন মামা**

## ঘঁৰিয়াল অ’ ঘঁৰিয়াল

■ গায়ত্ৰী দেৱী বৰঠাকুৰ


ঘঁৰিয়াল অ’ ঘঁৰিয়াল, !কৰি আছা নেকি বাৰু তুমি খৰিয়াল? আছে নেকি বাৰু তোমাৰ এটি মৰম লগা পৰিয়াল? পৃথিৱীৰ সৰীসৃপ প্ৰাণী তুমি কি যে সুবিশাল। বান্দৰৰ কলিজা খোৱাৰ সাধুটো যে আছে, সেইটো শুনিলেই জানা তোমালৈ বৰ খং উঠে। কিয়নো কৰিছিলা বাৰু তুমি এনে বেয়া কাম? বন্ধুক ঠগিবলৈ গৈ মাটি হ’ল তোমাৰ য’ত - যিমান নাম। ভাল বন্ধু জানা ঈশ্বৰৰ উপহাৰ। কেতিয়াও পাহৰিব নালাগে আমি আনৰ উপকাৰ। বাৰু যি হ’ল হ’ল, সময়ো বাগৰি গ’ল। তোমাৰ স্বভাৱ-চৰিত্ৰও চাগে অলপ ভাল হ’ল? ঘঁৰিয়ালৰ চকুপানী ঢুকি তুমি বোলে কৰা নাটক। হ’ব নাপায় বোলে আমি কোনোদিনে অজীন-পাতক। খোজে-কাটলে তোমাক পিছে বৰ গহীন যেনেই লাগে। আনৰ কথাত পৰিয়ে তুমি অলপ দুষ্ট হৈছিলা চাগে। !মায়ে কয় তুমি বোলে বাহন গংগা দেৱীৰ। তোমাৰ আন এটা নাম বোলে কুম্ভীৰ। ক’বা নে কাহিনী আমাক পৱিত্ৰ গঙ্গা নদীৰ। কেনেকৈনো ডাঙৰ বাৰু তোমাৰ বিশাল শৰীৰ? কথাটি সুধিলোঁ তোমাক কথাৰ মাজতে। খাবলৈ খেদি নাহিবা কিন্তু খঙতে। ইমান শকত নহ’বা দেই দ’মে দ’মে খায়। জধে-মধে খালে বোলে আমাক বেমাৰেহে পায়। মাজে মাজে সময় পালে কৰিবা এটি-দুটি ব্যায়াম। চিপ্‌ছ, চক্‌লেটবোৰ ভৰাই থ’বা আনি এটা বৈয়াম। সজ আচাৰ-ব্যৱহাৰ আৰু খাদ্যইহে আমাৰ জীৱন গঢ়ে। সময়ৰ শৰ জানা সময়তেই মাৰিব লাগে। আজিৰ পৰা হ’বা তুমি সজ কামৰো গুৰিয়াল। শুনিছানে অ’ আমাৰ মৰমৰ ঘঁৰিয়াল।

*ফোন ঃ ৮৮২২৯-৪৩০৬৪*



আয়ুস্মিতা বৰঠাকুৰ, হলিচাইল্ড হায়াৰ ছেকেণ্ডাৰী স্কুল, চতুৰ্থ শ্ৰেণী

## তেজীমলা




■ ৰুচিৰ ৰঞ্জন গগৈ

এখন গাঁৱত আছিল এটি
অতিকে সৰু পৰিয়াল।
পৰিয়ালত নাছিল কাৰো
একোকে যে আহুকাল।
বাপেক গ’ল বহু দূৰলৈ
বেপাৰ কৰিবলৈ বুলি।
মাহীমাকে বুদ্ধি পাতিলে
তেজীমলাক মাৰো বুলি।
সখীৰ বিয়া খামগৈ বুলি
পাট কপোৰ ল’লে খুজি।
মাহীমাকে অঙঠা ভৰাই দিলে
শাস্তি দি তাইক মাৰিম বুলি।
ধান খুন্দাৰ ছলেৰে নিলে মাতি
তাইক ঢেঁকীশাললৈ বুলি।
থোৱাৰে হাত, মূৰ ভাঙি
মাহীমাকে পেলালে মাৰি।
তাইৰ পৰাই গছ গজিলে
জাতি লাও, জৰাটেঙাপুলি।
পদুম ফুলৰ পাহি দেখি
মনত পৰিল জীয়েকলৈ বুলি।
হাত মেলোতে ফুলে মাতিলে
মই যে তেজীমলা তোমাৰ জী।
মাহীমাকে মিছা মাতিলে যে
মোমায়েকৰ ঘৰলৈ গ’ল বুলি।
সদাগৰে মাহীমাকক দিলে শাস্তি।
ঘৰৰপৰা উলিয়াই দিলে খেদি।
সদাগৰে কাপোৰ এযোৰ পিন্ধাই
তেজীমলাক ল’লে সাবটি।
তেজীমলাই পুনৰ জীৱন ঘূৰাই পাই চৰণ চুই সেৱা কৰে পিতাদেউ বুলি।



ফুৰিব যাওঁ দেই.... ৰুচিৰ ৰঞ্জন গগৈ, শিৱসাগৰ

## বট গছ



■ বিলেশ্বৰ তালুকদাৰ

এই অঞ্চলৰ বিচাৰি পাইছোঁ
এজোপা গছ,
যি চাৰি যুগে অমৰ, বটগছ।
প্ৰতিজন প্ৰাপ্তবয়স্ক
মানুহে এচপৰা এচপৰা মাটি দি
ৰোপণ কৰিছিল বট,
ৰোপণত প্ৰতিজনৰে একমত,
নাছিল কোনো দ্বিমত।
গছজোপা এতিয়া জাতিষ্কাৰ,
চিকুণ ঠাইত গজি উঠা
গছজোপাৰ ছাঁ পৰিষ্কাৰ।
বটগছে লাভ কৰিছে যশ
সকলোকে দিয়ে আশ্বাস,
পাৰিবনে দিব জনতাক
জিৰণি ল’বলৈ শীতল ছাঁ?
পবিত্ৰ গছে আমাৰ পূৰ্ণ কৰিব
মনৰ বাঞ্ছা,
এয়াই আমাৰ ইচ্ছা।
গছৰ আশে-পাশে বেৰি
মেঘ-বিজুলী কৰি আছে গ্ৰাস,
মেঘ আঁতৰি বিজুলীৰে
দীপ্তিময় হওক চৌপাশ।
এইবোৰ চাই আমি কৰিম উল্লাস।
হে বটগছ,
হিয়া উজাৰি আৰাধনা কৰিছোঁ,
এয়া আমাৰ গছৰ প্ৰতি মৰম
ভালপোৱা, দায়িত্ব সৎ ব্যৱহাৰ,
গছেও নিশ্চয় কৃতজ্ঞতা
স্বীকাৰ কৰি কৰিব উপকাৰ।

*ফোন ঃ ৯৯৫৪২-৭৪৫০৭*

উক্তি

সপোনৰ ভগ্ন টুকুৰাবোৰ
যেতিয়া স্মৃতি হৈ চকুত ভাহে
অশ্ৰুৰ সাগৰত সাঁতুৰি-নাদুৰি নিশাবোৰ পাৰ হয় উজাগৰে।

## বৃদ্ধ পিতৃ-মাতৃক অৱহেলা নকৰিবা

■ সংগ্ৰহ ঃ নুৰুল হক

এদিনাখন এজন পুত্ৰই তেওঁৰ বৃদ্ধ পিতাকক এঠাইত ফুৰাবলৈ লৈ গ’ল আৰু ৰাতি উভতি অহাৰ সময়ত এখন ৰেষ্টুৰেণ্টত খাবলৈ সোমাল। খাই থাকোঁতে বৃদ্ধ দেউতাকে কেইবাবাৰো খাদ্যবোৰ নিজৰ কাপোৰত পেলালে। ৰেষ্টুৰেণ্টত খাই থকা আন মানুহবোৰে বুঢ়াজনৰ খাদ্য খোৱা ধৰণটো দেখি ঘৃণাতে মুখ ঘূৰাই বহিলে। কিন্তু পুতেকে একো নোকোৱাকৈ দেউতাকৰ ফালে একাগ্ৰতাৰে চাই আছিল। খোৱা শেষ হোৱাৰ পিছত কোনো ধৰণৰ লাজ নকৰাকৈ পুতেকজনে দেউতাকক ওৱাছ ৰুমলৈ লৈ গ’ল আৰু বৃদ্ধ দেউতাকৰ কাপোৰ-কানিবোৰ আৰু গাত লাগি থকা খাদ্যবোৰ ধুই চাফ-চিকুণাই দিলে। মূৰৰ চুলিবোৰ ফণিয়াই, চশমাযোৰ ভালকৈ পিন্ধাই দি বাহিৰলৈ লৈ আহিল। সকলো মানুহে বাপেক-পুতেকৰ পিনে চাই ৰ’ল। পুতেকে খোৱাৰ বিল পৰিশোধ কৰিলে আৰু বৃদ্ধ পিতাকৰ লগত বাহিৰলৈ যাবলৈ ধৰিলে। তেতিয়াই ৰেষ্টুৰেণ্টখনত কাম কৰি থকা অন্য এজন আদবয়সীয়া মানুহে পুতেকলৈ চাই মাত লগালে— ‘বাবু তুমি যে ইয়াত কিবা এৰি থৈ গ’লা, তেনেকুৱা লগা নাইনে তোমাৰ...?’ বৃদ্ধৰ পুতেকে চাৰিওপিনে এপাক ঘূৰি তেতিয়া উত্তৰ দিলে যে, নাই খুৱা মই দেখোন একো এৰি যোৱা নাই। তেতিয়া আদবয়সীয়াজনে ক’লে— ‘তুমি প্ৰতিজন সন্তানলৈ এটা শিক্ষা আৰু প্ৰতিজন পিতাকলৈ এটা আশা এৰি থৈ গ’লা ইয়াত...’



চোৱাচোন বন্ধুসকল, বেছি ভাগ উচ্চশিক্ষিত মানুহে সাধাৰণতে নিজৰ মাক-দেউতাকক লগত লৈ ওলাবলৈ বা অশিক্ষিত মাক-বাপেকক চিনাকি কৰি দিবলৈ লাজ কৰে আৰু সিহঁতে কয়, ‘কিয় যাব লাগে..? ভালকৈ খাবও নোৱৰা, তাতকৈ ঘৰতে থকাই ভাল।’ আচলতে আমি পাহৰিব নালাগে, যেতিয়া আমি সৰু আছিলো, মা-দেউতাই আমাক কোলাত লৈ ফুৰাবলৈ লৈ গৈছিল...। পৰিম বুলি কেতিয়াও কোলাৰ পৰা নমাই নিদিছিল...। যেতিয়া ভালকৈ খাব পৰা হোৱা নাছিলো তেতিয়া মায়ে নিজ হাতেৰে খুৱাই দিছিল আৰু খাওঁতে পৰিলে গালি পৰা নাছিল, তাতকৈ বহু মৰমেৰে বুজাই দিছিল যে খোৱা বস্তু পেলাব নাপায়...। !পিছত আকৌ সেই মা-দেউতাক বুঢ়া হৈ অহাৰ লগে লগে আমাৰ বোজা বুলি ভাবিব ধৰিছো...।! মা-দেউতাতো সৃষ্টিকৰ্তাৰ এক মহান দান, যাৰ ঋণ কেতিয়াও পৰিশোধ কৰিব নোৱাৰি...। সেই বাবে মাক-দেউতাক বুঢ়া হৈ অহাৰ লগে লগে অকলশৰীয়া অনুভৱ হ’বলৈ দিব নালাগে, সদায় মৰম-চেনেহেৰে আবৰি ৰাখিব লাগে...।! কাৰণ এদিনতো আমিও বুঢ়া হৈ যাম। যদি আমি মা-দেউতাক মৰম নকৰো তেন্তে আমিও হয়তো নিজৰ ল’ৰা-ছোৱালীৰ পৰা মৰম-চেনেহ কেতিয়াও আশা কৰিব নোৱাৰিম...।



ছুইটী মহন্ত, ষষ্ঠ শ্ৰেণী, ডনবস্ক’ এইচ এছ স্কুল, শোণিতপুৰ

**২৫ জুলাইত তিৱা মাথনলাই তথ্ৰা (সাহিত্য সভা)ৰ ৪২তম প্ৰতিষ্ঠা দিৱস। ১৯৮১ চনৰ ২৫ জুলাইত প্ৰতিষ্ঠা লাভ কৰিছিল তিৱা মাথনলাই তথ্ৰাই। প্ৰতিষ্টা দিৱসৰ সৈতে সংগতি ৰাখি এই আয়োজন**

# আধা লিখা এপৃষ্ঠাৰ মাজত

( ৰাষ্ট্ৰীয় যুৱ বঁটাপ্ৰাপ্ত শ্বহীদ সাংবাদিক মাণিক দেউৰীৰ স্মৃতিত)

■ ভৱপ্ৰসাদ দেউৰী

তুমি
শূন্যতাৰ এক উপলব্ধি

অথচ নিস্পৃহ বাংময় অভিব্যক্তি
আশাৰ উদ্বিগ্নতা পোৱাৰ আনন্দ

আপাততঃ হেৰোৱা বিষাদৰ এক সংকেত মাথোঁ

তুমি অনুভূতিৰ অ জগতখনৰ আস্বাদ
স্তিমিত হৈ নোযোৱা এটি প্ৰতিভা
অৱদমিত হ'ব নোখোজা এটি নাম

কাৰোবাৰ বাবে উদ্বিগ্নতাৰ যন্ত্ৰণা অনুভৱৰ স্বাদ
কাৰোৱাৰ বাবে জীয়াই থকাৰ অফুৰন্ত কৰ্মপ্ৰেৰণা
কিজানি

সৃষ্টিশীল হাতৰ স্পৰ্শৰ আশাত আধাতে মৰহি যোৱা
আধা লিখা এপৃষ্ঠাৰ মাজত সেই অস্তিত্বৰ উপলব্ধি

এক নিৰংকুশ সৃষ্টিময় দুৰন্ত জীৱনৰ
ক্লান্তিহীন সৃষ্টিৰাজি
বৰঞ্চ

এক বিশাল সাগৰৰ তটৰ পৰা শামুকৰ খোলা বুটলি
কোনোবাজনে হয়তো তাতে সাৰ্থকতা পায়
কোনোবাজনে সেই খোলা লৈ বিনাশৰদে
কিবা এটা পোৱাৰ আৱেগত বিহ্বল হৈ পৰে

এনেকৈয়ে হেৰোৱা পথৰ কোনোবা পথিকে
হেৰোৱা মাণিকৰ সন্ধান দিয়ে
এৰি অহা কৰ্মোললব্ধিৰে
স্বয়ং

ফোন : ৭০২১৪১৩৯০

# বৰমাৰ্জঙৰ চামাদিত বহি আছোঁ

■ মুংচা জনাৰ্দন পাটৰ মছৰং

বৰমাৰ্জঙৰ চামাদিত বহি আছোঁ।
ৰিব ৰিব বতাহ বলি আছে।
চামাদিৰ মূধচৰ ওলমা খেৰবোৰ বতাহত হালিজালি নাচিছে।
পাহাৰৰ নামনিত জুম খেতি কৰি ঘৰমুৱা হৈছে খাই তাদাই হঁত।
ৰিণিকি ৰিণিকি ভাহি আহিছে মুখত নিগৰিত চগ্ৰা কীত।
এতিয়া ফাগুন মাহ।
বসন্তকালীন উৎসৱ চগ্ৰা ফুজাৰ বতৰ।
তাৰেই যেন আখৰা চগ্ৰাৰ গীতৰ।

আমচাই পিনুঙত চগ্ৰা হ'ব।
খ্ৰাম পাংচিৰ তালত পান্ঠাইহঁতে নাচিব,
মূৰৰ পাগুৰিত খুমখাড়ি গুজি।

সকলোৱে আহিব।
এপাক লৈ যাবহি বৰমাৰ্জং আৰু আমচাই পিনুঙৰ বতৰা।
কেনে আছে বুকুৰ কুটুম আজ আবি, আচি, আনি, খাই পাই আৰু নানাওহঁত।

বৰমাৰ্জঙৰ চামাদিত বহি আছোঁ।
নাই কোনো যান্ত্ৰিকতা।
আছে মাথোঁ শান্তিৰ নিৰ্মল বতাহ।
দূৰৈৰ ন বাৰত মাকে সন্তানকেইতাক চিঞৰি মাতিছে
'ফৰ হংড চালাং চালাং ফৈ'।
প্ৰচন্দ বেগেৰে লাংৰা ফালি প্ৰৱেশ কৰিছে সিহঁতকেইটাই।
এৰা, ফৰ হংড। আমিও উভটিছোঁ।
আকৌ আহিম চগ্ৰালৈ বাট বুলি।
আমচাই পিনুঙলৈ বুলি।
পিনুং ক্ৰাই বৰমাৰ্জঙলৈ বুলি।

শব্দাৰ্থঃ
বৰমাৰ্জং- কাৰ্বি আংলঙৰ এখনি তিৱা গাঁও, চামাদি- ডেকাচাং, চগ্ৰা- বসন্তকালীন উৎসৱ, খ্ৰাম- ঢোল, পাংচী- বাঁহী, পান্ঠাই - ডেকা ল'ৰা, লাংৰা- পৰম্পৰাগত বিশেষ নঙলা।

# দেশখন বচাব লাগিব

■ ড° বিদ্যুৎ বিকাশ সেনাপতি



কিলিং কপিলী বৰাপানীত বান উঠিছে
কলঙো বাগৰিছে
মণিপুৰৰ পাহাৰো খহিছে-
জাহ গৈছে অ' মোৰ মানুহবোৰ
জাহ গৈছে-

তাতে আকৌ পেট কপটীয়াই
আমাৰ মাটিতে ৰাজধানীখন পাতি
আমাক নিঃশেষ কৰিবলৈ
হাতে-কামে লাগিছে

বলি বিচাৰিছে চাগে দেওশাল বাবাই
চাৰিভাই চাৰিকৰা বদলমাজি ফা মাহাদেৱে
সেই তেতিয়া বলি লৈছিল যে
ফিৰিঙিকেইটা যে বলি হৈছিল –

এতিয়াও চাৰিভাই চাৰিকৰা বদলমাজি ফা মাহাদেৱে
বলি বিচাৰিছে চাগে অ'ই
এতিয়া হয়তু বলি নহ'ব কোনো ফিৰিঙি।
আমাক শতৰু ভবা
দেশৰে শতৰু কোনোবা বলি হ'ব চাগৈ অ'ই-
বলি বিচাৰিছে চাগে দেওশাল বাবাই
চাৰিভাই চাৰিকৰা বদলমাজি ফা মাহাদেৱে

লৰ দলৈ চাংদলৈ চাংমাজি হাতাৰি জেলাগাবি
ভালদৰে পূজা কৰি থাকিবি
মোৰ মানুহবোৰ
তহঁতেও পৱিত্ৰ হৈ থাকিবি
ফুজাচালত সোমাব লাগিব-
দেওৰজা, সেনাপতি, সৈন্যসকল
তহঁতো সাজু হ
মোৰ মানুহবোৰক ৰাখিব লাগিব
দেশখন বচাব লাগিব-
আগৰ নিচিনা ফিৰিঙিক এৰি দিলে নহ'ব
এইবাৰ দেশখন সঁচাকৈয়ে ৰাখিব লাগিব ।।

# জোনবিলৰ বিষাদ গাথা

■ শৰৎ পাটৰ

জোনবিল তই প্ৰাণৰো প্ৰাণৰ
অতিকে আপোন অতি হেঁপাহৰ,
আমাৰ হিয়াৰ মণি।
জোনবিল তই অসমীয়াৰ ঐতিহ্য
তিৱা জাতিৰ মান স্বাভিমান,
তোৰ সাতামপুৰুষীয়া পৰম্পৰা,
আজিও উজলি আছে
বিশাল ধৰাৰ বুকুত।
পিছে জোনবিল তোৰ ভৱিষ্যতৰ কথা ভাবিলে
হঠাতে বুকুত বিষে খামুচি ধৰে
চাচোন চা..........
'স্ফটিক যেন জলাধাৰত জিলিকি থকা তোৰ বুকুখন
আজি কেনেকৈ সংকুচিত হৈ আহিছে
কেনেকৈ তৰাং হৈ আহিছে তোৰ বুকু
কোনে খান্দি গভীৰ কৰিব তোৰ বিশাল বুকু
গোভা ৰজা আছে যদিও নাই ক্ষমতা
উদৰী ৰজা আছে যদিও আজি বহতীয়া
গণতন্ত্ৰৰ ধ্বজাবাহক ৰজাসকলৰ
নাই আজি সদিচ্ছা
সুহৃদয়তাৰে তোৰ কথা এপলক ভাবিবলৈ
কাৰো যে নাই আহৰি
চৌপাশে দেখো কেৱল শঠতাৰে মিতিৰালি।
বৰঘৰত থকা সম্পদবোৰত
এতিয়া মামৰে ধৰিছে
জহি খহি গৈছে ৰাজভৱন
ভয় হয় চৌধ্যশ শতিকাৰে প্ৰসিদ্ধ
সাতামপুৰুষীয়া তোৰ ঐতিহ্য হেৰাই যাব বুলি।
ভয় হয় শতৰু হানি দুষ্টজনে খহাই নিব নেকি
বিনিময়ৰ পৰম্পৰাৰে উজলি থকা
তোৰ সমন্বয়ৰ বেহানি হাট।
পিছে ভয় নকৰিবি
এতিয়া ৰাইজেই ৰজা
আগপাছ শুনি, সমন্বয়ৰ কামান সাজু কৰি
সৌৱা খৰলা পান্ঠাইহঁতে আগুৱাইছে
আগুৱাইছে অগণন জনতা
বান্ধি ল বান্ধি ল তোৰ বুকুত মন আৰু সাহস
সুঠাম বাহুত বল
ৰাখিব লাগিব তোৰ ঐতিহ্যৰ মান
গৌৰৱময় সংস্কৃতিৰ কান্ঠিচুৰি বাহক
জোনবিলৰ প্ৰাণ
হেবেল' চ্যিঙে মান।।

# তোমাক কৈছোঁ

■ অসীম পল খৰাই

সম্পৰ্কবোৰ এনেকৈ গাপ দিব পাৰি জানো
অনুভৱবিহীনতো নাছিল সময়বোৰ

আচলতে তুমি ভয় কৰিছিলা
বাস্তৱৰ চকুত চকু থ'ব
সেইয়ে হয়তো বদনাম দিলা অভিমানক

অভিমানী ৰূপ ল'লে বৰ সহজ হৈ পৰে চাগে ন
কাৰোবাৰ বুকু তেজৰেই ৰাঙলী হওক
কিম্বা আত্মাৰ আৰ্তনাদেই হওক

মনত পৰিলেই জয়াল-জয়াল লাগে
ইমান নিষ্ঠুৰ হ'ব পাৰিলা কেনেকৈ

বুজাই দিবা নেকি
এখন হৃদয় সলনি কৰে কেনেকৈ
এটাৰ পাছত এটা বোজা কান্ধত তুলি
সুখ অনুভৱ কৰে কেনেকৈ

ঐ নিমাত কিয়
চোৰাচোন এবাৰ ঘূৰি

উফ ইমান অভিমান

নাই নহয়
এয়া অভিমান নহয়
নহয় অভিমান তোমাৰ, উহো

আচলতে তুমি ভয় কৰা
বাস্তৱৰ চকুত চকু থ'ব
সেইয়ে হয়তো বাৰে বাৰে
বদনাম কৰা অভিমানক

বুজিবা চাগে এদিন
যিদিনাখন মোৰ উশাহ-মোৰ তেজ ভাগৰিব
যিদিনাখন তোমাৰ অভিমান নাথাকিব

কৰা কৰা যিমান পাৰা বদনাম কৰা
অভিমানক বদনাম কৰোঁতেই
তুমি সুখ যদি পোৱা
ময়ো সুখী - বহুত সুখী

# জোনবিল

■ মুংচাজ দীপালী আমফি

লালিলাং গীত গাই গাই
লালসিং মাচলাই
পাহাৰৰ পৰা নামি আহিছে
কচু, বাঁহগাজ কঢ়িয়াই।
পান্ঠাই, খৰলা জাকে জাকে আহিছে
জোনবিল মেলালৈ
লালিলাং গীতৰ লানি নিছিগা সুৰ
ওঁঠৰ পৰা বাগৰিছে ওঁঠলৈ।
বিলৰ পাৰত মেলা বহিছে।
ৰ'দে পৰা দুপৰীয়া,
হাতে হাতে পল জাল লৈ বিলত
ব্যস্ত মাছমৰীয়া।
মেলালৈ গোভা ৰজা আহিব
ৰাজদান হিচাপে মাছ সংগ্ৰহ কৰিব।
এই মেলাতে বিনিময় প্ৰথাৰে
বয়বস্তু হয় সাল সলনি,
ৰজাদিনীয়া প্ৰথা ই আওপুৰণি,
পাহাৰ-ভৈয়ামৰ এক মিলনভূমি।
লালিলাং গীত গাই গাই
লালসিং মাচলায়ে
ভৈয়ামৰ লোকৰ সৈতে
বিনিময় কৰিব কচু, চামচুৰি,
পাহাৰলৈ লৈ যাব পিঠা-পনা, ঙা-চোনা,
সান্দহৰ গুড়ি।
এই পিঠা-পনা দেৱ-দেৱীলৈ আগবঢ়াই
কৰিব উপাসনা স্তুতি,
লালিলাং গীত গাই গাই
খৰলা পান্ঠাইয়ে
এনেদৰেই কৰিব
বিহুৰ প্ৰাৰম্ভিক প্ৰস্তুতি।

শব্দাৰ্থঃ
পান্ঠাই- যুৱক, খৰলা- গাভৰু, ঙা চোনা- শুকান মাছৰ মোনা।

# লাংখন মিচানা ফৈ

■ প্ৰমোদ চাগ্ৰা

ফৈ ফৈ লখৈ
লাংখন থুলিনা ফৈ
তিৱা চ্যাতে নেম্ গ
হাজে অচং ফৈ

ফৈ ফৈ লখৈ
লাংখন মিচানা ফৈ
চ্যাছি তঙা তিৱা ৰাও
খাদুই মুনদুই ফৈ

ফৈ ফৈ লখৈ
চাপে নাঙে ফৈ
তিৱা ছ্যাতে নেম্ গ
কুমুন অচং ফৈ।

(কবিতাটোত তিৱাসকলৰ লাংখন উৎসৱলৈ সকলোকে আমন্ত্ৰণ জনোৱা হৈছে)

# আৰ্চী

■ প্ৰাচুৰ্য্য ডেকাৰজা

তুমিটো 'লাম্ কমাৰা মুনুচ' নহয়।
হৃদয়ৰ যন্ত্ৰনাত ছট্‌ফটাই থাকিবলৈ।

অহৰহ বিষাদগ্ৰস্ততাত জীৱনটোক
নিঃসংগ আৰু চিৰদুখী কৰি তুলিবলৈ

অস্থিৰ হৈ থকা তোমাৰ মনটিক
সুবিশাল লুইতৰ বোৱঁতী পানীৰ দৰে
ক্ৰমশঃ আগুৱাই লৈ যোৱা
দেখিবা এই জগতৰ সকলো বস্তুৱেই ৰঙীন।

উঃ আৰ নাগ্ ইন্দা বুজাই থা্না ?

প্ৰেয়সীৰ লগত কেতিয়াবা নিজানত বহিছানে?
যদি বহিছা
তেন্তে তোমাক জানো
কোৱাৰ প্ৰয়োজন আছে?

'প্ৰেমত পৰা পুৰুষতকৈ
প্ৰেমত পৰা নাৰী অধিক উন্মাদ...'

ভাবিছা কিজানি...
মই এজন 'চোৰামনি'
ওঁহো
হোৱা হ'লে আনক ব্যৰ্থা নিদি
সুখৰ ৰাজমহলত উমলি থাকিলোহেঁতেন।

তুমি জানানে...
মই এক 'বাৰ'কৰেয়া'
তথাপিও সপোন দেখো
আকাংক্ষিত লক্ষ্যত উপনীত হোৱাৰ।

সেয়েহে সময়ক 'থমন্' হ'বলৈ নিদিবা
জীৱনটো উদ্‌যাপন কৰাৰ অজুহাতত
অবিৰত যাত্ৰাৰে সন্মুখলৈ গতি কৰা।।

'লাম্ কমাৰা মুনুচ' - লক্ষ্যভ্ৰস্ত পথিক।

উঃ আৰ নাগ্ ইন্দা বুজাই থা্না -
উঃ আৰু তোমাক কি বুজাম ।

বাৰ্ককৰেয়া - যাযাবৰ
থমন্ - স্থবিৰ
প্ৰেমিক -চোৰামনি
'থমন্' - স্থবিৰ ।



# তেজ দিম মাটি নিদিওঁ

■ বাদল মুনি

ক'ত আছা হেৰা
'কদাল ছংলা'............
বুৰঞ্জীয়ে গৰকা
সোণালী স্মৃতিৰ
জোঙালৰ দেশত
কালিকা লাগিছে আজি,
ইতিহাস প্ৰসিদ্ধ
সোণেৰে খোদিত
গৌৰৱময় শিলাত
পৰিছে শতৰুৰ শেন চকু-দৃষ্টি।

ৰাজ্য হেৰুৱালে
ক্ষমতাও হেৰুৱালে
হেৰুৱাইছে কৃষ্টি-সংস্কৃতি
জোঙালৰ আজিৰ পো-নাতি,
মাটি হেৰুৱাব
ভেটিও হেৰোৱাব
হেৰাব 'ভাষা জননী'
শতৰুৰ পিঞ্জৰাত পৰি।

বৰ নে নৰৱ
ইতিহাসৰ পাতত
সোণালী আখৰৰ
বীৰ বলহুৰ সেই অমৰ গাথা,
বহিঃ শতৰুৱে
ছিৰাছিৰ কৰি
ফালিব ধৰিছে
আমাৰেই মাজৰে পৰা।

সাৱধান হেৰ'
'কদাল ছংলা'..........
মাটি থাকিলেহে
জাতি থাকিব
জাতি থাকিলেহে
জাতীয় স্বাভিমান বাচিব,
জাতিৰেই অস্তিত্ব
যদিহে নাথাকে
তোৰ অতীত গৌৰৱ
কিমান দিন টিকিব।

তোৰ ভীৰুতাত
অশনি শতৰুৱে
তিঘিল ঘিলাই
সাহস পাইছে আজি,
জোঙালৰ সেই
দেওলগা 'লাংখুই'
তিৰবিৰাই আছে
শতৰুৰ হাতত পৰি।

তয়েই আজি
আঁজুৰিব লাগিব
তোৰ ককাৰ সেই
সন্মানৰ 'পৰমানা লাংখুই'খনি,
সাহসেৰে তই
যুঁজিবই লাগিব
সেই 'লাংখুই'ৰৈই
'তেজ দিম মাটি নিদিও' বুলি।।

# 'জোঙাল বলহুৰ কথাৰে'

■ মিৰাপাটৰ মান্তা

সুকোমলা কুঁৱৰী অ ৰণশিঙা বাজিছে
ভাতে ৰান্ধি দিয়া খাওঁ,
ৰণলৈ যাবলৈ ওলাইছোঁ
তোৰে হাতে এগৰাহ খাই।
সুকোমলা মোৰ প্ৰাণেশ্বৰী
যতনাই দিয়া মোক ভাতৰে থাল,
ৰণলৈ যাওঁ মই
তোৰে হাতে এগৰাহ খাই।
সুকোমলা মোৰ প্ৰাণেশ্বৰী অ'
কিনো তই মোৰ
প্ৰাণৰে ঘাতক হ'লি,
ৰণলৈ যাবলৈ ওলাওঁতে শিলকে ৰান্ধিলি
মাছৰ পেটত লুকুৱাই ঘৰলৈ পঠিয়ালি লাংখুই।
কোনটো জনমৰ তইয়ে মোৰ
বুকুৰ আপোন আছিলি
অ' মোৰ প্ৰাণৰ সুকোমলা,
ইজনমত পত্নী ৰূপী শতৰু হ'লি।
মনে চেবাইছে শেষ দিন আহিছে হ'বলা
খালী পেটে ৰণলৈ যাওঁ।
মই ধৰা বৰালি মাছ হেৰ'
কান্ধত লৈ চোঁচৰাই আনোতে
হৈছিল যি নৈ
যাথিৰে খুঁচিলে এনেহেন নৈতে
শহুৰৰ বঙহৰে।
আই মোৰ খলাৰে ৰাণী
জন্মদাত্ৰী, গৰীয়সী
জপাতে কিয়নো কথাবোৰ সামৰি ৰাখিলি,
পিতৃহত্যাৰ সন্তাপত দগ্ধ আজি মই।
ত্যাগিলোঁ সৰ্বস্ব
ক্ষেমিবা দোষ মোৰ হে পিতৃদেৱ।

ফোন : ৬০০২২১৭৬১৬

# উমচ্যোৱাইৰ জীয়া ছবি

■ পম্পী মনি দেউৰী

বতাহৰ সুহুৰিত প্ৰাণ পাই উঠা ৰম্ফম মাখা
খদংচ্যাৰ লয়লাসত
নুনাই খৰলেৰা কীত জুৰে
চেংগাইৰ মায়াসনা কণ্ঠত
চঞ্চলা জুৰিটিয়ে
খৰলা পাণ্ঠাইৰ অন্তৰত প্ৰেমৰ
বৰষা নিগৰাই
"চ্যনা ৰূফা নাঙিয়া
চুম্নি আঙা
নে চটে মৰম
নাং আঙা"
আঁৰ খেতিত সজল ধৰে
হেদাৰি ওলোৱাৰ বেলিকা মাৰ্জং ক্ৰাইদি
পলুৱাই অনা লচ্‌পচীয়া য়াংলিজনী....
আবিয়ে কৈ যায়
সাধু সাধু যেন লগা কথাবোৰ
লাংৰাৰ কাযত থকা ফাং জোপি
ফুলে-ফলে জাতিষ্কাৰ হোৱাৰ পৰা
উকা হৈ পৰালৈকে কোৱা কাহিনী....
আম্‌চাইৰ নিজম পৰি ৰোৱা
চামাদিৰ বাকৰিত
পুনৰ খ্ৰামৰ গুম্‌গুমনি
পাংচিৰ মাতত জী উঠা
আম্‌চাই, ৰম্ফম, মাৰ্জং লিবিংবাসীৰ
জীয়া কাহিনী.....

(ৰম্ফম-পশ্চিম কাৰ্বি আংলঙৰ এখন গাঁৱৰ নাম, মাখা-পাহাৰ, খদংচ্যা-সেউজীয়া, নুনাই খৰলেৰা কীত-কেঁচুৰা নিচুকোৱা গীত, চেংগাই-এবিধ পৰুৱা, খৰলা-ছোৱালী, পাণ্ঠাই-ল'ৰা, ক্ৰাই-গাঁও, ফাং-গছ, চামাদি-ডেকাচাং, খ্ৰাম-ঢোল, পাংচি-বাঁহী, লিবিং-মানুহ)

ফোন : ৯১০১৯৭৭৬৯৮

# মোৰ সহোদৰৰ বাবে এটোপাল চকুপানী

■ মৈত্ৰেয়ী পাটৰ

ধৰি ল'লোঁ,
দেশ এৰি গুচি যাব অৰণ্যৰ সকলো পক্ষী
আৰু কাহানিও নেদেখিম পাহাৰবোৰ
নুশুনিম কাৰোবাৰ কলিজাত মাৰ যোৱা
অচিনা বিৰিখ কঁপোৱা ভীমৰাজৰ ৰোদন



ধৰি ল'লোঁ, পানীৰ পৰা উঠি অহা মোৰ সহোদৰে
এদিন পাহৰি যাব তাৰ শৰীৰৰ শিপা
পাহাৰৰ চূড়াৰ শিলত লিখি থোৱা
পানীৰ সকলো সাধুকথা

পক্ষীবোৰ, যি আছিল মোৰ সহোদৰৰ চকু, গুচি যাব
পাহাৰবোৰ, যি আছিল মোৰ সহোদৰৰ বুকু, খহি যাব
অৰণ্য, যি আছিল মোৰ সহোদৰৰ শিপা, পুৰি যাব
আৰু শিলবোৰ, যি আছিল মোৰ সহোদৰৰ ইতিহাস, দালান হ'ব

এদিন মোৰ সহোদৰৰ স্মৃতিৰ পৰা মচ খাই যাব
যাত্ৰাৰ সমস্ত যাতনা
মোৰ সহোদৰে পাহৰি পেলাব এই মাটি,
মাটিয়ে দিয়া সকলো শব্দ, চকুপানী,
বিৰাগ আৰু ভালপোৱা

ধৰি ল'লোঁ, এই মাটিতে এদিন
এই অৰণ্য, এই পাহাৰ, এই পক্ষীৰ ৰোদন,
এই শিল আৰু পানীৰ সাধুকথা সামৰি
চহৰখনে সজাই তুলিব এটা আটকধুনীয়া মিউজিয়াম
আৰু আকাশলৈ মেলি দিব তাৰ
সপোনৰ সাতোৰঙী বেপাৰ

পানীৰ পৰা উঠি অহা মোৰ সহোদৰৰ বাবে সেইদিনা
তোমালোকে টুকিবা নে এটোপাল চকুপানী?


# পাহাৰৰ আবেলি

■ ৰঞ্জিৎ নাৰায়ণ পাটৰ

উইই. . . . . উইইই..

থুনুককে ভাঙি যোৱা উকি এটা পাহাৰৰ টিঙৰ পৰা নামি আহিছে,
আহিয়েই সি হামখুৰি খাই পৰিছেহি আলিবাটৰ পাৰৰ পানী-যুৱলিত।
দুয়োটা পাহাৰকে ঢাপ কাটি ভাগ কৰা যেন দ' খাৰৈটো পাৰৰ সেই লুং লুঙীয়া আলিবাটটো ।
ওপৰৰ পৰা মিহি পিঠিৰ শিলচতাৰে বৈ আছে পানীৰ দীঘলীয়া শাৰীটো..
যেন তেল টেঙা দি ফিৰফিৰীয়া কৰা কোনোবা খৰলাৰ চুলিখিনিহে..
পাহাৰৰ সিটো টিঙৰ মাৰোটো পৰা এনে দেখি যেন টোকোৰা এটাই ঠোঁটত কঁহুৱা এডাল লৈ ৰৈ আছে ।

শিশুবোৰে টিলুংটোৰ পৰা উভতাৰ পৰত শালগছৰ পাতত আবেলি বেলিৰ ঔফুলীয়া হাঁহিটো জিৰাইছেহি ..
আৰু তাতে লগ দিছেহি আঁৰৰ পৰা আহি থকা আবু-আচি-পাউজীহঁতৰ ধেমেলীয়া হাঁহিবোৰে,
থিয় গৰা খামুচি কিৰিলিয়াই পাৰ হৈছে পাণ্ঠাই হাদাৰি দলটো..
দ্ৰোং.. দ্ৰো.. দ্ৰো..
ক্ৰাই মাজৰ চামাদিৰ খ্ৰামৰ মাতে খুন্দিয়াইছেহি লাংৰা পাৰ হৈ ন'বাৰৰ দোৱাৰত ।
যদিওবা টিঙে টিঙে খুন্দা খাই থুনুকা থুনুকে ভাঙে,
উকিবোৰ কিন্তু পাহাৰতে ৰৈ যায় ।
পাহাৰৰ কথাবোৰ পাহাৰত ৰৈ যায়,
শিলে কয়, গছে শুনে।
তেনেকৈয়ে উত্তৰপুৰুষলৈ বুলি পাহাৰৰ কথাবোৰ পাহাৰতে ৰৈ যায় ।
বুকুত গুজি সুমুৱাই লয় তাক,
যিটো বেলি অকল পাহাৰৰ ..



# আলাপ

■ ড° ধীৰাজ পাটৰ

সুখবোৰ একো পাহ ঢেঁকীয়া শাক
দুখবোৰ একো পাহ নিলাজী বন

গৰখীয়া পান্থাইটোৰ পাংচিত শিমলু ফুলাৰ ৰাগী
কুণ্ডলি পকাই পকাই আখলঘৰৰ পৰা
ওলাই আহে ধোঁৱা
যি ধোঁৱাই আৱৰিব নোৱাৰে আকাশ
যি ধোঁৱাই কেৱল মাথোঁ ক'ব পাৰে
নিচলাৰ বিষাদ গাথা

গাঁৱৰ তিনিআলিৰ গুমটি দোকানৰ জাপত
সাৰ পায় কৃষক

এৰা
আকাশখন গোমা হৈছে
মনবোৰ ৰিঙা ৰিঙা হৈছে
ৰঙিলী বা ক'ত আছে..?
কলং তৰাং
তৰাং কিলিং

সোণাইকুছিৰ পাদদেশত জখলা বগাই নামি আহে
সীতা

শব্দাৰ্থ
পান্থাই....... ডেকা, পাংচী...... বাঁহী
সোণাইকুছি...... এটি পাহাৰ যিটো পাহাৰৰ নামনিত সীতাজখলা নামে এখন শিলৰ খটখটি আছে...

# শিৱসাগৰৰ মেটেকা ব্ৰাহ্মণ গাঁৱৰ শতবৰ্ষত ভৰি দিয়া স্বাধীনতা সংগ্ৰামী গোপাল বৰপূজাৰীক সম্বৰ্ধনা জিলা ব্ৰাহ্মণ সমাজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২৩ জুলাই ঃ** মেটেকা মাজগাঁৱ ব্ৰাহ্মণ সমাজৰ উদ্যোগত বৰ্ষীয়ান মুক্তি যুঁজাৰু গোপাল বৰপূজাৰীক তেওঁৰ বাসগৃহতে অনুষ্ঠিত কৰা এক অভিনন্দন অনুষ্ঠানত মুক্তি যুঁজাৰু গৰাকীক সম্বৰ্ধনা জনাই শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ পৰা। তদুপৰি ১নং কুৰুলাকটীয়া আত্মসহায়ক মহিলা গোটৰ পৰাও বিশেষ ভাবে সম্বৰ্ধনা জ্ঞাপন কৰে মুক্তি যুঁজাৰু গৰাকীক। জিলা ব্ৰাহ্মণ সমাজৰ উপদেষ্টা জগত বৰঠাকুৰে আঁত ধৰি বৰ্ষীয়াণ মুক্তি যুঁজাৰু গৰাকীৰ সামাজিক জীৱনৰ চমু আলোকপাত আগবঢ়াই সমাজৰ ক্ষেত্ৰত থকা অৱদানৰ কথা প্ৰকাশ কৰে। মেটেকা মাজগাঁৱৰ ভাওনা শিল্পী , বায়ন নিৰঞ্জন গগৈ , বায়ন পূৰ্ণ বৰঠাকুৰ , হেম বৰঠাকুৰ , দীপক বৰঠাকুৰ ,দুদু বৰঠাকুৰ, কুজিবালিৰ ভুলু বৰঠাকুৰ , শিৱসাগৰৰ বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী মুক্তি যুঁজাৰু গৰাকীৰ নাতি মাধৱ বৰঠাকুৰকে আদি কৰি প্ৰায় অৰ্ধশতাধিক ব্যক্তিয়ে আহি অভিনন্দন জনাই মুক্তি যুঁজাৰু গোপাল বৰপূজাৰীক। তদুপৰি নেতাগৰাকীৰ সমূহ পৰিয়াল বৰ্গৰ উপস্থিতিত অনুষ্ঠিত এই অভিনন্দন অনুষ্ঠানত জেষ্ঠ পৰিয়ালৰ হৈ সকলোকে সম্ভাষণ জনাই উপেন বৰপূজাৰী, দুলু পূজাৰীয়ে। কুৰুলাকটীয়া খণ্ডৰ হৈ অনিল বৰঠাকুৰ আৰু উপেন বৰঠাকুৰ উপস্থিত থাকি অভিনন্দন জ্ঞাপন কৰে স্বাধীনতা সংগ্ৰামী গোপাল বৰপূজাৰীক। লাৱণ্য বৰঠাকুৰ, জয়া বৰঠাকুৰ, নমিতা বৰঠাকুৰ, অৱন্তী বৰঠাকুৰ, কল্পনা আচাৰ্য, ভাকু পূজাৰী, ৰিজুমণি পূজাৰী, সাবিত্ৰী পূজাৰী, তুলুমণি পূজাৰীয়ে, কুৰুলাকটীয়া মহিলা আত্মসহায়ক গোটৰ হৈ অভিনন্দন জ্ঞাপন কৰি আশীৰ্বাদ লয় মুক্তি যুঁজাৰুগৰাকীৰ পৰা। শিৱসাগৰ জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি উপেন বৰঠাকুৰ, কাৰ্যকৰী সভাপতি জয়ন্ত বৰঠাকুৰৰ লগতে সাধাৰণ সম্পাদক অৱনী গোস্বামীয়ে অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি আশীৰ্বাদ গ্ৰহণ কৰে স্বাধীনতা সংগ্ৰামী নেতাগৰাকীৰ পৰা। উল্লেখ্য যে এই অভিনন্দন অনুষ্ঠানৰ কেইটামান দিনৰ পূৰ্বে এশ বছৰত ভৰি দিয়া দিনটোতে শিৱসাগৰ জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে মুক্তি যুঁজাৰু গোপাল বৰপূজাৰীক গামোচা, চেলেং সঁফুৰা আদিৰে সম্বৰ্ধনা জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে।



# চিৰাঙৰ গয়বাৰীত বড়ো সাহিত্য সভাৰ স্মৃতি স্তম্ভৰ নৱনিৰ্মিত দুৱাৰ উদ্বোধন ঃ থুনলাই আড্ডা

**দৈনন্দিন বাৰ্তাৰ সেৱা,বাসুগাঁও, ২৩ জুলাই ঃ** বড়ো সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষ ২০০২ বৰ্ষৰ ১৯, ২০, ২১, ২২ আৰু ২৩ ফেব্ৰুৱাৰীত পাঁচদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে গয়বাৰী জৌহৌলাও শ্বৌম্বলা ফৌথাৰত অনুষ্ঠিত হয়। চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী ঠাইত অনুষ্ঠিত অধিৱেশনৰ লগত সংগতি ৰাখি বড়ো সাহিত্য সভাৰ স্মৃতিস্তম্ভসম্বলিত প্ৰতীক চিহ্ন স্থাপন কৰা হয়। স্মৃতিস্তম্ভৰ চাৰিওফালে নতুনকৈ পকী ৱাল আৰু তোৰণ (দুৱাৰ)আটকধুনীয়াকৈ নিৰ্মাণ কৰা হয়। উক্ত স্মৃতি স্তম্ভৰ দুৱাৰটি শুভ উদ্বোধন কৰা হয়। ফিটা কাটি শুভ উদ্বোধন কৰে বিটিচিৰ বন আৰু ৰেভিনিউ বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে। তেওঁ উদ্বোধন কৰি বড়ো জাতিৰ উৎকৰ্ষ সাধনত বড়ো সাহিত্য সভাৰ অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰি ভৱিষ্যতে সকলো প্ৰকাৰৰ সহযোগিতাৰ আশ্বাস দিয়ে। ইয়াৰ অন্তত থুনলাই আড্ডা অনুষ্ঠিত হয়। ৰাজা দেৱজিৎ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠান উদ্বোধন কৰে শিশু সাহিত্যৰ ওপৰত সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত লক্ষ্মীনাথ ব্ৰহ্মই। তেওঁ এটি স্বৰচিত কবিতা পাঠ কৰে। অনুষ্ঠানটিত বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়েও উপস্থিত সকলোৰে মনোগ্ৰাহীকৈ কবিতা পাঠ কৰে। ৩১নং চিদলী (জনজাতি) সংৰক্ষিত সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী উপস্থিত থাকি বড়ো জনগোষ্ঠীৰ ভাষা-সাহিত্য উৎকৰ্ষ সাধনত বড়ো সাহিত্য সভা নেৰানেপেৰাকৈ লাগি থকা কাৰ্যক তেওঁ শলাগ লৈ কিছু পৰামৰ্শ আগবঢ়ায়। বড়ো সাহিত্য সভাৰ উপ-সভানেত্ৰী ৰমেলা ইছলাৰী, ৰবীন বড়ো, সুবল চন্দ্ৰ বসুমতাৰী ইত্যাদিয়ে স্ব-ৰচিত কবিতা পাঠ কৰে। সুবল চন্দ্ৰ বসুমতাৰীয়ে গয়বাৰী (বাসুগাঁও)ত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ সোণালী জয়ন্তী বৰ্ষৰ ৰোমন্থন কৰে। বড়ো ছবিৰ প্ৰযোজন-পৰিচালক ৰজেন নাৰ্জাৰীয়ে প্ৰেম-ভালপোৱা, ৰোমাঞ্চৰ ওপৰত কবিতা পাঠ কৰে । অনুষ্ঠানটিত বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি তৰেন বড়ো, সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত গোবিন্দ বসুমতাৰী, হৰিনাৰায়ণ খাখলাৰী, বাসুগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰণেন চন্দ্ৰ মুছাহাৰী, ট্ৰাইবেল সংঘৰ উপদেষ্টা তথা গৰুভাষা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যোগেন নাৰ্জাৰী, চিৰাং জিলা ট্ৰাইবেল সংঘৰ সভাপতি সুখেল বসুমতাৰী ইত্যাদি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# কলাইগাঁৱত বিশিষ্ট শিল্পী সৰুৰাম দাসৰ আবক্ষ মূৰ্তি উন্মোচন

## বিটিআৰৰ সচিব দিঠকানন্দ হাজৰিকাই উন্মোচন কৰে আবক্ষ মূৰ্তিটো

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৩ জুলাই ঃ** বাঁহীৰ সু-ললিত সুৰৰ যাদুকৰী শক্তিৰে শ্ৰুতা-জনতাৰ হৃদয় জিনা বিশিষ্ট শিল্পী অৰ্থাৎ বাঁহী বাদক সৰুৰাম দাসৰ আবক্ষ মূৰ্তি আজি উন্মোচন কৰে বিটিচিৰ সচিব তথা বিশিষ্ট কণ্ঠশিল্পী দিঠকানন্দ হাজৰিকাই। ওদালগুৰি জিলাৰ কলাইগাঁৱৰ নিকটৱৰ্তী বৰপুখুৰী নিবাসী বাঁহী বাদক সৰুৰাম দাসে সাংস্কৃতিক ক্ষেত্ৰলৈ বিশিষ্ট বৰঙণি আগবঢ়াই অহাৰ মাজতে ২০১৯ চনৰ ২০ জুনৰ দিনাখন মধুমেহ ৰোগত আক্ৰান্ত হৈ অকাল বিয়োগ ঘটে। দৰিদ্ৰতাৰ স'তে সহাৱস্থান কৰা বিশিষ্ট বাঁহী বাদক সৰুৰাম দাসৰ স্মৃতি যুগমীয়া কৰাৰ প্ৰয়াসেৰে পৰিয়ালৰ লোকে সাঁচতীয়া ধনেৰে নিজ গৃহত নিৰ্মাণ কৰা আবক্ষ মূৰ্তি এক মাংগলিক অনুষ্ঠানৰ জড়িয়তে উন্মোচন কৰি বিটিচিৰ সচিব তথা বিশিষ্ট শিল্পী দিঠকানন্দ হাজৰিকাই তেওঁলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সৰুৰাম দাসৰ পৰিয়াল ধনত দুখীয়া হলেও মনত ধনী বুলি মতপোষণ কৰি প্ৰশাসনিক বিষয়া হাজৰিকাই এনে মহৎ পদক্ষেপ অঞ্চলটোৰ বাবে আৰ্হি আৰু আদৰ্শ হব বুলি অভিহিত কৰে। সাংস্কৃতিক গোষ্ঠীৰ অভিন্ন অংশ হৈ পৰা বাঁহী বাদক দাসে নিৰৱে সাধনা কৰাৰ কথা উল্লেখ কৰি বিটিচিৰ সচিব গৰাকী আৱেগিক হৈ পৰে। বিশিষ্ট লেখক, লোক সংস্কৃতিৰ সাধক তৰুণ আজাদ ডেকাই আঁত ধৰা উন্মোচনী অনুষ্ঠানত বিশিষ্ট শিল্পী, অৱসৰপ্ৰাপ্ত বেংক বিষয়া বিনোদ দাস আৰু কলাইগাঁও প্ৰেছ ক্লাবৰ সভাপতি টংকেশ্বৰ বৰুৱাই কঠোৰ জীৱন সংগ্ৰামৰ মাজেৰে বাঁহীবাদক হিচাপে সাংস্কৃতিক অনুৰাগী লোকৰ হৃদয় জিনা সৰুৰাম দাসৰ গুণ গৰিমাৰ বিষয়ে উল্লেখ কৰি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য শিল্পী পুষ্প হাজৰিকাৰ গীতেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত বিষ্ণুজ্যোতি সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক মিঠু বড়ো, অৱসৰপ্ৰাপ্ত শিক্ষক দেৱেন্দ্ৰ কছাৰী, সমাজকৰ্মী লম্বোধৰ ডেকা, শিল্পী উপেন চহৰীয়া আৰু যুগল বণিয়াকে ধৰি অঞ্চলটোৰ বিশিষ্ট লোকসকল উপস্থিত থাকে।



# ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰাথমিক প্ৰশিক্ষণৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৩ জুলাই ঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ প্ৰাথমিক প্ৰশিক্ষণ বৰ্গৰ আজি সফল সামৰণি পৰে। যোৱা ১৫ জুলাইৰ পৰা সংঘৰ কামৰূপ জিলাৰ সহযোগত উত্তৰ কামৰূপ ভিত্তিত অনুষ্ঠিত কৰা প্ৰশিক্ষণত ৪৯জন প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। স্থানীয় শংকৰদেৱ শিশু বিদ্যা নিকেতনত অনুষ্ঠিত এই প্ৰশিক্ষণত পুৱা ৪ বজাৰ পৰা নিশা ৯ বজালৈ প্ৰশিক্ষণ দিয়া হয়। আজি পুৱা ৬ বজাত শিক্ষান্ত সমাৰোহত উপস্থিত থাকি অসমৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাসে কয় যে সংস্কাৰমুখী প্ৰশিক্ষণৰ জৰিয়তে প্ৰশিক্ষাৰ্থীসকলক শাৰীৰিক আৰু মানসিকভাৱে সবল কৰি সুস্থ ব্যক্তি নিৰ্মাণ সুস্থ সমাজ নিৰ্মাণেৰে সুস্থ ৰাষ্ট্ৰ নিৰ্মাণ কৰাৰ লক্ষ্য। কিয়নো এজন সবল মনোভাবাপন্ন ব্যক্তিহে সুস্থ সমাজ গঠন কৰিব পাৰে। আমাৰ প্ৰতিজন সংঘ সেৱকৰ নিঃস্বাৰ্থমূলক আত্মনিয়োগে ভাৰতবৰ্ষক পুনৰ ৰাষ্ট্ৰগুৰুৰ আসনত প্ৰতিষ্ঠিত কৰাত সহায়ক হোৱাৰ কামনা কৰিয়েই এই প্ৰশিক্ষণ বুলি কয়। সকলো প্ৰশিক্ষক আৰু প্ৰশিক্ষাৰ্থীক তেওঁ শুভেচ্ছা জ্ঞাপন কৰে। নদিনীয়া প্ৰশিক্ষণত কামৰূপ জিলা কাৰ্যকাৰিণী বিষয়ববীয়াৰ লগতে অসম ক্ষেত্ৰ সংঘ চালক উমেশ চক্ৰৱৰ্তীয়ে প্ৰশিক্ষণত অহৰহ সহযোগিতা আগবঢ়ায়।

# কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন কৰ্মীৰ উমৈহতীয়া মঞ্চ 'জাতীয় ন্যাস পুঁজি' গঠনৰ বিশেষ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৩ জুলাই ঃ** কোচ-ৰাজবংশী জনগোষ্ঠীৰ সামগ্ৰিক বিকাশ আৰু উত্তোৰণৰ লক্ষ্যত অহৰহ চেষ্টা চলাই অহা জাতীয় সংগঠন সদৌ অসম কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন কৰ্মীৰ এখন উমৈহতীয়া মঞ্চ গঠনৰ সিদ্ধান্তৰে আজি দৰং জিলাৰ কলাইগাঁৱত মিলিত হয়। দৰং জিলাৰ কলাইগাওঁৰ লক্ষীমপুৰ আঞ্চলিক মীন মহল প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত ৰাজ্যিক ভিত্তিত আয়োজন কৰে বিশেষ সভাখন। উল্লেখ্য যে সদৌ অসম কোচ-ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন কৰ্মীৰ সতীৰ্থসকলক লৈ জাতীয় সেৱাত সহায়ক হোৱাকৈ গঠন কৰে 'জাতীয় ন্যাস পুঁজি' নামৰ এখন উমৈহতীয়া জাতীয় মঞ্চ। কোচ-ৰাজবংশী জাতীয় মানসিকতাৰ বুজনসংখ্যক সতীৰ্থৰ উপস্থিতিত আজি গঠন কৰা হয় জাতীয় ন্যাস পুঁজি নামৰ এটি সংস্থা। জাতীয় ন্যাস পুঁজি সন্দৰ্ভত আয়োজন কৰা সভাত পৌৰোহিত্য কৰে সদৌ অসম কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সভাপতি ভাস্কৰ ৰায় আৰু দৰং জিলাৰ প্ৰাক্তন সভাপতি কিৰণ শইকীয়াই। প্ৰাক্তন সতীৰ্থ তথা কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সাধাৰণ সম্পাদক মহেশ ডেকাই আঁত ধৰা অনুষ্ঠানত জাতীয় ন্যাস পুঁজিৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আলোকপাত কৰা হয়। জাতীয় ন্যাস পুঁজি গঠনৰ বাবে আয়োজন কৰা বিশেষ সভাত উপস্থিত থাকে সদৌ অসম কোচ-ৰাজবংশী যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতি তৰুণ বিজয় ৰায়, সম্পাদক অপূৰ্ব বৰ্মন, দেৱানন্দ চৌধুৰী, দৰং জিলা পৰিষদৰ অধ্যক্ষ ধীৰেন ডেকা, জিলা অ'বিচি ব'ৰ্ডৰ অধ্যক্ষ জিন্টু ডেকা, শৈলেন ৰাজবংশী, যুৱ-ছাত্ৰ সন্মিলনীৰ প্ৰাক্তন সভাপতি ত্ৰিদীপপতি সিংহ, ৰমেন তালুকদাৰ, অৰুণ ৰায়, কামেশ্বৰ বৰুৱা, ধীৰেশ বৰ্মন আদিকে ধৰি বহুসংখ্যক কোচ-ৰাজবংশী জনগোষ্ঠীৰ পুৰোধা ব্যক্তি। আজিৰ সভাতেই জাতীয় স্বাৰ্থত সততে মনোনিৱেশ কৰিবলৈ গঠন কৰিব বিচৰা জাতীয় ন্যায় পুঁজিৰ পৰিচালনা সমিতি গঠনৰ লগতে নীতি নিৰ্ধাৰণৰ বাবে পাঁচজনীয়া সমিতি এখন গঠন কৰি দিয়ে।



# পুৰণিগুদামত কেন্দ্ৰীয় শিশু নাট কৰ্মশালাৰ সামৰণী অনুষ্ঠান 'সৃষ্টি ৰজনী'

**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ২৩ জুলাই ঃ** অসম নাট্য সন্মিলনৰ উদ্যোগত আৰু পুৰণিগুদাম শাখাৰ ব্যৱস্থাপনাত আয়োজিত পোন্ধৰদিনীয়া কেন্দ্ৰীয় শিশুনাট কৰ্মশালাৰ সামৰণিত যোৱা নিশা ড° ভৱেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় 'সৃষ্টি ৰজনী' শীৰ্ষক অনুষ্ঠান। পুৰণিগুদাম ড° ভৱেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰ্মশালাত অংশগ্ৰহণ কৰা ৩৬গৰাকী প্ৰশিক্ষাৰ্থীয়ে সৃষ্টি ৰজনী অনুষ্ঠানত নিজস্ব প্ৰতিভা প্ৰদৰ্শন কৰাৰ লগতে উপস্থিত শ্ৰোতা-দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে লাইআটি সত্ৰৰ সত্ৰাধিকাৰ তথা অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি যুগল চন্দ্ৰ দেৱগোস্বামীয়ে আৰু মঞ্চ উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি বসন্ত বৰ্মনে। সাংবাদিক নীলৰঞ্জন শৰ্মাই আঁত ধৰা সৃষ্টি ৰজনীৰ উদ্বোধনী অনুষ্ঠানত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিবাহক ভূপেন ডেকা, কামপীঠ মণ্ডলৰ সম্পাদক ডিম্বেশ্বৰ শৰ্মা, অসম নাট্য সন্মিলনৰ প্ৰাক্তন সহকাৰী সম্পাদক ৰাজীৱ বৰা, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ প্ৰাক্তন সভাপতি জগমোহন শৰ্মা, বিশিষ্ট সমাজকৰ্মী পূৰ্ণানন্দ ভূএগা, অনিল বৈৰাগী, অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ সভাপতি তথা কৰ্মশালাৰ প্ৰশিক্ষক মৃণাল কুমাৰ বৰা, প্ৰশিক্ষক অঞ্জল বৰা উপস্থিত থাকে। সৃষ্টি ৰজনী অনুষ্ঠানত প্ৰয়াত শিশু নাট্যকাৰ হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ দ্বাৰা ৰচিত আৰু অঞ্জল বৰা পৰিচালিত জোনমণিৰ স্বৰ্গযাত্ৰা নাটখনি কৰ্মশালাৰ মুঠ ৩৬গৰাকী প্ৰশিক্ষাৰ্থীয়ে অভিনয় কৰে। অনুষ্ঠানৰ শেষত কৰ্মশালাৰ প্ৰশিক্ষাৰ্থী, অভিভাৱক আৰু উদ্যোক্তাৰ মাজত অন্তৰংগ আলাপৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। হিৰণ্য কুমাৰ চমুৱা আৰু দেৱজিৎ কলিতা পৰিচালিত উক্ত অনুষ্ঠানত শিশু নাট্যশিল্পী বৈভৱ শৰ্মা, প্ৰত্যাশা শৰ্মা, সুদৰ্শন বৰা, প্ৰণয় প্ৰতিম গায়ন, বৰ্ণিল ভূএগা, ময়ূৰ কৃষ্ণ বৰাই কবিতা আবৃত্তি কৰাৰ লগতে অৰ্চিত বৰাই স্বৰচিত কবিতা আবৃত্তি আৰু যোগাসন প্ৰদৰ্শন কৰে। প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীকে অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰা হয়।

# মাজুলী জলজীৱন মিছনৰ আঁচনি পৰিদৰ্শন বিধায়ক ভুৱন গামৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৩ জুলাই ঃ** মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামে আজি জিলাখনত নিৰ্মাণৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ ঘৰে-ঘৰে বিশুদ্ধ পানী যোগান আঁচনি সমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয় । বিধায়ক গামে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা কুমুদ ৰঞ্জন হাজৰিকাসহ বিষয়াবৰ্গক লগত লৈ বিভাগটোৰ অধীনত নিৰ্মাণৰত ৰতনপুৰ গায়নৰ কঠমীয়া, বনগাঁও, বেঙেনাআটী, আউনীআটী, কমলাবাৰী, গড়মূৰ, বৰগএঃা, বালিচাপৰি, বৰমুকলি, চেলেক কমলপুৰ, বেবেজীয়া, মলয়া চাপৰি আৰু মহৰিচুকৰ জল জীৱন মেচনৰ অধীনত নিৰ্মাণ কৰা পানী যোগান আঁচনিৰ কামৰ বুজ লয়। বিধায়ক গৰাকীয়ে জনসাধাৰণে যাতে বিশুদ্ধ পানী ২০২৪ চনৰ ভিতৰত ঘৰতে শীঘ্ৰে পায় তাৰ ব্যৱস্থা কৰিবলৈ বিভাগৰ কাৰ্যবাহী অভিযন্তা গৰাকীক আহবান জনায়। ২২ জুলাইতো বিধায়কগৰাকীয়ে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা, অতিৰিক্ত উপায়ুক্ত ভৰত কোঁৱৰ সহ উজনী মাজুলীৰ আঠ টা পানী যোগান আঁচনি পৰিদৰ্শন কৰি কামৰ বুজ লৈছিল। ব্যস্ত সূচীৰ মাজতে বিধায়ক গামে উপায়ুক্ত পুলক মহন্তসহ দেওদিয়াআটী উচ্চ বুনিয়াদী বিদ্যালয়ত উপস্থিত হৈ বিদ্যালয়খনত চলি থকা গ্ৰীস্মকালীন পাঠদানৰ কাৰ্যসূচীত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীৰে মত বিনিময় কৰে। ইয়াৰ পিছতে মাজুলী মিলন সংঘত অনুষ্ঠিত কাৰাটে এচ'ছিয়েছনৰ সভাত অংশগ্ৰহণ কৰে। বিধায়ক গৰাকীক সংগ দিয়ে ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য দীপক গোস্বামী, জিলা বিজেপিৰ উপ-সভাপতি দেৱব্ৰত দত্ত প্ৰমুখ্যে কৰ্মকৰ্তাই।



# মৈৰাবাৰীত ড্ৰাগ্ছ সহ আটক এজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৩ জুলাই·ঃ** এক গোপন সূত্ৰৰ পম খেদি মৈৰাবাৰী আৰক্ষীয়ে মৈৰাবাৰী পাতেকীবৰী সংযোগী পথৰ পৰা উমৰ ফাৰুক(৩০) নামৰ এজন যুৱকক ড্ৰাগ্ছসহ আটক কৰিবলৈ সক্ষম হয়। আটক হোৱা উমৰ ফাৰুকৰ ঘৰ মৈৰাবাৰী থানাৰ অন্তৰ্ভুক্ত বৰথল কচাৰিগাঁৱ।উমৰ ফাৰুকৰ পৰা অভিযানকাৰী আৰক্ষীৰ দলটিয়ে ১৫টা ড্ৰাগ্ছভৰ্তি কেণ্টেইনাৰ, এখন নাম্বাৰবিহীন পালচাৰ বাইক, আৰু এটা ম'বাইল ফোন জব্দ কৰিবলৈ সক্ষম হৈছে। বাতৰি পঠোৱালৈকে মৈৰাবাৰী আৰক্ষীয়ে ড্ৰাগ্ছ ব্যৱসায়ী উমৰ ফাৰুকক আটক কৰি থানালৈ নি জেৰা অব্যাহত ৰাখিছে। উমৰ ফাৰুকৰ লগত অঞ্চলটোৰ বৃহৎ ড্ৰাগ্ছ ব্যৱসায়ী চক্ৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে মৈৰাবাৰী সচেতন মহলে।

## চৰণধৰাত চিয়াগীতৰ কৰ্মশালাৰ সামৰণি

# যিজন ব্যক্তিয়ে গান গাব পাৰে তেওঁ বহুত সৌভাগ্যৱান ঃ ড° ৰামচন্দ্ৰ ডেকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৩ জুলাই ঃ** দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ অন্যতম শাখা ভূড়াৰগড় শাখাৰ উদ্যোগত চৰণধৰা মধ্য ইংৰাজী বিদ্যালয়ত যোৱা ১৮ জুলাইৰ পৰা অনুষ্ঠিত চিয়াগীতৰ ৫ দিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। বিশিষ্ট সাংস্কৃতিক কৰ্মী মিঠু বড়োৰ সভাপতিত্বত অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকা, দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সম্পাদক নৱ কুমাৰ শইকীয়া। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে শিল্পী হীৰকচান ডেকা, সংবাদকৰ্মী অজয় ডেকা, ভূড়াৰগড় পঞ্চায়তৰ সভাপতি প্ৰীতিৰেখা নাথৰ লগতে সভাখনত উপস্থিত থাকে চৰণধৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দণ্ডীৰাম নাথ, মাধৱ চন্দ্ৰ নাথ, জেষ্ঠ শিল্পী বাসৱ ডেকা, দুষ্মন্ত নাথ, ভদ্ৰেশ্বৰ নাথ, মাধৱী নাথৰ লগতে কে'বাগৰাকীও বিশিষ্ট ব্যক্তি। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিক্ষাবিদ ড° ৰামচন্দ্ৰ ডেকাই চিয়াগীত সম্পৰ্কে বক্তব্য ৰখাৰ লগতে তেখেতে কয় যিয়ে গান গাব পাৰে বা যি ব্যক্তিয়ে নিজৰ কণ্ঠৰে সুন্দৰ সুৰ নিগৰাব পাৰে সেইগৰকী ব্যক্তি বহুত সৌভাগ্যৱান। শাখৰ সভাপতি ভদ্ৰকান্ত নাথ আৰু সম্পাদক লৱন নাথৰ নেতৃত্বত অনুষ্ঠিত পাঁচদিনীয়া চিয়াগীতৰ কৰ্মশালাখনত প্ৰায় ৪০গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।




# এছচিচিৰ প্ৰশিক্ষণসমূহ চলাই নৈ যোৱাত সহযোগ কৰাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ

## বিধায়ক হেমাংগ ঠাকুৰীয়াক তাৎক্ষণিকভাৱে এছচিচিৰ সৈতে আলোচনা কৰাৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৩ জুলাই ঃ** কিছুদিন দিন পূৰ্বে ৰাজ্যখনৰ অন্যতম শিক্ষামূলক অনুষ্ঠান ষ্টুডেণ্ট কেডেট কৰ্প'ছ চমুকৈ এছচিচিৰ ৰাজ্যিক সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ বিচাৰি এখন পত্ৰ প্ৰেৰণ কৰিছিল। যোৱা ১৯ জুলাইত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা পত্ৰযোগে সাক্ষাৎ কৰাৰ কথা অৱগত কৰিছিল। কামৰূপ জিলাৰ বকোত এখন চৰকাৰী কাৰ্যসূচীৰ পিছত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাক্ষাৎ দিছিল। ষ্টুডেণ্ট কেডেট কৰ্প'ছ চমুকৈ এছচিচিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইন আৰু সাধাৰণ সম্পাদক সঞ্জয় শৰ্মাই সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীক এছচিচি নো কি, এছচিচিয়ে শিক্ষা জগতত কি কি বিষয়ৰ ওপৰত কাম কৰি গৈ আছে, কেনেধৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে ইত্যাদি বিষয়ৰ ওপৰত বুজাই কয় সভাপতিগৰাকীয়ে। এছ চিচিৰ উদ্যোগত কামৰূপ জিলাৰ মিৰ্জাত চলি থকা প্ৰি ডিফেন্স একাডেমীৰ পৰা এইবছৰ কিমানজন ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰিলে এই বিষয়ে বুজাই কয় সাধাৰণ সম্পাদক সঞ্জয় শৰ্মাই। মুখ্যমন্ত্ৰীগৰাকীয়ে সকলো কথা বুজি আৰু জানি আশ্বাস প্ৰদান কৰে যে আগন্তুক দিনত এছ চি চি ৰ প্ৰশিক্ষণসমূহ চলাই লৈ যোৱাৰ কাৰণে পূৰ্ণ সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে আৰু তাৎক্ষণিকভাৱে এছ চি চিৰ সৈতে আলোচনা কৰিবলৈ বিধায়ক হেমাংগ ঠাকুৰীয়াক নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীগৰাকীৰ এই বাৰ্তাত আনন্দিত ৰাজ্যৰ এছচিচিবাসী। নিঃস্বাৰ্থভাৱে এছচিচি মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সেৱাত ব্ৰতী থকা এছচিচিৰ ৰাজ্যিক সমিতি, জিলা সমিতি আৰু প্ৰশিক্ষকসকলৰ মনত হাঁহি বিৰিঙিছে। এছচিচিৰ ৰাজ্যিক সমিতিৰ পূৰ্ণ বিশ্বাস যে ৰাজ্যৰ এজন সুদক্ষ মুখ্যমন্ত্ৰী মহোদয়ে দিয়া আশ্বাস খুব কম দিনৰ ভিতৰত কাৰ্যকৰীভাৱে ৰূপান্তৰিত হ'ব। ২০১৮ বৰ্ষৰ পৰা নিজা প্ৰচেষ্টাত চলা এই অনুষ্ঠানটোৱে আজিলৈ প্ৰায় ৫০,০০০ ছাত্ৰ ছাত্ৰীক উপকৃত কৰিছে এই কথাও মুখ্যমন্ত্ৰীক অৱগত কৰা হৈছে।

# নগাঁৱৰ নৱনিযুক্ত উপায়ুক্তই জন্মদিনত মিঠাই বিলালে শিশু-বৃদ্ধৰ মাজত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৩ জুলাই ঃ** নগাঁও জিলাৰ নৱনিযুক্ত উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ আজি ৩৩সংখ্যক জন্মদিন। ব্যস্ততাৰ মাজতে আজি তেওঁৰ জন্মদিনৰ দিনটোতে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয় আৰু পুথিভঁৰাল সন্থাৰ অধীনস্থ জ্যেষ্ঠ নাগৰিক আৱাসগৃহ, দুৰ্দশাগ্ৰস্ত মহিলাৰ স্বধাৰ গৃহ, নৱজীৱন বিশেষ শিশুগৃহ, বিশেষ দত্তক গ্ৰহণ কেন্দ্ৰৰ শিশু আৰু বৃদ্ধ-বৃদ্ধাসকলৰ মাজত উপায়ুক্তগৰাকীয়ে মিঠাই আৰু অন্যান্য খোৱাবস্তু বিতৰণ কৰি আনন্দিত হৈ পৰে। ইয়াৰ পূৰ্বে অনুষ্ঠিত এক অনুষ্ঠানত উল্লিখিত সংগঠনকেইটাৰ তৰফৰ পৰা উপায়ুক্তগৰাকীক একোখনকৈ ফুলাম গামোচা আৰু জাপিৰে আদৰণি জনায়। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত দেৱাহুতি বৰাৰ উপৰি অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট নাট্যশিল্পী দেৱকুমাৰ শইকীয়া, গ্ৰাম্য পুথিভঁৰাল সন্থাৰ প্ৰধান সম্পাদক বল্লদেৱ শৰ্মা, 'কলংপাৰ' কাকতৰ মুখ্য সম্পাদক গুৰমাইল সিং, কাৰ্যবাহী সম্পাদক পুণ্যদা বৰা, লেখিকা অণিমা বৰুৱা শৰ্মা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত গ্ৰাম্য পুথিভঁৰাল সন্থাৰ অধীনস্থ অনুষ্ঠানসমূহ পৰিদৰ্শন কৰে।

# দশম শ্ৰেণীৰ চূড়ান্ত ফলাফলত ৯৫.৫% লাভ কৰি বিহালীলৈ গৌৰৱ কঢ়িয়াই আনিলে অনামিকা ৰিয়া দত্তই

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৩ জুলাই ঃ** সদ্যঘোষিত চিবিএছইৰ ফলাফলে বিহালী সমষ্টিলৈ গৌৰৱ কঢ়িয়াই আনিলে এগৰাকী ছাত্ৰীয়ে। বিশ্বনাথ চাৰিআলি ইষ্ট ইন্দিয়া স্কুলৰ ছাত্ৰী অনামিকা ৰিয়া দত্তই মুঠ ৫০০ নম্বৰৰ ভিতৰত ( ৪৭৫ ) নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ইফালে ছাত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে যে ভৱিষ্যৎ এগৰাকী সু-চিকিৎসক হোৱাৰ পৰিকল্পনা কৰাৰ লগতে পঢ়াৰ বাহিৰেও ছাত্ৰীগৰাকী ছবি অংকন, মাতৃক ঘৰুৱা কামত সহায়-সহযোগিতা কৰি দিয়া কথা কয়। অনামিকা ৰিয়া দত্ত বিহালী সমষ্টিৰ প্ৰাক্তন মন্ত্ৰী তথা বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তৰ কনিষ্ঠ ভাতৃ সঞ্জীৱ দত্ত আৰু অৰ্চনা দত্তৰ জীয়ৰী। আনহাতে, অনামিকা ৰিয়া দত্তক পঢ়া-শুনাৰ সময়ত পিতৃ হিচাপে সময় দিব পৰা নাই যদিও অনামিকাই মাতৃ আৰু তেওঁ যি প্ৰচেষ্টাৰে ফলাফল কঢ়িয়াই আনিলে তাক লৈ সুখী বুলি মন্তব্য কৰে অনামিকা ৰিয়া দত্তই।

# পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ উদ্যোগত সম্বৰ্ধনা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২৩ জুলাই ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ উদ্যোগত আজি পালাহগড় মধ্য ইংৰাজী বিদ্যালয়ৰ সভাগৃহত সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অঞ্চলটিলৈ গৌৰৱ কঢ়িয়াই অনা কৃতি ছাত্ৰ-ছাত্ৰী আৰু ৰাষ্ট্ৰীয় খেলুৱৈৰ লগতে অৱসৰপ্ৰাপ্ত অংগনাৱাড়ী কৰ্মীক সম্বৰ্ধনা জনোৱা হয়। পুৱা ১০ বজাত মঞ্চৰ সভাপতি ৰাজীৱ শৰ্মাই পতাকা উত্তোলন কৰাৰ পাছতে যুৱ মঞ্চৰ শীৰ্ষক গীতেৰে অনুষ্ঠান আৰম্ভ কৰা হয়। যুৱ সমাজকৰ্মী ফটিক ৰাভাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে যুৱ মঞ্চৰ স্থায়ী সমিতিৰ সভাপতি ৰাজীৱ শৰ্মাই। উক্ত অনুষ্ঠানখনতে কৃতী ছাত্ৰ-ছাত্ৰী আৰু ৰাষ্ট্ৰীয় খেলুৱৈ ভৱেশ কছাৰীৰ লগতে অৱসৰপ্ৰাপ্ত অংগনাৱাড়ী শিক্ষয়িত্ৰী ভানুমতী ডেকাক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শৈক্ষিক বিষয়ৰ ওপৰত আলোকপাত কৰে টংলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাস, পালাহগড় মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক শৈলেন্দ্ৰ কুমাৰ শৰ্মা, পায়নীয়াৰ কলেজৰ অধ্যাপক পঞ্চানন দেৱ শৰ্মা, শিক্ষক ধনঞ্জয় ৰাভা, ৰাহুল মিঞ্জ, ডলী শৰ্মা আৰু ভাস্কৰ বৰুৱাই। সভাৰ শেষত অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি পৰে।





# বঙাইগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুলাই ঃ** ইডিৰ দৰে চৰকাৰী সংস্থা ব্যৱহাৰ কৰি আক্ৰোশমূলকভাৱে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ নিকা ভাবমূৰ্তি বিনষ্ট কৰিবলৈ বিজেপি চৰকাৰে ষড়যন্ত্ৰ চলোৱাৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ দলে। বিজেপি চৰকাৰৰ এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে শুকুৰবাৰে বঙাইগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত কংগ্ৰেছ দলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি পৰিস্থিতি উত্তাল কৰি তোলে। প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বাধা নেমানি জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা প্ৰতিবাদী সমদল কৰি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত উপস্থিত হয় যদিও দুই কংগ্ৰেছ বিধায়ক আব্দুল বাতিন খণ্ডকাৰ আৰু প্ৰদীপ সৰকাৰসহ প্ৰতিবাদকাৰীসকলক পিছত আৰক্ষীয়ে আটক কৰি থানালৈ নিয়ে। উল্লেখ্য যে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীলৈ ইডিয়ে চমন জাৰি কৰাৰ পিছতে দেশজুৰি কংগ্ৰেছ দলৰ কৰ্মীসকলে প্ৰতিবাদত নামি পৰিছে। বঙাইগাঁৱতো জিলা কংগ্ৰেছৰ উদ্যোগত শুকুৰবাৰে ৰূপায়ণ কৰা হয় প্ৰতিবাদী কাৰ্যসূচী। জিলা কংগ্ৰেছ কাৰ্যালয় ৰাজীৱ ভৱনৰ পৰা জিলা উপায়ুক্ত কাৰ্যালয়লৈ কংগ্ৰেছ দলে প্ৰতিবাদী সমদল উলিয়ায় যদিও পৌৰসভা কাৰ্যালয়ৰ সন্মুখত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক বাধা প্ৰদান কৰে। ইয়াকে



লৈ আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয় আৰু প্ৰতিবাদকাৰীসকলে আৰক্ষীৰ বাধা নেমানি তথা বেহু ফালি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত উপস্থিত হৈ উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলে বিজেপি গ' বেক, বিজেপি চৰকাৰ হায় হায় আদি চৰকাৰবিৰোধী শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলাৰ লগতে জিলা উপায়ুক্ত কাৰ্যালয়ৰ চৌহদৰ মূল বন্ধ গে'টৰ ওপৰেৰে পাৰ হৈ চৌহদত প্ৰৱেশৰ চেষ্টা চলায় প্ৰতিবাদকাৰীসকলে। এনে অৱস্থাত আৰক্ষী আৰু চিআৰপিএফৰ দলে প্ৰতিবাদকাৰীসকলক বাধা প্ৰদান কৰে। পিছলৈ পৰিৱেশ অধিক উত্তাল হৈ পৰাত আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক আটক কৰি থানালৈ নিব বিচাৰে যদিও ইয়াকে লৈ আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। অৱশ্যে আৰক্ষীয়ে পিছত অধিক কঠোৰ হৈ বিধায়কসহ প্ৰতিবাদকাৰীসকলক আটক কৰি টানি-টুহি, ঠেলি-হেঁচি আৰু দাঙি বাছত উঠাই থানালৈ লৈ যায়। বিধায়ক প্ৰদীপ সৰকাৰে কয় যে বিজেপিৰ এই গুণ্ডাগিৰিৰাজ আমি নেমানো। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে যিদৰে আক্ৰোশমূলকভাৱে চৰকাৰ চলাই আছে আমি তাৰ তীব্ৰ প্ৰতিবাদ কৰিছোঁ। লগতে কংগ্ৰেছ দলৰ সভানেত্ৰীক ইডিয়ে চমন জাৰি কৰা কাৰ্যৰো প্ৰতিবাদ কৰি আগলৈ যাতে তেনে নকৰে তাৰ বাবে বিজেপি চৰকাৰক সকীয়াই দিয়ে। একেদৰে বিজেপিৰ এনে আক্ৰোশমূলক কাৰ্যৰ কংগ্ৰেছ দলে প্ৰতিবাদ কৰি যাব বুলি কৈ ইয়াৰ বাবে জে'ললৈ যাবলৈকো দলৰ লাখ লাখ কৰ্মী সাজু আছেবুলি কয়। প্ৰতিবাদী কাৰ্যসূচীত জিলা কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি আবুল কাছেম, প্ৰদেশ কংগ্ৰেছৰ উপ- সভানেত্ৰী বালিকা পেগু, সাধাৰণ সম্পাদক বিতোপন শইকীয়াৰ লগতে যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ বিষয়ববীয়া তথা দলৰ শতাধিক নেতা- কৰ্মীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পূৰ্বে দলৰ কাৰ্যালয়ত এখন প্ৰতিবাদী সভাও অনুষ্ঠিত হয়। সভাত বিধায়ক আব্দুল বাতিন খণ্ডকাৰে বৰ্তমান দেশত এক অঘোষিত জৰুৰীকালীন অৱস্থা চলি থকা বুলি মন্তব্য কৰি বৰ্তমানৰ বিজেপি চৰকাৰে দেশৰ তদন্তকাৰী সংস্থাসমূহক বিৰোধী ৰাজনৈতিক দলবোৰক বশ কৰিবলৈহে ব্যৱহাৰ কৰি থকা বুলি অভিযোগ কৰে। সভাত বিভিন্নজনে বক্তব্য ৰাখে। সভাত নৱনিযুক্ত জিলা কংগ্ৰেছৰ সভাপতি আবুল কাছেমক সম্বৰ্ধনাও জনোৱা হয়।

# সাংবাদিক দিগন্ত শইকীয়াৰ পিতৃৰ বিয়োগত বিহালী প্ৰেছ ক্লাবৰ শোক প্ৰস্তাৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৩ জুলাই ঃ** বিহালী প্ৰেছ ক্লাবৰ উপ-সভাপতি দিগন্ত শইকীয়াৰ পিতৃ, অৱসৰপ্ৰাপ্ত শিক্ষক ডিম্বেশ্বৰ শইকীয়াৰ যোৱা ১৮ জুলাইত পৰলোকপ্ৰাপ্তি হোৱাত কালি বিহালী প্ৰেছ ক্লাবৰ বিষয়ববীয়া আৰু দক্ষিণ বিহালী শাখা সাহিত্য সভাৰ প্ৰতিনিধিয়ে প্ৰয়াত শইকীয়াৰ বাসগৃহত উপস্থিত হৈ শোকপ্ৰস্তাৱ প্ৰদান কৰে। অসম সাহিত্য সভাৰ আজীৱন সভ্য হোৱা হেতু দক্ষিণ বিহালী শাখা সভায়ো শইকীয়াৰ বাসগৃহত উপস্থিত হৈ দুয়োটা অনুষ্ঠানে আনষ্ঠানিকভাৱে পৰিয়ালবৰ্গক শোকবাৰ্তা অৰ্পণ কৰে। এই অনুষ্ঠানৰ আঁত ধৰে বিহালী প্ৰেছ ক্লাবৰ সম্পাদক খগেন মটকে। প্ৰেছ ক্লাবৰ শোকবাৰ্তা পাঠ কৰে সভাপতি দীপক শৰ্মাই আৰু দক্ষিণ বিহালী শাখা সাহিত্য সভাৰ শোকবাৰ্তা পাঠ কৰে শাখাৰ উপ-সভাপতি দিগন্ত কুমাৰ দাসে। এই অনুষ্ঠানত সহযোগ কৰে অসম সাহিত্য সভাৰ আজীৱন সভ্য তথা দক্ষিণ বিহালী শাখা সাহিত্য সভাৰ সদস্য ভুবন ঘোৰ্ছানে চেত্ৰীয়ে।

# নগাঁৱৰ চাৰি যুৱকৰ অৰুণাচলত মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৩ জুলাই ঃ** অৰুণাচলত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত নগাঁও জিলাৰ দুই যুৱকসহ অসমৰ চাৰিগৰাকী যুৱকে অকালতে প্ৰাণ ত্যাগ কৰা ঘটনাই ৰাজ্যবাসীক শোকাভিভূত কৰি তুলিছে। প্ৰচণ্ড কুঁৱলীৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা কৰা হৈছে। দুৰ্ঘটনাটোৰ ফলত নগাঁও চহৰৰ লাওখোৱা ৰোডৰ বেদান্ত বৰমাহেলা (৩০), নগাঁৱৰ কন্দলিৰ নয়ন বসুমতাৰী, সোণাপুৰৰ হীৰক বড়ো আৰু তেজপুৰ ৰঙাপৰাৰ সঞ্জীৱ দাসৰ মৃত্যু হয়। সুদক্ষ বাইক ৰাইডাৰ বেদান্ত বৰমাহেলা আছিল ঘৰৰ একমাত্ৰ সন্তান। লাওখোৱা ৰোডৰ মলিকান্ত বৰমাহেলা আৰু গীতাৰাণী বড়োৰ একমাত্ৰ সন্তান বেদান্তৰ মৃত্যুত শোকৰ ছাঁ পৰিছে নগাঁৱত। পিতৃ মলিকান্ত বৰমাহেলা শয্যাগত হৈ থকাত পুত্ৰৰ শোকাৱহ মৃত্যুৰ বতৰা দিয়া হোৱা নাই। ইফালে, পুত্ৰৰ সন্ধানত মাতৃ গীতাৰাণী বড়ো অৰুণাচলৰ ঘটনাস্থলীত উপস্থিত হৈছে। সেইদৰে, দুৰ্ঘটনাটোৰ খবৰ পোৱাৰ পিছতে নগাঁও জিলাৰ কঠীয়াতলীৰ কন্দলী বৰকছাৰী গাঁৱৰ নয়ন বসুমতাৰীৰ বাসগৃহতো স্বাভাৱিকতে শোকাকুল পৰিৱেশে বিৰাজ কৰিছে। বাইক ৰাইডাৰ নয়ন বসুমতাৰীৰ মৃত্যুত এতিয়া শোকত ভাগি পৰিছে পৰিয়ালৰ লোকৰ লগতে সমগ্ৰ গাঁওবাসীও। প্ৰয়াত ভদ্ৰেশ্বৰ বসুমতাৰী আৰু মাতৃ ললিতা বসুমতাৰীৰ প্ৰথম সন্তান নয়ন কঠীয়াতলীৰ এখন ব্যক্তিগত বিদ্যালয়ৰ শিক্ষক আছিল। ঘটনাটোৰ বিষয়ে সদৰী হোৱা মতে, অৰুণাচলৰ নিচিফুৰ শিলৰ পাহাৰৰ পৰা প্ৰায় চাৰিশ ফুট তলত চাৰি বন্ধুৰ মৃতদেহ সিঁচৰতি হৈ পৰি ৰয়। ইফালে, পাহাৰৰ পৰা বাগৰি পৰা গাড়ীখন চকুৰে মনিব নোৱাৰা স্থানত শিলত থেকা খাই ৰয়। ইতিমধ্যে চাৰিওজনৰে মৃতদেহ উদ্ধাৰৰ বাবে এনডিআৰএফৰ এটা দল মৃতদেহ পৰি থকা স্থানত উপস্থিত হৈ অভিযান অব্যাহত ৰাখিছে। পুৱা ১০ বজাৰ পিছতহে এনডিআৰএফে অভিযান আৰম্ভ কৰিব পাৰিছিল। স্থানীয় ৰেষ্ট কামেঙ জিলাৰ উপায়ুক্তও উক্ত স্থানত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ অভিযান পৰ্যৱেক্ষণ কৰিছে বুলি জানিব পৰা গৈছে। অৰুণাচল আৰক্ষীৰ এটা দলকো উক্ত উদ্ধাৰ অভিযানত নিয়োজিত কৰিছে। অৰুণাচল আৰক্ষীয়ে মৃতদেহকেইটা বালিপৰালৈ আনি মৰণোত্তৰ পৰীক্ষা কৰি তাৰ পিছত নগাঁও আৰক্ষী আৰু পৰিয়ালক গতাই দিব বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুলৰ উন্নত ফলাফল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়,২৩ জুলাই ঃ** আজি ঘোষণা কৰা দশম শ্ৰেণীৰ চিবিএছই পৰীক্ষাত ডিব্ৰুগড়ৰ শিক্ষা ভেলী স্কুলে উৎকৃষ্ট ফলাফল লাভ কৰে। দীৰ্ঘদিন ধৰি প্ৰতীক্ষিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ (চিবিএছই) দশম শ্ৰেণীৰ ফলাফল আজি ঘোষণা কৰা হৈছে। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৭২জন শিক্ষাৰ্থীৰ ভিতৰত ৩৮জন শিক্ষাৰ্থীয়ে ৯০ শতাংশ, ২৫জন শিক্ষাৰ্থীয়ে ৮০ শতাংশৰ পৰা ৮৯ শতাংশৰ ভিতৰত নম্বৰ লাভ কৰিছে, আৰু ৯জন শিক্ষাৰ্থীয়ে ৭০ শতাংশৰ পৰা ৭৯ শতাংশৰ ভিতৰত নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছে। উল্লেখ্য যে শ্লোক আগৰৱালাই বিদ্যালয়খনত ৯৯.২০ শতাংশ নম্বৰ লাভ কৰি প্ৰথম স্থানত আছে। আনহাতে, মানৱী জৈন (৯৮.৪০শতাংশ) আৰু আয়ুমি বৰুৱা (৯৮.২০শতাংশ) ক্ৰমান্বয়ে দ্বিতীয় আৰু তৃতীয় স্থানত আছে।

# শালমাৰা সমষ্টিৰ বিধায়ক বিৰুদ্ধে অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা মানকাচৰ ২৩ জুলাই ঃ** দক্ষিণ শালমাৰা সমষ্টিৰ কংগ্ৰেছী বিধায়ক ৱাজেদ আলী চৌধুৰীৰ বিৰুদ্ধে উত্থাপিত হৈছে এই ভয়ংকৰ কেলেংকাৰিৰ অভিযোগ। এই অভিযোগ উত্থাপন কৰিছে ৰাইজৰ দলৰ মুখপাত্ৰ আনিছুৰ ৰহমানে। ২০২১ চনত অসম চৰকাৰে RIDF XXIIIৰ অধীনত 'নতুন ব্যক্তিগত পুখুৰী নিৰ্মাণ'ৰ নামত এছঅ'পিডিৰ অধীনত 'ঘৰ ঘৰ পুখুৰী ঘৰ ঘৰ মাছ' নামৰ এটা বিপ্লৱী আঁচনিত বৃহৎ খেলিমেলিৰ অভিযোগ ৰাইজৰ দলৰ মুখপাত্ৰ আনিছুৰ ৰহমানৰ। দক্ষিণ শালমাৰা সমষ্টিত ২০২১ চনত অসম চৰকাৰে 'ঘৰে ঘৰে পুখুৰী ঘৰ ঘৰ মাছ' নামৰ আঁচনিৰ জৰিয়তে মুঠ ৬০জন হিতাধিকাৰীক চৰকাৰী ধন আবণ্টন দিছিল। কিন্তু প্ৰকৃত হিতাধিকাৰীক বঞ্চিত কৰি দক্ষিণ শালমাৰা সমষ্টিৰ ৰিধায়ক ৱাজেদ আলী চৌধুৰীয়ে নিজ দলৰ ৬০গৰাকী প্ৰতিষ্ঠিত কংগ্ৰেছ কৰ্মীৰ নাম অন্তৰ্ভুক্ত কৰাৰ অভিযোগ উত্থাপন হৈছে। বিধায়ক ৱাজেদ আলী চৌধুৰীৰ নেতৃত্বত 'ঘৰ ঘৰ পুখুৰী ঘৰ ঘৰ মাছ' আঁচনিত নিজ দলৰ নাম অন্তৰ্ভুক্ত কৰা হিতাধিকাৰীয়ে চৰকাৰী ধন অত্মসাৎ কৰি তেওঁলোকে এটাও পুখুৰী খন্দাটো দূৰৰে কথা, মাছ খেতি কৰাৰ চেষ্টাও কৰা নাছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। কংগ্ৰেছ দলৰ একাংশ সভাপতি, প্ৰাক্তন সভাপতিৰ নাম অন্তৰ্ভুক্ত হোৱাৰ বাবে বঞ্চিত হৈছে সমষ্টিটোৰ প্ৰকৃত নিবনুৱা হিতাধিকাৰীসকল। লগতে উক্ত ভুৱা হিতাধিকাৰীসকলক চৰকাৰী ধন ঘূৰাই দিবলৈ দাবী জনায়। যাৰ বাবে আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মুখপাত্ৰ আনিছুৰ ৰহমানে উক্ত আঁচনিৰ জৰিয়তে চৰকাৰী পুঁজি লাভ কৰা হিতাধিকাৰীসকলৰ বিৰুদ্ধে জিলা উপায়ুক্তক তদন্তৰ দাবী জনায়। যদি সঠিকভাৱে তদন্ত নহয় তেনেহ'লে অনাগত দিনত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত (চিএম ভিজিলেঞ্চত) গোচৰ তৰিব বুলি ৰাইজৰ দলৰ মুখপাত্ৰ আনিছুৰ ৰহমানে সাংবাদিক জানিবলৈ দিয়ে। এতিয়া দক্ষিণ শালমাৰা-মানকাচৰ জিলা প্ৰশাসনে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত হ'ব লক্ষণীয়।

# শিৱসাগৰত পাঁচ শিশু শ্ৰমিক উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, শিৱসাগৰ, ২৩ জুলাই ঃ** শিৱসাগৰ জিলা শিশু শ্ৰমিক টাস্ক ফ'ৰ্চৰ উদ্যোগত জিলা প্ৰশাসনৰ তৎপৰতাত শিৱসাগৰ নগৰাঞ্চলত দুটা দিনত অভিযান চলাই মটৰচাইকেল গেৰেজ, গাড়ী ধোৱা কেন্দ্ৰ, মাংসৰ দোকান আৰু গেলামালৰ দোকানৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী ক্ৰমে, আলম আলী, হুৱাইদ আলী, নাচিৰুদ্দিন আহমেদ, হিমাংশু কুমাৰ দাস আৰু এলবাৰ্ট বেনেডৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা দুটা দিনত পাঁচটিকৈ শিশু শ্ৰমিক উদ্ধাৰ কৰাৰ পাছতে শিশুকেইটাক স্বাস্থ্য পৰীক্ষা কৰি শিশু কল্যাণ সমিতিৰ ওচৰত হাজিৰ কৰাই জয়সাগৰস্থিত প্ৰজ্ঞালয়া শিশুগৃহত প্ৰকৃত পিতৃ-মাতৃৰ লগতে বয়সৰ সঠিক প্ৰমাণ-পত্ৰ চিনাক্তকৰণ নোহোৱা পৰ্যন্ত ৰখাৰ ব্যৱস্থা কৰা হয়। জানিব পৰা মতে জিলাখনৰ শ্ৰম বিভাগৰ শ্ৰম পৰিদৰ্শক জীৱন টাইডে এই সন্দৰ্ভত শিশু শ্ৰমিক ৰূপে নিয়োগ কৰা মালিকৰ ওপৰত শিৱসাগৰ (সদৰ) আৰক্ষী থানাত লিখিত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে শিশুকেইটিক উদ্ধাৰ কাৰ্যত সহকাৰী আয়ুক্ত আৰু ভাৰপ্ৰাপ্ত জিলা শিশু সুৰক্ষা বিষয়া মানালী প্ৰসাদ ৰজক, শিশু কল্যাণ সমিতিৰ সদস্যা বন্দনা কৌশিক বৰদলৈয়, ড° ডেইজি কামেং বৰুৱা, শ্ৰম পৰিদৰ্শক জীৱন টাইড, প্ৰফুল্ল গোহাঁই, জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ৰ আইনী আৰেক্ষণ বিষয়া ৰাণী হাজৰিকা, দীপক টায়ে, কিশোৰ-কিশোৰী বিচাৰ ন্যায় বিচাৰৰ মণ্ডলীৰ সদস্য নৰনাৰায়ণ টায়ে, স্বেচ্ছাসেৱী সংগঠন ছেভৰ সঞ্চালক দেৱজ্যোতি গগৈৰ লগতে শিৱসাগৰ সদৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়াৰ উপস্থিতিত শিশুকেইটিক উদ্ধাৰ কৰা হয়।

# চাপৰত স্বাস্থ্য সম্পৰ্কে পৰ্যালোচনা সভা

দৈনন্দিন বাৰ্তা সেবা: ধুবুৰী :২৩ জুলাই ধুবুৰী জিলাৰ উপায়ুক্তৰ সভাপতিত্বত চাপৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ খণ্ড পৰ্যায়ৰ পৰ্যালোচনা সভা চাপৰ উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ত অনুষ্ঠিত হয়। মাতৃ আৰু শিশু স্বাস্থ্যৰ ওপৰত বিতং ভাবে পৰ্যালোচনা কৰাৰ লগতে গৰ্ভৱতী সুৰক্ষাৰ বাবে ১০০ক্স গুণগত স্বাস্থ্য পৰীক্ষাৰ নিৰ্দেশ চাপৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত থকা সকলো স্বাস্থ্য আৰু উপ স্বাস্থ্য কেন্দ্ৰক নিৰ্দেশনা দিয়ে লগতে প্ৰসূতি মাতৃৰ মৃত্যু আৰু শিশুৰ মৃত্যু ৰোধ কৰিবলৈ নিৰ্দেশনা দিয়ে। আজিৰ সভাত ধুবুৰী জিলাৰ উন্নয়ন আয়ুক্ত, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, বিলাসীপাৰা মহকুমাধিপতি'ৰ(SDO,Civil) লগতে ধুবুৰী জিলাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়া কৰ্মচাৰী সকলৰ উপস্থিত থাকে।

# বটদ্ৰৱাৰ ৰাইদঙীয়াত 'কৃষকৰ পদূলিত এটি গধূলি' শীৰ্ষক অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুলাই ঃ** ভাৰতীয় ষ্টেট বেংক খুঁটিকটীয়া, ৰহা, মৰিগাঁও, বেছামাৰী শাখা আৰু নগাঁও ক্ষেত্ৰীয় ব্যৱসায়িক কাৰ্যালয়ৰ উদ্যোগত বটদ্ৰৱা সমষ্টিৰ ৰাইদঙীয়াত কালি সন্ধিয়া 'কৃষকৰ পদূলিত এটি গধূলি' শীৰ্ষক এটি অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতীয় ষ্টেট বেংক আৰু গ্ৰামাঞ্চলৰ ৰাইজৰ মাজত সমন্ধ সুদৃঢ় কৰাৰ লক্ষ্যৰে অনুষ্ঠিত অনুষ্ঠানটিত খুঁটিকটীয়া, ৰহা, মৰিগাঁও, বেছামাৰী অঞ্চলৰ প্ৰগতিশীল কৃষকসকলৰ লগত মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটিত উপস্থিত থাকি ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ-পূব সংমণ্ডলৰ মহাপ্ৰবন্ধক সুৰঞ্জনা দত্তই আমাৰ সমাজৰ মূল চালিকা শক্তি কৃষকসকলৰ বিভিন্ন সমস্যা সমাধানৰ লগতে প্ৰগতিশীল কৃষকসকলক উৎসাহিত কৰিবলৈ এই অনুষ্ঠানটি আয়োজন কৰি ভাৰতীয় ষ্টেট বেংক আপোনালোকৰ পদূলিত আহি উপস্থিত হৈছে বুলি মন্তব্য প্ৰদান কৰে। লগতে উপস্থিত থাকি নগাঁও ক্ষেত্ৰীয় ব্যৱসায়িক কাৰ্যালয়ৰ সহঃ মহাপ্ৰবন্ধক ৰঞ্জিত কুমাৰ দত্তই সমাজৰ সকলো স্তৰৰ লোকৰ বাবে ভাৰতীয় ষ্টেট বেংক বিশেষ সেৱা উপলব্ধ বুলি কয়। চাকৰিয়াল, ব্যৱসায়ীৰ লগতে কৃষকসকলৰ বাবেও ভাৰতীয় ষ্টেট বেংকৰ বহু সুবিধা উপলব্ধ। এই সকলোবোৰ সুবিধাৰ বিষয়ে গ্ৰামাঞ্চলৰ কৃষকসকলক সজাগতা সৃষ্টিৰ বাবে এই অনুষ্ঠান অনুষ্ঠিত হৈছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। ইয়াৰ পাছতে খুঁটিকটীয়া, শাখাৰ মুখ্য প্ৰবন্ধক সুমিত কুমাৰ সাহাই উপস্থিত কৃষকসকলৰ লগত মত বিনিময় কৰে। বৰগীত, সত্ৰীয়া নৃত্য, বিহু নৃত্য আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সমাহাৰেৰে অনুষ্ঠিত অনুষ্ঠানটিত খুঁটিকটীয়া, ৰহা, মৰিগাঁও, বেছামাৰী, ৰাইদঙীয়া অঞ্চলৰ কে'বাগৰাকী প্ৰগতিশীল কৃষক, ৰাইদঙীয়া অঞ্চলৰ কৃতী ছাত্ৰ-ছাত্ৰী আৰু ৰাইদঙীয়াৰ উদীয়মান চিত্ৰশিল্পী তিৰুত কুমাৰ বৰা আৰু মৃদুপৱন বৰাক ভাৰতীয় ষ্টেট বেংকৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইফালে, সোণাই নদী উত্তৰ আঞ্চলিক জাগৰণ সাংস্কৃতিক গোষ্ঠীৰ তৰফৰ পৰা মহাপ্ৰবন্ধক সুৰঞ্জনা দত্ত আৰু সহঃ মহাপ্ৰবন্ধক ৰঞ্জিত কুমাৰ দত্তক গামোচা, চেলেং আৰু জাপিৰে সম্বৰ্ধনা জনোৱা হয়। ভাৰতীয় ষ্টেট বেংকৰ ঋণ শাখাৰ মুখ্য প্ৰবন্ধক পাৰিজাত শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত শিক্ষক বুধেন চন্দ্ৰ বৰা, প্ৰবীণ কলিতা, সমাজকৰ্মী নৱ বৰা, গোবিন দাস, জয়ন্ত পাৰ্থ বৰাকে আদি কৰি কৃষক ৰাইজসহ পাঁচ শতাধিক লোক উপস্থিত থাকে। ইফালে অনুষ্ঠানৰ শেষৰফালে ভাৰতীয় ষ্টেট বেংকৰ তৰফৰ পৰা কে'বাগৰাকী কৃষকক দুই কোটি টকাৰ কৃষি ঋণ অনুমোদন-পত্ৰ প্ৰদান কৰা হয়।

# খঞ্জন কিশোৰ নাথৰ কাচ্চিচিনীথু নামৰ ছবিলৈ শ্ৰেষ্ঠ চুটি ছবিৰ সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুলাই ঃ** ৬৮সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰি নগাঁও তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে পৰিচালক খঞ্জন কিশোৰ নাথৰ কাচ্চিচিনীথু নামৰ ছবিখনে। শ্ৰেষ্ঠ চুটি ছবিৰ সন্মান লাভ কৰিছে ছবিখনে। পূৰ্বৰ সন্ত্ৰাসজৰ্জৰ কাৰ্বি আংলঙৰ পটভূমিত নিৰ্মাণ কৰা হৈছিল খঞ্জনৰ ছবিখন। ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে শিশুশিল্পী ক্লাৰচং চেনাৰে। কাৰ্বি আংলংৰ বৈঠালাংছ'ৰ অতি দৰিদ্ৰ পৰিয়ালৰ শিশুটিৰ অভিনয়ে দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। শৈশৱকাল কাৰ্বিআংলং জিলাৰ বৈঠালাংছ'ত কটোৱা আৰু বৰ্তমানে নগাঁও চহৰৰ লাওখোৱা ৰোড অঞ্চলত বাস কৰা খঞ্জন কিশোৰ নাথে বঁটা লাভ কৰাৰ পিছত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়- খবৰটো শুনি অতি সুখী হৈছোঁ। এই ছবিখন ইতিমধ্যে দেশে-বিদেশে প্ৰদৰ্শিত হৈছে । চৰকাৰে আৰ্থিক দীনতাত ভোগা শিল্পীসকলক সহায় কৰিব লাগে।

# বানপানীত নষ্ট হোৱা গৃহৰ পুনৰীক্ষণ সম্পৰ্কীয় সভাত দায়িত্বপ্ৰাপ্ত বিষয়ববীয়াক নিৰপেক্ষভাৱে প্ৰতিবেদন দাখিলৰ বাবে আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৩ জুলাই ঃ** চলিত বৰ্ষত হোৱা বানপানীৰ ফলত বঙাইগাঁও জিলাৰ যিসকল লোকৰ গৃহ (পকীয়েই হওক বা কেঁচাঘৰেই হওক) সম্পূৰ্ণভাৱে বা আংশিকভাৱে নষ্ট হৈছে সেই গৃহসমূহৰ প্ৰতিবেদন ইতিমধ্যে এছডিআৰ এফৰ নিয়ম অনুসৰি জিলা উপায়ুক্তৰ ফালৰ পৰা দাখিল কৰা হৈছে। উক্ত প্ৰতিবেদন নিৰপেক্ষ পুনৰীক্ষণৰ বাবে শুকুৰবাৰে বঙাইগাঁও জিলা উপায়ুক্তৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত পুনৰীক্ষণৰ দায়িত্বপ্ৰাপ্ত বিষয়ববীয়াসকলৰ বাবে এখন সভা অনুষ্ঠিত কৰা হয়। উপায়ুক্ত নৱদীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত পুনৰীক্ষণৰ বাবে বৰপেটা জিলাত কৰ্মৰত জিলা পৰিষদৰ অধীনৰ বিষয়ববীয়াসকলক পুনৰীক্ষণৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়া হয়। জিলাখনৰ সৃজনগ্ৰাম, মাণিকপুৰ, বইটামাৰী আৰু ডাংতল ৰাজহ চক্ৰৰ অধীনৰ ৫০৪টা গৃহ (পকীঘৰ আৰু কেঁচাঘৰ দুয়োটা মিলি) এইবছৰ হোৱা বানত নষ্ট হৈছে। তাৰ ভিতৰত ডাংতল ৰাজহ চক্ৰত মাত্ৰ এটা গৃহহে নষ্ট হৈছে। এই ৫০৪টা নষ্ট হোৱা গৃহৰ নিৰপেক্ষ পুনৰীক্ষণ কৰাৰ বাবে বৰপেটাৰ পঞ্চায়ত বিভাগৰ যিসকল বিষয়ববীয়া নিযুক্ত কৰা হৈছে তেওঁলোকৰ পৰা এজন বা দুজন, বা য'ত একেলগে বেছি গৃহ নষ্ট হৈছে তাৰ বাবে তিনিজন বা চাৰিজন ব্যক্তি লৈ একোটা সৰু সৰু দল গঠন কৰি দিয়া হৈছে। তেওঁলোকে নিজৰ নিজৰ এলেকাখিনিৰ নষ্ট হোৱা গৃহৰ ২০ শতাংশ পুনৰীক্ষণ কৰি সংশ্লিষ্ট চক্ৰ বিষয়াক দুদিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। যদি কোনোবা অন্তৰ্ভুক্ত হ'বলগীয়া গৃহ বাদ পৰি গৈছে সেইখিনি তেওঁলোকৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰি প্ৰতিবেদন দাখিল কৰিব। সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিষয়ববীয়াসকলক সম্পূৰ্ণ



নিৰপেক্ষভাৱে প্ৰতিবেদন দাখিল কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে এয়া মুখ্যমন্ত্ৰীৰ নতুন পৰিকল্পনা আৰু মুখ্যমন্ত্ৰীগৰাকীয়ে বিচাৰিছে যে অতি শীঘ্ৰে ক্ষতিগ্ৰস্ত লোকসকলে ক্ষতিপূৰণ লাভ কৰক। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে দায়িত্বপ্ৰাপ্ত পঞ্চায়ত বিভাগৰ বিষয়ববীয়াসকলে এই কামৰ জৰিয়তে এক নতুন অভিজ্ঞতা লাভ কৰিব।

# শিৱসাগৰত কংগ্ৰেছৰ প্ৰতিবাদ-বিজেপি চৰকাৰৰ ষড়যন্ত্ৰ বন্ধ কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৩ জুলাই ঃ** বিজেপি চৰকাৰৰ বিৰুদ্ধে শিৱসাগৰ নগৰত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰৰ জৰিয়তে কংগ্ৰেছ দলৰ শীৰ্ষ নেত্ৰী ছোনিয়া গান্ধী আৰু নেতা ৰাহুল গান্ধীক ব্যতিব্যস্ত কৰাৰ অভিযোগ উত্থাপন কৰি কালি শিৱসাগৰ জিলা কংগ্ৰেছে এক প্ৰতিবাদী সমদল বাহিৰ কৰে। শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি মঞ্জীৱ গগৈ আৰু যুৱ নেতা শুভ্ৰমিত্ৰ গগৈৰ নেতৃত্বত এই সমদল বাহিৰ কৰি বিজেপি চৰকাৰৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান দি শিৱসাগৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সমুখত প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ দলে এনে ষড়যন্ত্ৰক ধিক্কাৰ দি আগন্তুক নিৰ্বাচনত বিজেপি দলে নিজৰ দুৰ্বলতা ঢাকিবৰ বাবে এইদৰে কংগ্ৰেছ দলৰ শীৰ্ষ নেতাক আক্ৰমণৰ লক্ষ্য কৰি লোৱা বুলিও অভিযোগ উত্থাপন কৰে। আনহাতে, প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছ দলে মূল্যবৃদ্ধিকে আদি কৰি বিজেপি দলৰ বহু অপশাসনক আক্ৰমণৰ লক্ষ্য কৰি লয়। সমগ্ৰ বিষয়ক কেন্দ্ৰ কৰি শিৱসাগৰ জিলা কংগ্ৰেছৰ তৰফৰ পৰা দিল্লীলৈ শিৱসাগৰ জিলা উপায়ুক্তৰ দ্বাৰা এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়।

### মফচলীয় সাংবাদিকৰ জীৱন বীমা-সাংবাদিকৰ পেঞ্চন বিশ হাজাৰলৈ বৃদ্ধি কৰাৰ বাবে মুখ্যমন্ত্ৰীক আহ্বান আপকুৰ সভাপতি আব্দুল খালেকৰ

# আপকুৰ তিনিচুকীয়া জিলা সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ২৩ জুলাই ঃ** কালি আসাম প্ৰেছ ক'ৰেছপ'ণ্ডেণ্টছ ইউনিয়ন, চমুকৈ 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন হৈ যায়। এই উপলক্ষে পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰে আপকুৰ জিলা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে— মনোৰঞ্জন নেওগ আৰু সুৰজিৎ বড়াই। গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰে কেন্দ্ৰীয় সাংগঠনিক সম্পাদক হীৰা ফুকনে। ইয়াৰ পাছতেই জিলা সভাপতি মনোৰঞ্জন নেওগৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি আৰু বিষয়-বাছনি সভাখন বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে আপকুৰ জিলা সমিতিৰ উপদেষ্টা পল্লৱ শৰ্মাই। সভাখন উদ্বোধন কৰে জিলা সমিতিৰ মুখ্য উপদেষ্টা ৰবীন মৰাণে। প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰে আপকুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা মনোজ সিং, সভাপতি আব্দুল খালেক আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই। কেন্দ্ৰীয় সাংগঠনিক সম্পাদক



হীৰা ফুকন পৰ্যবেক্ষক ৰূপে উপস্থিত থকা বিষয়-বাছনি সভাত পৰৱৰ্তী দুটা বছৰৰ বাবে পল্লৱ শৰ্মাক সভাপতি, কংকনজ্যোতি গোস্বামীক কাৰ্যকৰী সভাপতি, সুজিৎ হাতীবৰুৱাক উপ-সভাপতি আৰু সোণাৰাম কলিতাক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। ইয়াৰ পাছতেই মনোৰঞ্জন নেওগৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে জিলা জনসংযোগ বিষয়া মামুন বৰকটকীয়ে। আপকুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বিনন্দ কোঁৱৰে আদৰণী ভাষণ দিয়া সভাত আপকুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা মনোজ সিঙে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায়। সভাত তিনিচুকীয়াৰ উপায়ুক্ত নৰসিং পাৱাৰ সম্ভাজীয়ে জিলা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা মুখপত্ৰ 'জ্যোতিষ্মান' উন্মোচন কৰি এক বলিষ্ঠ বক্তব্য আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে উপ-আৰক্ষী অধীক্ষক হিৰণ্য বৰাই বক্তব্য আগবঢ়োৱাৰ বিপৰীতে আমন্ত্ৰিত অতিথি হিচাপে বক্তব্য আগবঢ়ায় আপকুৰ কেন্দ্ৰীয় সভাপতি আব্দুল খালেক, সম্পাদক প্ৰধান শৰৎ শেনচোৱা, আছুৰ কেন্দ্ৰীয় উপ-সভাপতি বিনয় ডুবে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিৎ মৰাণ আৰু জাৰ্নেলিষ্ট ইউনিয়ন অব্ আসামৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক মনোৰঞ্জন মৰাণে। সভাত প্ৰতিগৰাকী বক্তাৰ লগতে সুৰজিৎ মৰাণে 'আপকু'-এ সমন্বয়-সম্প্ৰীতি প্ৰতিষ্ঠা কৰিলে বুলিও মন্তব্য কৰে। ইয়াৰ উপৰিও মফচলীয় সাংবাদিকসকলৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি আপকুৰ সভাপতি আব্দুল খালেকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অহা ১৫ আগষ্টত মফচলীয় সাংবাদিকৰ জীৱন বীমা ঘোষণা কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে সাংবাদিক পেঞ্চনৰ ধন মাহিলি আঠ হাজাৰ টকাৰ পৰা বিশ হাজাৰ টকালৈ বৃদ্ধি কৰিবলৈও আহ্বান জনায়। কিয়নো ষাঠি বছৰ হোৱাৰ পাছত মানুহৰ বিভিন্ন বেমাৰ-আজাৰ হোৱাৰ লগতে মানুহে কাম-কাজ কৰিবলৈ শক্তি নোহোৱা হৈ যায়। সেয়েহে পেঞ্চনৰ ধন বৃদ্ধি কৰাৰ বিশেষ প্ৰয়োজনীয়তা আছে বুলি তাৎপৰ্যপুৰ্ণ মন্তব্য কৰে। সভাত তিনিচুকীয়াৰ তিনি জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত দত্ত, চিন্ময় শৰ্মা আৰু পল্লৱ শৰ্মাৰ উপৰি ক্ৰীড়া সংগঠক তথা যুৱ ব্যৱসায়ী ললিত গগৈ আৰু উদ্যোগী যুৱক লালন মৰাণক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত ব্যক্তি ৰঞ্জিত দত্ত আৰু চিন্ময় শৰ্মাইও প্ৰাসংগি বক্তব্য ৰাখে। কাৰ্যসূচীৰ মাজে মাজে ফিল'বাৰীৰ পৰা আমন্ত্ৰিত 'ৰঙতীৰ্থ' নামৰ সাংস্কৃতিক গোষ্ঠীয়ে সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।

# নৰৈৰ তুলসীমুখ অঞ্চলত বিদ্যুতৰ চৰম নাটনি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰৈ, ২৩ জুলাই ঃ** নগাঁও জিলাৰ কঠীয়াতলী বিদ্যুৎ সংমণ্ডলৰ অন্তৰ্গত তুলসীমুখ অঞ্চলত বাতৰিলিখা পৰ্যন্ত কালি পুৱাৰ পৰা বিদ্যুৎ নথকাত অঞ্চলবাসীয়ে উৎকট গৰমত দুৰ্ভোগ ভুগিবলগা হৈছে। তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২৪ ঘণ্টাই বিজুলী যোগানৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী শ্ল'গান দিয়া কাৰ্যক ৰাইজে আভুৱা-ভাঁৱা বুলি অভিযোগ উত্থাপিত কৰিছে। প্ৰচাৰত বেছি গুৰুত্ব দিয়া বিজেপি চৰকাৰৰ এনে প্ৰতিশ্ৰুতিত ভোল গৈ ৰাইজে এতিয়া ভালকৈয়ে জলাকলা খাইছে। বতৰৰ উষ্ণতাই ৩৮ ডিগ্ৰী চেলছিয়াছ অতিক্ৰম কৰাৰ খবৰে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাৰ লগতে ৰাজ্যখনত কে'বাজনো লোকে গৰমত মৃত্যুক আঁকোৱালি ল'ব লগা হোৱাৰ সময়তে বিদ্যুৎ বিভাগৰ এনে দায়িত্বজ্ঞানহীনতাত অঞ্চলবাসী অতিষ্ঠ হৈ পৰিছে। অত্যধিক পৰিমাণে বিদ্যুৎ মাচুল আদায় লোৱা চৰকাৰখনে বিদ্যুৎ যোগানত হোৱা ব্যৰ্থতাই চৰকাৰখনৰ চূড়ান্ত ব্যৰ্থতাকে সূচাইছে। অকল বিদ্যুৎ সংযোগতেই যে ব্যৰ্থ তেনে নহয়। যিখিনি সময় বিদ্যুৎ থাকে সেই সময়খিনিতো পৰ্যাপ্ত ভল্টেজ নথকাত ৰাইজে জীয়াতু ভুগিব লগা হৈছে। বিদ্যুৎ বিভাগৰ অভিযোগ দিব পৰা ১৯১২ টল ফ্ৰী নম্বৰটোও অনবৰতে ব্যস্ত কৰি ৰখাত অঞ্চলবাসীয়ে বিদ্যুৎ সম্পৰ্কীয় অভিযোগো দিব পৰা নাই। বিদ্যুতৰ এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পৰিৱেশৰ লগতে খোৱাপানী, ইণভাৰ্টাৰ আদিকে ধৰি ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰতো সাংঘাতিক ধৰণে প্ৰভাৱ পেলাইছে। এটা মাহৰ ভিতৰতে দুটাকৈ বানে জুৰুলা কৰি যোৱা অঞ্চলটোত নিবনুৱা এচাম যুৱকে বিদ্যুতকেন্দ্ৰিক কিছুমান ব্যৱসায় কৰিবলৈ লৈছিল যদিও বিদ্যুতৰ সঘন লুকাভাকুত তেওঁলোকৰ ব্যৱসায়িক ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পৰিছে।

## এ ডিভিজন ফুটবল লীগত টাউন ক্লাব জয়ী

**গুৱাহাটী, ২৩ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি বি গ্ৰুপৰ খেলত যোৰহাট টাউন ক্লাবে অল ষ্টাৰ ক্লাবক ৩-১ গ'লত পৰাভূত কৰি সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হয়। এই জয়েৰে টাউন ক্লাবে লীগৰ চাৰিখন খেলত জয়ীহৈ ১২ পইন্ট সংগ্ৰহ কৰি বি গ্ৰুপত চেম্পিয়ন হ'বলৈ সক্ষম হৈছে আৰু ছেমি ফাইনেলত প্ৰৱেশ কৰিছে । আনহাতে, বি গ্ৰুপৰ তিনিখন খেলত অংশ গ্ৰহণ কৰা অল ষ্টাৰ ক্লাবে লীগৰ দুখন খেলত জয়ীহৈ তথা এখনত পৰাজয় চিকাৰ কৰি মুঠ ছয় পইন্ট সংগ্ৰহ কৰি বি গ্ৰুপৰ দ্বিতীয়টো দল হিচাপে ছেমিফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে। আজি খেলৰ চাৰি মিনিটত যোৰহাট টাউন ক্লাবৰ বিবেক গুৰুঙে গ'ল দি ১-০ ত টাউন ক্লাবক অগ্ৰগতি প্ৰদান কৰে। পুনৰ ১৪ আৰু ১৮ মিনিটত বিবেক গুৰুঙে গ'ল দি প্ৰথমাৰ্ধত ৩-০ গ'লত অগ্ৰগতি লাভ কৰে দলক। দ্বিতীয়াৰ্ধৰ ৭২ মিনিটত অল ষ্টাৰ ক্লাবৰ জৰ্দান লাংমে গ'ল দি ব্যৱধান ৩-১ লৈ হ্ৰাস কৰে। খেল পৰিচালনা কৰে সুমন্ত দত্তই । লাইনত বিমান বুঢ়াগোহাঁই আৰু পৱন পাঠক। চতুৰ্থ ত্ৰিনোজ বড়া। ২৪ জুলাই খেল ঃ ভিক্টোৰিয়াছ ক্লাব বনাম গোহাঁই টেকেলা ফুটবল ক্লাব।

## নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

**গুৱাহাটী, ২৩ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। এই লীগৰ আজি অনুষ্ঠিত অম্লান গোষ্ঠী বনাম ৰেডিয়েল ক্লাবৰ মাজৰ গুৰুত্বপূৰ্ণ খেলখন ১-১ গ'লত ড্ৰ হয়। তুমুল প্ৰতিদ্বন্দিতামূলক খেলখনত ৰেডিয়েল ক্লাবৰহৈ বলোৰাম ৰাভাই গ'লটো দিয়াৰ বিপৰীতে অম্লান গোষ্ঠীৰ হৈ ব্ৰজেন মুছাহাৰীয়ে সমতাসূচক গ'লটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূঞাক সহায় কৰে কল্যাণ বৰুৱা, শোণিত কুমাৰ বৰা আৰু ৰয়েল ইছলামে। খেলখনত অম্লান গোষ্ঠীৰ ভূমিধৰ কছাৰী আৰু ৰেডিয়েল ক্লাবৰ চিন্তামনি পাটৰ যুটীয়াভাৱে শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।

## ৰাজ্যিক আশিহাৰা কাৰাটে প্ৰতিযোগিতা আৰম্ভ

**গুৱাহাটী, ২৩ জুলাই ঃ** দেৰগাঁও আশিহাৰা কাৰাটে স্কুলৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত দেৰগাঁও নৰেন শৰ্মা স্মৃতি পথাৰত আজিৰে পৰা আৰম্ভ হৈছে দ্বিতীয় বাৰ্ষিক ৰাজ্যিক আশিহাৰা কাৰাটে প্ৰতিযোগিতা। অসমৰ বিভিন্ন প্ৰান্তৰ সাত শতাধিক প্ৰতিযোগীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতা আজি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে দেৰগাঁৰৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভৰালীয়ে। ইয়াৰ পূৰ্বে পতাকা উত্তোলন কৰে আয়োজক সমিতিৰ সভাপতি অভিজিত বৰা আৰু আচিহাৰাৰ ৰাজ্যিক বিষয়ববীয়া হেমন্তবৰঠাকুৰে । কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়েও প্ৰতিযোগিতা স্থলীত উপস্থিত হৈ খেলুৱৈ সকলক উৎসাত কৰে। কাইলৈ প্ৰতিযোগিতাখন অন্তপৰিব।

## চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ সভা

**গুৱাহাটী, ২৩ জুলাই ঃ** নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ এখনি বিশেষ গুৰুত্বপূৰ্ণ সাধাৰণ সভা অহা ২৪ জুলাইত সংঘৰ নৱ-নিৰ্মিত ষ্টেডিয়ামত আহ্বান কৰা হৈছে । এই সভাত ৪২ সংখ্যক নৰোৱাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ বাকী থকা ছেমি ফাইনেল আৰু ফাইনেল খেলৰ দিন নিৰ্ণয়ৰ লগতে আগন্তুক ৪৩ সংখ্যক নৰোৱাম ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি সাধাৰণ সম্পাদক বিকাশ ভট্টাচাৰ্যই জনাইছে।



*বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত মহিলাৰ ৪০০ হাৰ্ডলছৰ বিশ্ব অভিলেখ ভংগ কৰি নতুন বিশ্ব ৰেকৰ্ড গঢ়ে আমেৰিকাৰ ট্ৰেক এণ্ড ফিল্ডৰ তাৰকা ছিডনী মেকলাফলিনে। ডাবল অলিম্পিক চেম্পিয়ন মেকলাফলিনে ৫০.৬৮ ছেকেণ্ড সময়েৰে নিজৰ ৫১.৪১ ছেকেণ্ডৰ বিশ্ব অভিলেখ ভংগ কৰে*

### আজি দ্বিতীয় এদিনীয়া

## ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে ৰোমাঞ্চকৰ তিনি ৰাণত জয়ী ভাৰত

**পৰ্ট অব স্পেইন, ২৩ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথমখন মেচত ৰোমাঞ্চকৰ তিনি ৰাণত জয়ী হৈ তিনিখনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। যোৱানিশা প্ৰথমে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত অভাৰত সাত উইকেট হেৰুৱাই ৩০৮ ৰাণ কৰে। দলৰ হৈ অধিনায়ক শিখৰ ধাৱনে ৯৭, শুভমন গিলে ৬৪ আৰু শ্ৰেয়াছ আয়াৰে ৫৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত অভাৰত ছয় উইকেট হেৰুৱাই ৩০৫ ৰাণ কৰি পৰাজয় স্বীকাৰ




কৰে। ঘৰুৱা দলৰ হৈ মায়েৰ্ছে ৭৫, ব্ৰেণ্ডন কিঙে ৫৪ ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ হৈ মহম্মদ চিৰাজ, শ্বাৰ্দুল ঠাকুৰ আৰু যুজবেন্দ্ৰ চাহালে দুটাকৈ উইকেট পায়। মাত্ৰ তিনি ৰানৰ বাবে শতকৰ পৰা বঞ্চিত হোৱা ভাৰতীয় অধিনায়ক ধাৱান মেচৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয়। উল্লেখ্য যে ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ তিনিখনীয়া শৃংখলাৰ দ্বিতীয়খন মেচ কাইলৈ অনুষ্ঠিত হ'ব কুইন্স পাৰ্ক অভেলত।

# গুৱাহাটীৰ প্ৰতিখন ষ্টেডিয়ামত যুৱ অলিম্পিকৰ খেল





**গুৱাহাটী, ২৩ জুলাই ঃ** চলিত অসম যুৱ অলিম্পিক ২০২২ ৰ আজি দ্বিতীয় দিনা সকলো ষ্টেডিয়ামতে বিভিন্ন খেল অনুষ্ঠিত হয়। আয়োজক, চৰকাৰ, প্ৰশাসন তথা অন্য বিভাগৰ সমন্বয় নথকাৰ বাবে খেল আয়োজনত নানান বেমেজালি দেখা দিছে যদিও যুৱ খেলুৱৈসকলে উৎসাহে এই প্ৰতিযোগিতাত অংশ লৈ নিজৰ প্ৰতিভাৰ চমক দিছে। উল্লেখ্য যে ফুটবলৰ এক ৰোমাঞ্চকৰ খেলত আজি কৰিমগঞ্জ দলে কোৱাৰ্টাৰ ফাইনেলত নিৰ্ধাৰিত সময়ৰ শেষত খেল ড্ৰ হোৱাৰ পাছত টাইব্ৰেকাৰত বাগসাৰ বিৰুদ্ধে জয়লাভ কৰি ছেমি ফাইনেলত উপনীত হৈছে। গুৱাহাটীস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ নিউ ফিল্ডত অনুষ্ঠিত ল'ৰাৰ ফুটবল প্ৰতিযোগিতাৰ নকআউত পৰ্যায়ৰ এখন খেলত মৰিগাঁৱে কোকৰাঝাৰক ২-১ গ'লৰ ব্যবধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হয়। ইফালে, আন এখন খেলত শিৱসাগৰে গোলাঘাটক ৪-১ টাইব্ৰেকাৰত পৰাস্ত কৰে।

**চাইক্লিং ঃ** ইফালে, ২০ কিলোমিটাৰ চাইক্লিঙৰ ছোৱালীৰ শাখাত কামৰূপৰ জাষ্টিন কাশ্যপে শীৰ্ষ স্থান নিশ্চিত কৰিবলৈ সক্ষম হয়। লখিমপুৰৰ হীৰা বসুমতাৰীযে দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে ডিব্ৰুগড়ৰ ডলী ৰাণী দুৱৰাই তৃতীয় স্থান অৰ্জন কৰে। ইফালে, ৬০ কিলোমিটাৰ চাইক্লিং খেলৰ ল'ৰাৰ শাখাত কামৰূপৰ মানৱজ্যোতি টেৰণে শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয় স্থান অধিকাৰ কৰে কামৰূপৰ চেমছন ইংতিয়ে আৰু তৃতীয় স্থান লাভ কৰে কামৰূপৰে প্ৰিয়াঞ্চু ডেকাই। ইফালে, ৪০ কিলোমিটাৰ চাইক্লিং একক শাখাত কামৰূপৰ ৰিমঞ্জু ৰয়ে প্ৰথম স্থান লাভ কৰে। দ্বিতীয় স্থানত থাকে কামৰূপৰ চেমছন ইংতি আৰু কামৰূপৰ বিশাল জ্যোতি ডেকা তৃতীয় স্থানত উপনীত হয়। ইফালে, ২০ কিলোমিটাৰ চাইক্লিং ছোৱালীৰ একক শাখাত লখিমপুৰৰ হীৰা বসুমতাৰীয়ে শীৰ্ষ স্থান দখল কৰি বিজয়ী হয়। আনহাতে, কামৰূপৰ দেৱীকা শৰ্মাই দ্বিতীয় স্থানত আৰু ডিব্ৰুগড়ৰ ডলী ৰাণী দুৱৰাই তৃতীয় স্থানত উপনীত হয়।

**জুডো ঃ** অসম যুৱ অলিম্পিক ২০২২ ৰ আজি হোৱা জুডো খেলত ৫০ কিলোগ্ৰাম শাখাত ডিব্ৰুগড়ৰ অভিনৱ গগৈয়ে শীৰ্ষ স্থান দখল কৰে আৰু কাৰ্বি আংলঙৰ নলবীৰ নাৰ্জাৰীয়ে দ্বিতীয় আৰু ধেমাজিৰ ৰাজ দেউৰী তথা কোকৰাঝাৰৰ বিৰ্দাও বসুমতাৰীয়ে ক্ৰমান্বয়ে তৃতীয় আৰু চতুৰ্থ স্থান লাভ কৰে। ইফালে, জুডোৰ ছোৱালীৰ ৪০ কিলোগ্ৰাম শাখাত কাৰ্বি আংলঙৰ মনিকা কে আপ্লিয়ে শীৰ্ষ স্থান লাভ কৰে। চৰাইদেউৰ শিল্পাৰাণী তাপাদাৰে দ্বিতীয় হয়। ৪৪ কিলোগ্ৰাম অনুৰ্ধৰ ছোৱালী শাখাত কাৰ্বি আংলঙৰ পূৰবী



শৰ্মাই শীৰ্ষ স্থান লাভ কৰে। আনহাতে, ধেমাজিৰ জ্যোতিলোটা দেউৰীয়ে দ্বিতীয় স্থানত উপনীত হয়। নগাঁৱৰ ৰুইমালী বসুমতাৰীয়ে লাভ কৰে তৃতীয় স্থান। তদুপৰি, ৪৮ কিলোগ্ৰামৰ ছোৱালী শাখাত নগাঁৱৰ লাইমুন দৈমাৰীয়ে শীৰ্ষ স্থান লাভ কৰে আৰু তিনিচুকীয়াৰ মনীষা দত্ত তথা গুৱাহাটীৰ ভূমি লিম্বুৱে ক্ৰমান্বয়ে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। কাৰ্বি আংলঙৰ সোমাইনা বসুমতাৰীয়ে চতুৰ্থ স্থানত উপনীত হয়।

**ফেন্সিং ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ ৰ আজি হোৱা ফেন্সিং খেলত ফইল গাৰ্লছ শাখাত ধেমাজিৰ পলমণি বৰগোহাঁয়ে শীৰ্ষ স্থান দখল কৰে। দ্বিতীয় স্থানত গোৱালপাৰাৰ বেৰিস্মিতা ৰাভা আৰু তৃতীয় স্থানত গুৱাহাটীৰ দেৱীকা বৰা আৰু তিনিচুকীয়াৰ অস্মিতা দাস উপনীত হয়। ছাবৰি গাৰ্ল শাখাত গুৱাহাটীৰ হিমাশ্ৰী মৰাণে শীৰ্ষ স্থান লাভ কৰে আৰু ওদালগুৰিৰ প্ৰিয়ংকা বড়োৱে দ্বিতীয় তথা তৃতীয় স্থান দখল কৰে তিনিচুকীয়াৰ ডলী গগৈ আৰু শিলচৰৰ তনুশ্ৰী সিংহই। ইপি গাৰ্ল শাখাত তিনিচুকীয়াৰ কৰিশ্মিতা মৰাণে শীৰ্ষ স্থান লাভ কৰে। আনহাতে, তিনিচুকীয়াৰ চয়ানিকা গগৈয়ে দ্বিতীয় আৰু ডিব্ৰুগড়ৰ সীতা তালি তথা গুৱাহাটীৰ সুকন্যা বৰাই তৃতীয় স্থান দখল কৰে।

**বৰষুণৰ বাবে পৰিত্যক্ত ছোৱালীৰ হকীৰ ছেমিফাইনেল ঃ** চলিত অসম যুৱ অলিম্পিক ২০২২ ৰ আজি দ্বিতীয় দিনা মহিলা হকীৰ ছেমিফাইনেল মেচ চলি থকা সময়তে ধাৰাসাৰ বৰষুণ দিয়াত খেল আধাতে বন্ধ ৰাখিব লগা হয়। উল্লেখ্য যে মহিলা হকীৰ ছেমিফাইনেলত তিনিচুকীয়াই ডিব্ৰুগড়ৰ বিৰুদ্ধে খেলাৰ বিপৰীতে গুৱাহাটীয়ে নগাঁৱৰ বিৰুদ্ধে খেলিছে। এতিয়া মেচ দুখন কাইলৈ হ'ব। কিন্তু সূচী অনুসৰি কাইলৈ বিয়লি ফাইনেল হ'ব লাগিছিল। তেনেক্ষেত্ৰত খেল পৰিচালকে কি সিদ্ধান্ত ল'ব সেয়া গুৰুত্বপূৰ্ণ। উল্লেখ্য যে ভেটাপাৰাৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হোৱা মহিলা হকীৰ গ্ৰুপৰ খেলত গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্দিক ১৪-০ গ'লত আৰু ডিব্ৰুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।

ইয়াৰ উপৰিও আজি মালিগাঁৱত বাস্কেটবল, আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পত বেডমিণ্টন লগতে যোগা, কাবাদী, কাৰাটে, টেনিছ, খো-খো, নেটবল আদি আৰম্ভ হয়।





## মঙলদৈ ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহকত সংবিধান উলংঘাৰ বাবে তীব্ৰ বাকযদ্ধু

**গুৱাহাটী, ২৩ জুলাই ঃ** ঐতিহ্যমণ্ডিত মঙলদৈ ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ একাংশ শীৰ্ষস্থানীয় বিষয়ববীয়াই বিগত কাৰ্যকালত সন্থাৰ সংবিধানক ভৰিৰে গচকি বহু অনিয়ম সংঘটিত কৰাৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত হৈ অহাৰ পাছত সদ্য অনুস্থিত কাৰ্যনিৰ্বাহক সভাত তীব্ৰ বাক্যবানৰ বিনিময় হয় । সন্থাৰ কে'তবোৰ অক্ৰীড়াসুলভ কাৰ্যকলাপৰ বিষয়ে ইতিমধ্যে বিভিন্ন প্ৰচাৰ মাধ্যম আৰু সচেতন মহলৰ মাজত চৰ্চিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত এই সভাখনক লৈ ক্ৰীড়ামহলত যথেষ্ট কৌতূহলৰ সৃষ্টি হৈছিল । অভিযোগ মতে ২০২১ ৰ ২৪ অক্টোবৰতেই চাৰিবছৰীয়া কাৰ্যকালৰ ম্যাদ উকলা সমিতিখনে ছমাহৰ অতিৰিক্ত কাৰ্যকাল সংবিধানৰ ধাৰা ভংগ কৰি বঢ়াই লৈছিল। আচলতে কাৰ্যকাল বৃদ্ধি কৰিবলৈ হ'লে সাধাৰণ সভা অনুষ্ঠিত কৰি গৰিষ্ঠসংখ্যক সদস্যৰ সন্মতি লোৱাৰ প্ৰয়োজন আছিল । আনহাতে অসাংবিধানিকভাৱে কাৰ্যকাল বৃদ্ধি কৰাৰ পাছতো যোৱা ২৪ এপ্ৰিলত সেই সময়ো উকলি গ'ল । কিন্তু সাধাৰণ সভা অনুষ্ঠিত নকৰি সমিতিৰ একাংশই নিকৃষ্ট ৰাজনীতিৰে পুনৰ চকী দখলৰ অযথা প্ৰয়াস কৰি ক্ৰীড়াৰ পৰিবেশ বিনষ্ট কৰিছে বুলিও গৰিষ্ঠসংখ্যক সদস্যই অভিযোগ কৰিছে। তাৎপৰ্যপূৰ্ণ যে শচীন চহৰীয়াৰ স্মৃতিত পতা দৰং জিলা আন্তঃবিদ্যালয় ক্ৰিকেটখন বিগত তিনি বছৰে পতা নাই। বিগত প্ৰায় তিনি বছৰে কোনো কাৰ্যনিৰ্বাহক সভা অথবা সাধাৰণ সভা অনুষ্ঠিত নকৰাৰ লগতে কোনো আয়-ব্যয়ৰ হিচাব সমিতিখনে দাখিল কৰা নাই । গতিকে এই সময়চোৱাত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ কোনে ল'লে, কেনেকৈ ল'লে, কেতিয়া ল'লে বুলিও সন্থাৰ ভিতৰচ'ৰাত চৰ্চা চলিছে। আনহাতে, বিভিন্ন বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ সভাবোৰলৈ উক্ত ইভেণ্টৰ অ-আ নজনা ব্যক্তিক মঙলদৈৰ প্ৰতিনিধি হিচাবে প্ৰেৰণ কৰি হাঁহিয়াতৰ পাত্ৰ হোৱা বুলিও অভিযোগ উঠিছে । ইপিনে আন খেলবোৰ নস্যাৎ কৰি কেৱল ধনৰ বাবদ 'ক্ৰিকেট কেন্দ্ৰিক' হৈ উঠা বুলিও সমালোচনাৰ জোঁৱাৰ উঠিছে । এনে অৱস্থাতে সুদীৰ্ঘ দুবছৰ সাত মাহৰ মূৰত (২০১৯ ৰ ২১ ডিচেম্বৰৰ পাছত) সন্থাৰ সভাপতি গুৰুজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত সৰৱ ভূমিকা পালন কৰে ঘাইকৈ সাধাৰণ সম্পাদক অনুপম ডেকা, জ্যেষ্ঠ বিষয়ববীয়া বিচিত্ৰ কুমাৰ মেধি, প্ৰদীপ তালুকদাৰ, কমৰুল হক, হিমাঞ্জন শৰ্মা, বীৰেন দাস, প্ৰদীপ তালুকদাৰ, প্ৰণৱ বৰুৱা, বিদ্যুত কুমাৰ বৰুৱা, প্ৰসন্ন শইকীয়া, আব্দুল খালেক, প্ৰকাশ ডেকা, সম্ভূ দেৱনাথ আদিয়ে । সভাত বৰ্তমানৰ সমিতিখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিন-বাৰক লৈ, সংবিধানখন বহুতেই দেখাই নোপোৱাক লৈ, বৰ্তমানৰ সমিতিখনৰ বৈধতাক লৈ, দুজনমানে সভাপতি-সম্পাদকক বিপথে পৰিচালিত কৰাক লৈ, কাৰ্যনিৰ্বাহকৰ অনুমোদন নোহোৱাকৈ লাখ-লাখ টকা ব্যয় কৰাক আদিক লৈ তীব্ৰ যুক্তিবানৰ বিনিময় ঘটে । সভাত জ্যেষ্ঠ বিষয়ববীয়া দুজনমানে অজানিতে হোৱা বুলি ভুলৰ মাৰ্জনা পৰ্যন্ত বিচৰা বুলি জনা গৈছে । অৱশেষত সমাগত দুৰ্গাপূজাকে ধৰি বিভিন্ন দিশ চালিজাৰি অহা ১৬ অক্টোবৰত সাধাৰণ সভা অনুষ্ঠিত কৰা আৰু তাৰ পূৰ্বে 'এ' ডিভিজন, ছুপাৰ ডিভিজন ফুটবল লীগৰ লগতে অম্বা মেধি সোঁৱৰণি সৰ্বভাৰতীয় ফুটবল প্ৰতিযোগিতাখন ষ্টেডিয়ামৰ ভিতৰতে অনুস্থিত কৰা আদি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

## অভিলেখ গঢ়ি এদিনীয়া ক্ৰিকেটত এহেজাৰ ৰাণ শ্ৰেয়াছ আয়াৰৰ

**পৰ্ট অব স্পেইন, ২৩ জুলাই ঃ** ভাৰতীয় দলৰ নিৰ্ভৰযোগ্য মিডল অৰ্ডাৰ বেটাৰ শ্ৰেয়াছ আয়াৰে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথমখন মেচত নিজৰ অৰ্ধশতকীয় ইনিংছৰ জৰিয়তে অৰ্জন কৰিছে এক ঈৰ্ষণীয় সাফল্য। ভাৰতৰ হৈ তিনি নম্বৰ স্থানত বেটিং কৰিবলৈ অহা আয়াৰে ৫৪ ৰানৰ ইনিংছটোৰে এদিনীয়া কেৰিয়াৰত এহেজাৰ ৰান সম্পূৰ্ণ কৰে। নিজৰ এদিনীয়া কেৰিয়াৰত এহেজাৰ ৰান সম্পূৰ্ণ কৰিবলৈ আয়াৰক প্ৰয়োজন হয় ২৫ টা ইনিংছৰ। এইদৰে তেওঁ আন্তঃৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেটত এহেজাৰ ৰানৰ সীমা স্পৰ্শ কৰা ভাৰতীয় ক্ৰিকেটাৰৰ ক্ষেত্ৰত যুটীয়াভাৱে দ্বিতীয় দ্ৰুততম বেটাৰ হিচাপে পৰিগণিত হয়। মেচখনত ভাৰতীয় অপেনাৰদ্বয় শিখৰ ধাৱান আৰু শুভমন গিলে দলক এক সুদৃঢ় আৰম্ভণি প্ৰদান কৰাৰ পিছত আয়াৰে ৫৭ টা বলত ৫৪ ৰাণ সংগ্ৰহ কৰে। উল্লেখ্য যে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত এহেজাৰ ৰান সংগ্ৰহ কৰা দ্ৰুততম ভাৰতীয়ৰ ৰেকৰ্ড আছে তাৰকা ক্ৰিকেটাৰ তথা প্ৰাক্তন অধিনায়ক বিৰাট কোহলী আৰু অভিজ্ঞ অপেনাৰ শিখৰ ধাৱানৰ নামত। ধাৱান আৰু কোহলীয়ে ২৪ টা ইনিংছত এহেজাৰ ৰানৰ মাইলষ্ট'ন স্পৰ্শ কৰিছিল। আয়াৰে ২৫ টা ইনিংছত এহেজাৰ ৰানৰ সীমা অতিক্ৰম কৰাৰ লগে লগে এই তালিকাত প্ৰাক্তন ক্ৰিকেটাৰ নৱজ্যোত সিং সিদ্ধুৰ সৈতে যুটীয়াভাৱে দ্বিতীয় দ্ৰুততম বেটাৰ হিচাপে স্বীকৃত হয়। তদুপৰি আয়াৰে মেচখনত আন এক কৃতিত্বও অৰ্জন কৰিছে। নিজৰ প্ৰথম ২৫ টা এদিনীয়া ইনিংছত ১০ টা অৰ্ধ-শতক আৰু এটা শতকসহ মুঠ ১১ বাৰ ৫০ ৰ ওপৰত স্ক'ৰ অৰ্জন কৰিছে আয়াৰে। আন্তঃৰাষ্ট্ৰীয় এদিনীয়াত প্ৰথম ২৫ খন মেচত এইদৰে সৰ্বাধিক পঞ্চাশোধিক ৰান সংগ্ৰহ কৰা ভাৰতীয় খেলুৱৈৰ ভিতৰত দ্বিতীয় স্থানলৈ উন্নীত হয় আয়াৰ। এই তালিকাত আয়াৰে অতিক্ৰম কৰে কোহলীৰ দৰে তাৰকাক। এই ক্ষেত্ৰত আয়াৰতকৈ আগত আছে কেৱল প্ৰাক্তন তাৰকা নৱজ্যোত সিং সিদ্ধু।




### গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনূৰ্দ্ধ ফুটবল প্ৰতিযোগিতা

## গুৱাহাটী চিটী এফ চি-কাজিৰঙা এফ চি ছেমিফাইনেলত

**গুৱাহাটী, ২৩ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনূৰ্দ্ধ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনত ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে ডিফেণ্ডিং চেম্পিয়ন গুৱাহাটী চিটী এফ চিৰ লগতে কাজিৰঙা এফ চিয়ে । আজি অনুষ্ঠিত গ্ৰুপ এ ৰ এখন গুৰুত্বপূৰ্ণ খেলত গুৱাহাটী চিটী এফ চিয়ে এনকেএছএফচিচিক ২৩-০ গ'লৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰি গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে । গুৱাহাটী চিটীৰ হৈ ভৱেশ দলৈ আৰু ভুৱন ৰায়ে চাৰিটাকৈ গ'ল কৰাৰ বিপৰীতে তুষাৰদীপ বৰ্মন আৰু দিব্যপ্ৰতিম বসুমতাৰীয়ে হেটট্ৰিক কৰে । আনহাতে, গ্ৰুপ বিৰ এখন খেলত হান্টোছ এফচিয়ে কাজিৰঙা এফচিক ২-১ গ'লত পৰাস্ত কৰে যদিও গ'লৰ হাৰত কাজিৰঙাই গ্ৰুপৰ বিজয়ী হিচাপে ছেমিফাইনেলত প্ৰৱেশ কৰে । আন খেলসমূহত বিজয়ৰ ধাৰা অক্ষুণ্ণ ৰাখি গ্ৰুপ ডিত উদয়ন কৃষ্টি সংঘই চান্দমাৰী এফচিচিক ৩-০ গ'লত পৰাস্ত কৰে । গ্ৰুপ ডিৰ আন এখন খেলত পেগাছাছ এফচিয়ে গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক ৩-২ গ'লত পৰাস্ত কৰে । কাইলৈৰ খেলসমূহ ঃ গুৱাহাটী ইয়ং ষ্টাৰ এফচিচি বনাম চান্দমাৰী এফচিচি । পেগাছাছ এফচি বনাম উদয়ন কৃষ্টি সংঘ। আকাশ এফচি বনাম নাৰেংগী এফচিচি।

# পি এম কিষাণ আঁচনিত ই কে ৱাই চি আৰু শালিধানৰ বীমাকৰণ কৰিবৰ বাবে নগাঁও জিলা কৃষি বিভাগৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৩ জুলাই ঃ** পি এম কিষাণ আঁচনিৰ অধীনত ধনৰাশি পাই থকা কৃষকসকলক, যিসকল কৃষকে এতিয়াও আধাৰ সংযোগ আৰু ইকেয়াইচি কৰা নাই সেইসকলক ৩১ জুলাই, ভিতৰত স্থানীয় সমূহীয়া সেৱা কেন্দ্ৰ (চিএছচি) বা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বা চক্ৰ বিষয়াৰ কাৰ্যালয়ত অৱস্থিত ৰাজহুৱা সেৱা কেন্দ্ৰত এই তথ্য দিবৰ বাবে জিলা কৃষি বিভাগে আহ্বান জনাইছে। অন্যথা এই কৃষকসকলে পাই থকা ধনৰাশি পোৱাৰ পৰা বঞ্চিত হ'ব। মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাটো জিলাখনৰ বহু কৃষক ৰাইজে এইপৰ্যন্ত ইকেৱাইচি কৰিবৰ বাবে ওলাই অহা নাই। সেয়েহে সমূহ কৃষক ৰাইজক ৩১ জুলাইৰ আগতে প্ৰয়োজনীয় ইকেৱাইচি কৰি চৰকাৰে আগবঢ়োৱা ধনৰাশি পোৱাৰ পথ সুচল কৰিবৰ বাবে নগাঁও জিলা কৃষি বিষয়াই আহ্বান জনায়। লগতে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শালিধান আৰু মাটিমাহ শস্যৰ বীমাকৰণৰ কাম নগাঁও জিলাতো চলি আছে। কৃষক ৰাইজে এক হেক্টৰ অৰ্থাত ৭.৫ বিঘা মাটিৰ বীমাৰ বাবে মাত্ৰ ১০০ টকা প্ৰিমিয়াম দিব লাগে। শালিধানৰ বীমাকৰাৰ শেষ তাৰিখ হ'ল ৩১ জুলাই। এই শস্য বীমাৰ বাবে প্ৰয়োজনীয় নথিপত্ৰসমূহ হ'ল— মাটিৰ কাগজ, আধাৰ কাৰ্ড আৰু বেংকৰ পাছবুক। কৃষকসকলৰ ওচৰতে থকা চিএছচি কেন্দ্ৰত গৈ এই বীমাকৰণ কৰাব পাৰিব। সবিশেষ জানিবৰ বাবে স্থানীয় কৃষি উন্নয়ন বিষয়া, গাঁও পঞ্চায়ত, অথবা বীমা কোম্পানীৰ লগত যোগাযোগ কৰিবৰ বাবে জিলা কৃষি বিভাগে আহ্বান জনাইছে।

# উজনি মাজুলীৰ কুমাৰ চাপৰি আৰু ৰবিঘাটত খহনীয়াৰ তাণ্ডৱ

## কাণসাৰ নাই দায়িত্বত থকা সংস্থা ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ২৩ জুলাই ঃ** উজনি মাজুলীৰ লুইতপৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত কুমাৰ চাপৰিৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে মাজুলীৰ ৰক্ষাৰ কৱচ স্বৰূপ সোণোৱাল কছাৰী-লাচন-চিকাৰী গাঁৱৰ মথাউৰিলৈ। উল্লেখ্য যে প্ৰায় বহু হেক্টৰ ভূমি ব্ৰহ্মপুত্ৰৰ বুকুত ইতিমধ্যে জাহ গৈছে। প্ৰায় ২০টাৰো অধিক গোহালি হেৰুৱাইছে নৈপৰীয়া গো-পালকে। খহনীয়াই নিদ্ৰাহৰণ কৰিছে লাচন চাপৰি, ২নং বনৰীয়া চাপৰি, ধনাই চাপৰি আৰু বগৰীগুৰিৰ ৫ শতাধিক দুৰ্ভগীয়া ৰাইজৰ। ইপিনে, ৰতনপুৰ গায়ন গাঁও পঞ্চায়তৰ অন্তৰ্গত বনৰীয়া চাপৰি আৰু ময়েঙ্গীয়া সংযোগী ৰবিঘাটতো খহনীয়াৰ ভয়ংকৰ ৰূপ। উজনি মাজুলীৰ শালমৰা মৌজাত ১৯৫০ চনৰ প্ৰবল ভূমিকম্পৰ পাছৰে পৰা অব্যাহত থকা ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধ কৰাত ৰাজ্যত শাসন কৰা কোনো এটা দলৰ চৰকাৰেই সক্ষম নোহোৱাত অঞ্চলবাসীয়ে উদ্বেগ প্ৰকাশ কৰিছে। অতি পৰিতাপৰ কথা মাজুলীৰ ভৌগোলিক সুৰক্ষাৰ দায়িত্বত থকা সংস্থা ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰো কোনো কাণসাৰ নাই। অভিযোগ অনুসৰি জাতীয় ছাত্ৰ সংগঠন টিএমপিকে আৰু সদৌ অসম ছাত্ৰ সন্থা 'আছু'ৰ দৰে বিয়াগোম সংগঠন থাকিও নীৰৱ ভূমিকা পালন কৰা ৰহস্যটোৱে অধিক চিন্তিত কৰি তুলিছে নৈপৰীয়া মাজুলী বাসীক। সেয়ে বিভাগীয় কৰ্তৃপক্ষক অঞ্চলসমূহ পৰিদৰ্শন কৰি শীঘ্ৰে বিজ্ঞানসন্মতভাৱে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় সচেতন মহলে দাবী জনাইছে।


### মইনা নায়কৰ ঘৰত উপস্থিত হোৱা নাই বাগিচাৰ পৰিচালক

# মইনাক লৈ মৰাণৰ লেপেটকটাত চলিছে ৰাজনীতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৩ জুলাই ঃ** মইনা নায়কৰ ঘৰৰ আজিও উপস্থিত হোৱা নাই লেপেটকটা চাহ বাগিচাৰ পৰিচালক। আঠজন সদস্য থকা মইনা নায়কৰ ঘৰখনৰ সম্পূৰ্ণ দায়িত্ব আছিল মইনা নায়কৰ ওপৰত। আজি পাঁচটা দিনৰ অন্ততঃ মইনা নায়কৰ ঘৰত উপস্থিত হ'বলৈ সময় পালে অসম চাহ মজদুৰ সংঘই। চাহ শ্ৰমিকৰ সংগঠনৰ নামত গঠিত অসম চাহ মজদুৰ সংঘৰ সভাপতি পৱনসিং ঘাটোৱাৰ আৰু সম্পাদক ৰূপেশ গোৱালাই মইনা নায়কৰ দুৰ্ঘটনাৰ পাঁচদিনৰ দিনা লেপেটকটা চাহ বাগিচাৰ বৰ লাইনস্থিত মইনা নায়কৰ বাসগৃহত উপস্থিত হ'বলৈ সময় পালে। ইফালে বিভিন্ন ৰাজনৈতিক নেতা-পালিনেতাৰ সোঁত বৈছে যদিও কোনো ন্যায় লাভ কৰা নাই মইনা নায়কৰ পৰিয়ালে। এতিয়া কেৱল মইনা নায়কক লৈ ৰাজনৈতিক দলসমূহে ৰাজনীতি কৰাহে পৰিলক্ষিত হৈছে। মইনা নায়ক আঘাতপ্ৰাপ্ত হোৱাৰ পাছত দৰিদ্ৰ পৰিয়ালটি ভাতমুঠি যোগাৰ কৰাটো সমস্যা হৈছে। ইফালে ১৯ জুলাইত লেপেটকটা চাহ চাহ বাগিচাৰ ফেক্টৰীৰ চিটিচি মেচিনত সোমাই আঘাতপ্ৰাপ্ত হোৱা অস্থায়ী শ্ৰমিক মইনা নায়কক ১৩ লাখ ৩৩ হাজাৰ ৩৪ টকা ক্ষতিপূৰণ দিবলৈ লেপেটকটা চাহ বাগিচাৰ কৰ্তৃপক্ষক সহকাৰী শ্ৰম আয়ুক্তই নিৰ্দেশ দিছে যদিও পৰিয়ালটিক বৰ্তমানলৈ ফুটাকড়ি এটাও দিয়া নাই বুলি আজি 'দৈনিক অসম'ৰ সাংবাদিকক জানিব দিয়ে। ঘৰৰ ভিতৰৰ পৰা আকাশ দেখা পৰিয়াটিৰে টকা-পইচাৰ সলনি মইনা নায়কক সম্পূৰ্ণ সুস্থ হৈ ঘৰলৈ উভতি অহাটো আশা কৰিছে।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিন্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৱেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি